অন্য দেশৰ পৰা বেছি দামত ইউৰিয়া কিনি আনো আৰু চাবচিডি দি কৃষকসকলক ইউৰিয়া বিক্ৰী কৰো। প্ৰায় ৩ লাখ কোটি টকা ভাৰত চৰকাৰে ইউৰিয়া বা সাৰৰ নামত কৃষকক সহায় কৰিবলৈ চাবচিডি দিয়ে। আমি কৃষকক সহায় কৰিবই লাগিব। মই পুনৰবাৰ কৈছো যে আমাৰ দেশখন এখন কৃষি প্ৰধান দেশ আৰু আমি কৃষি কৰি দেশখনক আগুৱাব লাগিব। গতিকে কৃষকক আমি সহায় কৰিব লাগিব। আমি নেন’ সাৰ কিনিবলৈ উৎসাহ যোগাওঁ। কিন্তু বাধ্য কৰাব নোৱাৰো। ধৰি ল’লো যে কোনোবা এজন ব্যক্তি এখন দোকানলৈ গ’ল আৰু তেখেতক এক বেগ সাৰ লাগে । এক বেগ সাৰৰ বদলি যদি আৰু এটা নেন’ ৰ বটল দিয়ে তেতিয়া অলপ সাৰ নষ্ট হৈ যায়। অৰ্থাৎ মানুহজনে খেতি কৰে দুই বিঘা মাটিত আৰু তেখেতক লাগে এক বেগ ইউৰিয়া সাৰ। আমি যদি এক বেগ ইউৰিয়া সাৰৰ লগত আকৌ এক বেগ নেন’ সাৰ দি দিওঁ আৰু দুয়োটা বস্তুৱে একে কাম। তেনেক্ষেত্ৰত মানুহজনে এটা বস্তু পেলাই দিব লাগিব আৰু কৃষক সকলৰ লোকচান হ’ল। মাননীয় অধ্যক্ষ মহোদয়, সেয়েহে আমি এই ক্ষেত্ৰত ইউৰিয়াৰ ঠাইত নেন’ সাৰ ব্যৱহাৰ কৰিবলৈ উদগণি যোগাইছো। কাৰণ এই নেন’ ইউৰিয়াৰ ভাৰতত উৎপাদন হয় আৰু ভাৰতত উৎপাদন হ’লে আমি কম খৰচত পাওঁ। তেতিয়া আমি হয়তো বেছি চাবচিডি দিব নালাগিব। সেইকাৰণে আমি ভাৰত চৰকাৰে নেন’ ইউৰিয়া কিনিবলৈ উদগণি যোগাওঁ বা উৎসাহ দিওঁ। মই সাধাৰণ কথা কৈছো যে আমি উৎসাহ যোগাওঁ কিন্তু বাধ্য কৰাব নোৱাৰো। ক’ৰবাত ক’ৰবাত হেঁচা প্ৰয়োগ কৰা হৈছে। মই তেখেতসকলক ক’ব বিচাৰিছো যে আপোনালোকে নেন’ ইউৰিয়া কিনাৰ বাবে উৎসাহ যোগাব পাৰে, কিন্তু বাধ্য কৰাব নোৱাৰে। মাননীয় অধ্যক্ষ মহোদয়, যিসকল বিক্ৰেতা তেওঁলোকক মই অনুৰোধ কৰিছোঁ, আহ্বান জনাইছোঁ। আপোনালোকে কওঁক আপুনি এবেগ ইউৰিয়া সাৰ কিনিবলৈ আহিছে, আপুনি আধা বেগ কিনক আৰু অলপ নেনো লৈ যাওক সেইটো ক’ব লাগিব, অধ্যক্ষ ডাঙৰীয়া। গতিকে, অধ্যক্ষ ডাঙৰীয়া, মই আকৌ কৈছোঁ, আমি এই ক্ষেত্ৰত strict। আমাৰ বিভিন্ন নিয়ম আছে মই এইখিনি পঢ়ি দিছোঁ, যাৰ ফলত যাতে আমি কৃষকসকলক ক্ষতিগ্ৰস্ত

হবলৈ দিব । কিছুমান দুষ্ট প্ৰকৃতিৰ ব্যক্তিয়ে এই আমাৰ কৃষক সকলক অসুবিধাত পেলাবলৈ চেষ্টা কৰে। কি কি সিদ্ধান্ত লৈছোঁ, মই আপোনাক, অধ্যক্ষ ডাঙৰীয়া, পঢ়ি শুনাইছোঁ। অধ্যক্ষ ডাঙৰীয়া, আইনী ব্যৱস্থা Fertilizer Control Order 1985 আৰু Essential Commodities 1955 অনুসৰি বাধ্যতামূলক বিক্ৰী নিষিদ্ধ। অধ্যক্ষ ডাঙৰীয়া, Fertilizer Control Order 1985 FCO 1985 অনুসৰি, কোনো অনুজ্ঞাপত্ৰ সাৰ বিক্ৰেতাই কৃষক বা গ্ৰাহকক তেওঁলোকৰ প্ৰয়োজন বা ইচ্ছাৰ বিৰুদ্ধে এটা সাৰৰ সৈতে আন কোনো সাৰ বা সামগ্ৰী ক্ৰয় কৰিবলৈ বাধ্য কৰিব নোৱাৰিব। এইখন, অধ্যক্ষ ডাঙৰীয়া, আমাৰ আইন প্ৰণয়ন কৰা আছে। এই ধৰণে বাধ্যতামূলক বিক্ৰী সম্পূৰ্ণৰূপে বে-আইনী আৰু শাস্তিৰ যোগ্য ব্যৱস্থা গ্ৰহণযোগ্য। অধ্যক্ষ ডাঙৰীয়া, বিভাগৰ নিৰ্দেশনা আৰু নিৰীক্ষণ ব্যৱস্থা আমি কি নিৰ্দেশ দিছোঁ আৰু কেনেকৈ নিৰীক্ষণ কৰিছোঁ, মই এবাৰ আলোকপাত কৰিব খুজিছোঁ। অধ্যক্ষ ডাঙৰীয়া, ৰাজ্য চৰকাৰে ইতিমধ্যে সকলো জিলা প্ৰশাসন, DC আৰু জিলা কৃষি বিষয়া সকলক সাৰ বিক্ৰী কেন্দ্ৰসমূহ নিয়মিত ভাৱে পৰিদৰ্শন কৰিবলৈ আৰু সাৰৰ যোগান মজুত আৰু বিক্ৰী ব্যৱস্থা নিবিড়ভাৱে পৰ্যবেক্ষণ কৰিবলৈ নিৰ্দেশ জাৰি কৰা হৈছে। ইয়াৰ উপৰি প্ৰতিখন জিলাতে সাৰ বিক্ৰী ব্যৱস্থা পৰ্যবেক্ষণ কৰিবলৈ জিলা আয়ুক্তৰ অধীনত জিলাভিত্তিক task force আৰু পঞ্চায়ত সমূহ নিৰীক্ষণ সমিতি গঠন কৰা হৈছে। অসমৰ বিভিন্ন ঠাইত ৭০৪৪ খন খুচুৰা বিক্ৰী কেন্দ্ৰৰ যোগেদি সাৰ বিক্ৰী কৰা হয়। এই বিক্ৰীৰ ব্যৱস্থা অধিক স্বচ্ছ আৰু নিয়মিত কৰাৰ বাবে Point of Sale যন্ত্ৰৰ জৰিয়তে কৃষকৰ পৰিচয় নিশ্চিত কৰি চৰকাৰৰ দ্বাৰা নিৰ্ধাৰিত মূল্যত বিক্ৰী কৰাটো বাধ্যতামূলক কৰা হৈছে, অধ্যক্ষ ডাঙৰীয়া। এই ব্যৱস্থা অপব্যৱহাৰ আৰু নিয়ম উলংঘন কৰা কোনো বিক্ৰেতাৰ বিৰুদ্ধে অনুজ্ঞাপত্ৰ বাতিলকে ধৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। অধ্যক্ষ ডাঙৰীয়া, যদি কোনো সাৰ বিক্ৰেতাৰ বিৰুদ্ধে ইউৰিয়া সাৰৰ সৈতে অনাৱশ্যক ভাৱে অন্য সাৰ বা সামগ্ৰী ক্ৰয় কৰিবলৈ কৃষকক বাধ্য কৰাৰ অভিযোগ প্ৰমাণিত হয়, তেন্তে সংশ্লিষ্ট বিক্ৰেতাৰ বিৰুদ্ধে FCO মই যিখন ক'লোঁ, Fertilizer Control Order 1985 ৰ

আইনৰ যোগেদি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। অধ্যক্ষ ডাঙৰীয়া, মই এই কাৰণেই এইখিনি কথা কৈছোঁ। আমাৰ খেতিয়কসকল সাধাৰণতে উপান্ত বহুত খেতিয়ক। মই হুবহু কৈছোঁ যে অসমত এতিয়া Details Data Collect কৰি আছোঁ। অসমত Progressive Farmer কিমান আছে ? এখন এখন জিলাত ছয়জনৰ পৰা সাতজন, দহজনলৈ আছে। গতিকে, অধ্যক্ষ ডাঙৰীয়া, আমাৰ কৃষকসকল এতিয়াও উপান্ত। তাৰ বহুত কাৰণো আছে। পানী অন্যতম কাৰণ। মই এটা আৰু Zero hour ৰ question আছে, তাৰ উত্তৰ দিম। আমি পানী বহুত দিব পৰা নাই। দিবলৈকে আমি সাজু হৈছোঁ বা চেষ্টা কৰিম। গতিকে, অধ্যক্ষ ডাঙৰীয়া, আমাৰ কৃষকসকল উপান্ত। এই উপান্ত কৃষকক আৰু Force কৰিব এইটো মানি লোৱা নহ'ব। অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্যগৰাকীয়ে আৰু এটা Question উত্থাপন কৰিছে। যিটো হৈছে Farmer Registration। অধ্যক্ষ ডাঙৰীয়া, যোৱাকালি অসমত ৮০০৭ টা Farmer Registration হৈছে। যোৱা দেওবাৰে, প্ৰায় ১৪০০ হৈছে । মই দেওবাৰে কেতিয়াও বিষয়া কৰ্মচাৰীসকলক কাম কৰিবলৈ নিৰ্দেশ দিয়া নাই। অধ্যক্ষ ডাঙৰীয়া, আমাৰ বিষয়া কৰ্মচাৰীসকলে Voluntarily গৈ Second Saturday, Fourth Saturday আৰু দেওবাৰেও কৃষক Registration কৰিছে। অধ্যক্ষ ডাঙৰীয়া, আমি প্ৰত্যেক দিনাই পাঁচ-ছয় হাজাৰ Average ত কৃষকৰ Registration কৰি আছোঁ। মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছোঁ। সৌসিদিনা আমাৰ Revenue Department ৰ মন্ত্ৰী ডাঙৰীয়াকো অনুৰোধ কৰিছোঁ। মিছন বসুন্ধৰা ৪.০ ত যদি আমি Mutation কৰিব পাৰোঁ, অধ্যক্ষ ডাঙৰীয়া, আমি এটা মোৰ সমষ্টিত আৰু মৰিগাঁও জিলাৰ আৰু দুটা সমষ্টিত এটা Pilot Project কৰি আছোঁ। আমি Mutation যদি পঞ্চায়তে পঞ্চায়তে কৰি দিব পাৰোঁ, তেতিয়া আৰু অলপ মানুহে মাটিৰ কাগজ পাব। অধ্যক্ষ ডাঙৰীয়া, তেতিয়া কি হ'ব? আমাৰ যিসকলে নতুনকৈ মাটিৰ কাগজ পাব, তেওঁলোকে Registration ও পাব, Farmer Registration ও পাব। Farmer Registration পালে, অধ্যক্ষ ডাঙৰীয়া, পৰৱৰ্তী সময়ত সাৰ পাব, ফচল বীমাৰ সুবিধা পাব, বীজ পাব, ট্ৰেক্টৰ পাব, Power Tiller পাব। যিসকল এতিয়া

Elegible, তেওঁলোকে পৰৱৰ্তী সময়ত কি পাব? কৃষক সন্মান নিধিৰ ছয় হাজাৰ টকা পাব। গতিকে, এই ক্ষেত্ৰত আমি কাম কৰি আছোঁ, অধ্যক্ষ ডাঙৰীয়া, আৰু কাম কৰিম। সদনক আশ্বস্ত কৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া, এই ক্ষেত্ৰত মোৰ এটা সংযোজন আছে, আপোনাৰ এই বাতৰিটো যেতিয়া আহিলে যে ইউৰিয়াৰ লগত কোনো অন্য সাৰ মিহলি কৰালে জেললৈ পঠাব, তেতিয়া মই যিহেতু মোৰ সমষ্টি বৰপেটাত অন্তৰ্গত বৰপেটাতো মই সাৰ ব্যৱসায়ী সকলক মাতিছিলোঁ যে, আপোনালোকে এনেকুৱা কাম কৰি আছে নেকি? তেতিয়া তেওঁলোকে কৈছে, কিছুমানে কৈছে যে, হয়, আমি দি আছোঁ। কাৰণ তেওঁলোকৰ কোনো উপায় নাই। মই কৈছোঁ, উপায় নাই কাৰণটো কিয়? তেতিয়া ক'লে, যিসকল Supplier আছে Company বিলাকে যিসকলে Supply দিয়ে, তেওঁলোকে তেওঁলোকক বাধ্য কৰায়। গতিকে, সেইকাৰণে এই বিষয়টো মানে সাৰ বিক্ৰেতাসকলৰ উৰ্ধত যি সকল আছে যিসকলে Supply দিয়ে, তেওঁলোকৰ লগতো এই বিষয়টো অলপ Monitoring কৰিলে আমি সমস্যাটো সমাধান কৰিব পাৰিম বুলি ভাবোঁ।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, হ'ব ছাৰ।

**মাননীয় অধ্যক্ষঃ** পৰৱৰ্তী, মাননীয় সদস্য শ্ৰী নুৰুল হুদা । ''দৈনিক গণ অধিকাৰ” বাতৰি কাকতত প্ৰকাশিত “৮৬ শতাংশ কৃষি ভূমিত নাই জলসিঞ্চন” শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৮৬ শতাংশ কৃষি ভূমিত নাই জলসিঞ্চন এই বিষয়টো উত্থাপন কৰিবলৈ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছোঁ। অধ্যক্ষ মহোদয়, অসম এখন কৃষি প্ৰধান ৰাজ্য। প্ৰায় ৭০ শতাংশ লোক কৃষিৰ লগত জড়িত। অসমৰ কৃষি ভূমিৰ মুঠ পৰিমাণ ২৭ লাখ ৫৮ হাজাৰ ৭৫৭ হেক্টৰ। এই মাটিখিনিৰ পৰা ৫৪.১১ শতাংশ কৃষি ভূমিৰ অন্তৰ্গত। এই ৫৪.১১ শতাংশ কৃষি ভূমিৰ মাজত মাত্ৰ ১৪ শতাংশ ভূমিত জলসিঞ্চন আছে, বাকী অংশত জলসিঞ্চন নাই। বৰষুণৰ ওপৰত নিৰ্ভৰশীল হৈ

কৃষকসকলে খেতি কৰাত যথেষ্ট পৰিমাণৰ তেওঁলোকে loss ৰ সন্মুখীন হ'ব লগা হয়। খৰাং বতৰত শস্য ভালকৈ নহয়, অধিক পৰিশ্ৰম কৰি টকা খৰচ কৰিও তেওঁলোকে সুফল নাপায়। গতিকে যিহেতু আমি কৃষি প্ৰধান ৰাজ্য, আমাৰ কৃষিৰ লগতে আমি জড়িত হৈ আছোঁ, কৃষিৰ উন্নতি কৰিব লাগিব। সেয়ে প্ৰতিখন গাঁৱত যাতে প্ৰতিজন খেতিয়কৰ জলসিঞ্চনৰ ব্যবস্থা কৰি দিয়ে তাৰ কাৰণে মই চৰকাৰক আহ্বান জনাইছোঁ। অধ্যক্ষ মহোদয়, এই যে আমাৰ ৫৪.১১ শতাংশ কৃষি ভূমি, তাৰ ২৫.৪ শতাংশ হেক্টৰত ধান খেতি হয়। এই যে আমাৰ নতুনকৈ যিটো বড়ো ধান খেতি হৈছে, এই বড়ো ধান খেতিয়ে আজি আমাৰ খাদ্য শস্যৰ ভঁৰাল টনকীয়াল কৰিছে। কিন্তু সেই বড়ো ধান খেতি কৰিবলৈ যাওঁতে কৃষকসকলে যথেষ্ট পৰিমাণৰ অৰ্থ ভৰিবলগীয়াত পৰে। pump set কিনি, pump set লগাই সেই pump set ৰ ডিজেল ব্যৱহাৰ কৰি, ডিজেল চালিত pump set ব্যৱহাৰ কৰি খেতিত পানী দিব লগা হয়। খেতিত এই অত্যাধিক মূল্যবৃদ্ধি হোৱা ডিজেল ক্ৰয় কৰি ধান খেতিত পানী দি ধান খেতি কৰা কৃষকসকলৰ বাবে যথেষ্ট কষ্টকৰ হৈ পৰিছে। গতিকে যিসকল কৃষকে pump set ব্যৱহাৰ কৰি ডিজেলৰ জৰিয়তে পানী যোগান দিয়ে, সেই কৃষকসকলক যিখিনি ডিজেলৰ প্ৰয়োজন হয়, সেই প্ৰয়োজনীয় ডিজেল যাতে ৫০ শতাংশ ৰেহাই মূল্যত দিয়াৰ ব্যবস্থা কৰা হয়, তাৰ বাবে মই অনুৰোধ জনাইছোঁ। আমাৰ শাক-পাঁচলি বিলাকো উৎপাদন হয়। এই শাক-পাঁচলি উৎপাদনতো খেতিয়কৰ যথেষ্ট কষ্ট হয়। যেনেকৈ কবি, আলু, গাজৰ, বিলাহী ইত্যাদি শস্য বহু পৰিশ্ৰম কৰি তেওঁলোক সাৰ ব্যৱহাৰ কৰি উৎপাদন কৰে। কিন্তু এই উৎপাদিত সামগ্ৰীখিনি উচিত মূল্য নাপায়। এনেকৈ কিছুমান সময় হয় বজাৰত বিলাহী বিলাক এনেই খেতিয়কে পেলাই থৈ যায়। খেতি কৰোতেও পইচা খৰচ হয়, খেতিৰ পৰা বিলাহী উঠাওতেও খৰচ হয়, আকৌ ঠেলা গাড়ী বা ঘোড়া গাড়ীতে বজাৰলৈ আনিবলৈও খৰচ হয়। তাৰ পিছতো মূল্য নাপায়। বজাৰত পেলাই থৈ যাব লগা অৱস্থাৰ সৃষ্টি হয়। খেতি কৰোতেও পইচা খৰচ হয়, খেতিৰ পৰা বিলাহী উথাওতে খৰচ হয়। আকৌ ঠেলাগাড়ী, ঘোৰা গাড়ীৰে বজাৰত আনোতে খৰচ হয়। তাৰ পিছত মূল্য নাপায়

বজাৰত পেলাই থৈ যাব লগা অৱস্থা সৃষ্টি হয়। গতিকে আমাৰ এই কৃষিৰ ক্ষেত্ৰৰ খেতিয়ক সকলক সকাহ দিয়াৰ কাৰণে cold storage ৰ প্ৰয়োজন আছে। শীতলীকৰণ ভঁৰালৰ প্ৰয়োজন আছে।

**মাননীয় অধ্যক্ষঃ** আপুনি প্ৰশ্ন কৰিছে ৮৬ শতাংশ কৃষি ভূমিত জলসিঞ্চন নাই বুলি আৰু এইটো কথা এৰি বেলেগ বিষয় আনিলে কেনকৈ হ'ব ?

**শ্ৰী নুৰুল হুদা, ৰূপহীহাটঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো বিষয় কৃষকৰ সমস্যাৰ ওপৰত। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম, যে মোৰ সমষ্টিত যথেষ্ট কৃষি শস্য উৎপাদন হয়। গতিকে আমাৰ দৰ গাঁও, জোৰিয়া, সুঁটিৰপাৰ, ভুৰবান্ধা আদি অঞ্চলত, যদি এটা cold storage দিয়ে, তেতিয়া হ'লে খেতিয়ক সকলে সকাহ পাব। এটা কথা ক'ব বিচাৰিছো, আমাৰ এনেকুৱা কিছুমান পথাৰ আছে, য'ত পানী জমা হৈ থাকে। পানী জমা হৈ থকাৰ ফলত খেতি কৰিব নোৱাৰে। গতিকে সেইখিনি নিষ্কাশনৰ কাৰণে নলাৰ প্ৰয়োজন আছে। গতিকে মোৰ সমষ্টিতে আড়াকান্দা, কালিয়াডিঙা, মাহগুৰি, বগৰুগুৰি, কাৰৈমাৰী এনেকুৱা কিছুমান পথাৰ আছে, য'ত শ শ বিঘা মাটিত খেতি কৰিব নোৱাৰা হৈ আছে পানী জমা হৈ থকাৰ বাবে। গতিকে সেই পানী নিষ্কাশনৰ বাবে যদি নলাৰ ব্যৱস্থা কৰি দিয়ে, তেতিয়া হ'লে ৰাইজ আৰু খেতিয়ক সকল উপকৃত হ'ব। গতিকে বীজ বিলাক যেতিয়া দিয়ে, যাতে উপযুক্ত সময়ত দিয়ে তাৰ কাৰণে মই অনুৰোধ জনাইছোঁ। মই দেখিছো গাঁৱে গাঁৱে গৈছো, ভূঁই ৰুইছে, খেতিয়ক সকলৰ লগত কথা পাতিছো আৰু খেতিয়কৰ মনৰ কথাবিলাক জানিব বিচাৰিছো। গতিকে খেতিয়কৰ যি সমস্যা আছে, এই সমস্যাবিলাক পূৰণ কৰাৰ কাৰণে চেষ্টা কৰিব লাগে আৰু পচন সাৰ আৰু কেঁচু সাৰ উৎপাদনৰ কাৰণে খেতিয়ক সকলক উৎসাহ দিব লাগে।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, মাননীয় সদস্যই সোধা কিছু কথা উত্তৰ দিব নালাগে।

**শ্ৰী পীযুষ হাজৰীকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্যই Irrigation ৰ কথা আনিছিলে। তেখেতে সুবিধা লৈছে কাৰণ মই Agriculture

আৰু Irrigation এই দুইটা বিভাগেই চাওঁ । তেওঁ জলসিঞ্চনৰ ওপৰতহে ক'ব লাগিছিল। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য নুৰুল হুদা ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে যে, অসমৰ মাত্ৰ ১৪ শতাংশ মাটিতহে Irrigation ৰ ব্যৱস্থা আছে। এইটো তথ্য সত্যৰ উপৰত প্ৰতিষ্ঠিত নহয় । বাতৰিকাকতত লিখিলেই যে চব কথা আমি মানি ল'ব লাগিব সেইটো কথা নহয়। বাতৰিকাকতত বহুত কথা ভুল পথেৰে ৰাইজক পৰিচালিত কৰিবলৈ বা উদ্দেশ্য প্ৰণোদিতভাৱেও বাতৰি পৰিৱেশন কৰে। মোৰ হাতত যিখিনি তথ্য আছে, অসমৰ ২৫.৭ শতাংশ মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে। অসমত আমাৰ তিনিটা বিভাগে জলসিঞ্চনৰ ব্যৱস্থা কৰে । এটা হৈছে জলসিঞ্চন বিভাগ, কৃষি বিভাগ আৰু আনটো Soil Conservation বিভাগ I Irrigation বিভাগে অসমত ৩.৭২ লাখ হেক্টৰ মাটিত পানী যোগানৰ ব্যৱস্থা কৰে। কৃষি বিভাগে ১.৫৯ হাজাৰ হেক্টৰ মাটিত পানীৰ ব্যৱস্থা কৰে । Soil Conservation বিভাগে ১.৬৪ লাখ শতাংশ হেক্টৰ মাটিত পানীৰ ব্যৱস্থা কৰে । মুঠৰ উপৰত Irrigation বিভাগে ১৩.৮ শতাংশ, কৃষি বিভাগে ৫.৯ শতাংশ, Soil Conservation বিভাগে ৬.০ শতাংশ, মানে মুঠ ২৫.৭ শতাংশ খেতি মাটিত অসমত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে । এইখিনি কথা অস্বীকাৰ কৰাৰ প্ৰশ্ন নাই। ২৫ শতাংশত হে আছে মানে আমি ৭৫ শতাংশত হে পানী দিব লাগিব। সেই ৭৫ শতাংশ পানী দিব লাগিব তাৰ আৰম্ভণি সেইদিনাৰ পৰা হৈছে যেতিয়া বিত্ত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই যি বাজেট উপস্থাপন কৰিছে তাতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্তমন্ত্ৰী ডাঙৰীয়াই পৰিকল্পনা কৰি অসমৰ Irrigation বিভাগক অনাগত ৫ বছৰত ৩ পৰা ৪ হাজাৰ কোটি টকা দিয়াৰ ব্যৱস্থা কৰাৰ আশ্বাস দিছে। আমি অলপ পইচা কেন্দ্ৰীয় চৰকাৰৰ পৰাও পাওঁ । কেন্দ্ৰীয় চৰকাৰৰ এটা অভিলাষী আঁচনি কৰাৰ চিন্তা চৰ্চা কৰি আছে M-CAD বুলি । তেখেতসকলে জলজীৱন মিছনৰ নিচিনা অসম আৰু ভাৰতৰ প্ৰত্যেকটো খেতি কৰা জেগালৈকে পানী দিয়াৰ ব্যৱস্থাৰ কথা চিন্তা চৰ্চা কৰি আছে । তাৰে এটা pilot project । মই কেইদিনমানৰ আগতে কেন্দ্ৰীয় জলসিঞ্চন মন্ত্ৰী ডাঙৰীয়া Shri C.R Patil ক লগ কৰি আহিছিল। তেখেতে মোক

এই M-CAD আঁচনিৰ কথা কৈছিল। মোক কৈছিলে যে ৫ হাজাৰ কোটি টকা initial stage ত ভাৰত চৰকাৰে ইতিমধ্যে আৱণ্টন কৰিছে আৰু দেশৰ প্ৰত্যেক খন ৰাজ্যত এটা এটা আঁচনি তেখেতসকলে pilot project হিচাপে কৰিছে। লগতে কৈছিলে যে জলজীৱন মিছনৰ কাম কৰোতে বেলেগ বেলেগ ৰাজ্যত বেলেগ বেলেগ project কৰা নাছিলে। গতিকে কিছু কাৰিকৰী অসুবিধা হৈছিলে। আমাৰ অসমৰ যিটো pilot project ইতিমধ্যে কৰা হৈছে, সেইটো প্ৰায় ৩১ কোটি টকাৰ কাম চলি আছে। আমাৰ ৰাজাপাৰা বুলি এটা বিখ্যাত ঠাই আছে, গোৱালপাৰালৈ গ'লে য'ত ধাবা বিলাক আছে তাত ৰাজাপাৰা ঠাইখনত বকো সমষ্টিত M-CAD আঁচনিটোৰ কাম চলি আছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া M-CAD আঁচনিটো হয় কি ? এইটো হ'ল এটা **LRAS** বা flow Irrigation আছে, তাৰ পৰা এটা নতুনকৈ লাই বনাই কৰিব খোজা হৈছে। এই M-CAD আঁচনিটোত সাধাৰণতে কেনেল বনাব খোজা নাই, পাইপ Irrigation হে কৰিব খোজিছে। কেনেল বনালে land acquisition কৰিব লাগে লগতে মানুহৰ খেতি-মাটি গুচি যায়। কেনেল বনালে ২ বছৰ মান লাগে। গতিকে কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত লৈছে যে, M-CAD আঁচনিৰ যোগেদি মাটি খান্দি, মাটিৰ তলেৰে পাইপ পুটি উপৰত মাটি দি দিব। খেতিও আৰম্ভ হৈ গ'ল land acquisition ৰ cost টো নাই আৰু বনাবলৈও ইমান সময় নালাগে। অধ্যক্ষ ডাঙৰীয়া, যি কেইজনে এতিয়াও কাম কৰি আছে, তেখেতলোকৰ লগত মই কথা পাতিছোঁ। তেখেতসকলক কেনেল বনাবলৈ এক-দেৰ বছৰতকৈ বেছি লাগে। গতিকে যদি ৩০-৪০ কোটি টকাৰ এটা scheme হয় তেন্তে বনাবলৈ দুবছৰ লাগে। অধ্যক্ষ ডাঙৰীয়া, মই তেওঁলোকক সুধিলো, যদি পাইপ ইৰিগেশ্বন কৰো তেতিয়া কিমান সময় লাগিব? প্ৰত্যেকজন ঠিকাদাৰে ক'লে এক বছৰৰ ভিতৰত complete কৰি পৰা যাব। গতিকে আমি খুব serious, মুখ্যমন্ত্ৰী ডাঙৰীয়া ইৰিগেশ্বন লৈ খুব serious হৈ আছে। গতিকে আমি কাম নিশ্চয়কৈ কৰিম। কোনোবাই উপলুঙা কৰিব পাৰে, মই ভাষণ দিওঁতেও কোনোবাই উপলুঙা কৰি আছে, মই নাম নকওঁ। গতিকে কোনোবাই উপলুঙা কৰি থাকক আমি কাম কৰি থাকিম। অধ্যক্ষ ডাঙৰীয়া,

মুঠৰ ওপৰত অসমৰ কৃষি ক্ষেত্ৰখনক জাকত জিলিকা কৰিবলৈ চেষ্টা কৰিম। কিমান পাৰো সময়ে ক'ব, কিন্তু চেষ্টাৰ ক্ৰুটি নকৰো।

অধ্যক্ষ ডাঙৰীয়া, সন্মানীয় সদস্যগৰাকীয়ে দুটা কথা কৈছিলে, এগ্ৰিকালচাৰৰ ওপৰত। মই কমনে নকওঁ? এক মিনিটত কওঁ। অধ্যক্ষ ডাঙৰীয়া হয়, ডিজেলত খেতি কৰিলে লোকচান হয়। ডিজেলত নকৰি যিকেইজনে চ'লাৰ পাম্প কৰে, চ'লাৰত কৰিব লাগে। যিকোনো পাম্প দি উলিয়াই চ'লাৰত কৰিব লাগে, তেতিয়া খৰচ কম হয়। অধ্যক্ষ ডাঙৰীয়া cold storage ৰ কথাও কৈছে, লাহে লাহে আমি কৰিবলৈ চেষ্টা কৰিম আৰু মুঠৰ ওপৰত আকৌ কৈছো অধ্যক্ষ ডাঙৰীয়া, অসমৰ ৭০ শতাংশ মানুহ যিহেতু কৃষিজীৱী, কৃষকক আমি সহায় কৰিবই লাগিব, তাৰ কাৰণে কাম কৰিম।

**মাননীয় অধ্যক্ষঃ** ইয়াতে আমাৰ ই-বিধান এপ্লিকেচনত দেখাই আছে মন্ত্ৰী ডাঙৰীয়াই ১৫ মিনিট ক'ব লাগিছিল, কিন্তু ইয়াত ১৫ মিনিট কোৱা নাই। এইটো আগৰটো লগত যোগ হৈছে। বেলেগ মন্ত্ৰীয়ে আকৌ ক'ব পাৰে।

**শ্ৰী পীযুষ হাজৰিকা,মন্ত্ৰীঃ** অ'কে । মই ক'মকৈ কৈ ভুলে কৰিলো। মই ৫ মিনিট ৫ মিনিটকৈ ১৫ মিনিট ভাবি আছিলোঁ।

**মাননীয় অধ্যক্ষঃ** ১৫ মিনিট নহয়। মই অনুমান কৰিছোঁ। আগৰখিনি যোগ হৈছে।

**শ্ৰী পীযুষ হাজৰিকা,মন্ত্ৰীঃ** মই বুজিছোঁ।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই মাননীয় সদস্য শ্ৰী প্ৰকাশ চন্দ্ৰ দাস ডাঙৰীয়াক অসমৰ প্ৰতিদিন বাতৰি কাকতত প্ৰকাশিত হাজোৰ ভৈৰাতোলা জানৰ দুয়োপাৰে মথাউৰি নিৰ্মাণৰ দাবী ৰাইজৰ। শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰী প্ৰকাশ চন্দ্ৰ দাস, হাজো-শুৱালকুছিঃ** মাননীয় অধ্যক্ষ মহোদয়, শূণ্যকালীন ঘণ্টাৰ এই সময়ছোৱাত হাজোৰ ভৈৰাতোলা জানৰ অৰ্থাৎ বৰলীয়া নৈ, ভৈৰাতোলা জানৰ মাজেৰে বৰলীয়া নৈ বোৱাই নিয়া, এই বৰলীয়া নৈৰ দুই পাৰৰ মথাউৰি নিৰ্মাণৰ এই সমস্যাটো উত্থাপন কৰাৰ কাৰণে, সুযোগ দিয়াৰ

কাৰণে আপোনাক মই ধন্যবাদ জ্ঞাপন কৰিছোঁ। অধ্যক্ষ মহোদয়, হাজোৰ মাজেৰে ভৈৰাতোলা জানৰ পূৰ্বৰ ভৈৰাতোলা জান, আৰু বৰ্তমানৰ বৰলীয়া নৈ। অৰ্থাৎ এই বৰলীয়া নৈখন অতি শক্তিশালী নৈ। এই নৈখন ভূটানৰ পৰা বৈ আহিছে ৰঙিয়া

নলবাৰীৰ মাজেৰে **আৰু** হাজোৰ এটা কৃষিপ্ৰধান অঞ্চলেৰে – এই নৈখন বোৱাই দিয়া হ'ল। এন ডি এ চৰকাৰৰ আগৰ কংগ্ৰেছ চৰকাৰৰ দিনত সেই সময়ত নলবাৰীৰ বৰভাগ অঞ্চলক বানপানীৰ পৰা সকাহ দিয়াৰ বাবে মানে নলবাৰী জিলাৰ বৰভাগ অঞ্চলত বৰলীয়া আৰু পাগলাদিয়া নৈ দুয়োটা সুতি যেতিয়া লগ হয় তেতিয়া তাৰ বৰভাগ অঞ্চল প্লাৱিত হয়। প্ৰতি বছৰে তাত বানপানী হয়। গতিকে বানপানীৰ পৰা এই বৰভাগ অঞ্চলক সকাহ দিয়াৰ বাবে ভৈৰৱতুলা জানৰ মাজেৰে এই নদীখন বোৱাই দিলে কিন্তু হাজো অঞ্চলত **মথা**উৰি বিজ্ঞানসন্মতভাৱে নিৰ্মাণ কৰা নহ'ল। প্ৰায় ১২ কি.মি অঞ্চল এতিয়াও **মথা**উৰি নোহোৱাকৈ থাকিল। বৰলীয়াৰ নৈখন হাজোৰ মাজেৰে বোৱাই নি ব্ৰহ্মপুত্ৰ নদীত সংযোগ কৰা হৈছে। ইয়াৰ ফলত হাজোৰ দৰে কৃষি প্ৰধান অঞ্চলৰ একাংশ অঞ্চলৰ খেতিপথাৰত খেতি আৰু খেতিয়কৰ ভীষণ সমস্যা হৈছে। বেছিভাগ সময় বানপানীত এই অঞ্চল প্লাৱিত হৈ থাকে। গতিকে মই আশা ৰাখিছো , যিহেতু আমাৰ চৰকাৰে যথেষ্ঠভাৱে **মথা**উৰী নিৰ্মাণ কৰিছে আৰু শক্তিশালীভাৱে **মথা**উৰীসমূহ নিৰ্মাণ কৰি আছে। গতিকে হাজো অঞ্চলত **মথা**উৰী নিৰ্মাণ কৰাত যি ১২ কি.মি বাকী ৰৈ গৈছে এই অংশ সোনকালে নিৰ্মাণ কৰি এই অঞ্চলৰ কৃষক আৰু ৰাইজক সকাহ দিয়াৰ বাবে অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো **আৰু নিশ্চিতভাৱে এই দিশত ব্যৱস্থা ল'ব বুলি আশা ৰাখিছো।**

**মাননীয় অধ্যক্ষ** ঃ মিনিষ্টাৰ ৰিপ্লাই প্লিছ ....।

**শ্ৰীপীযুষ হাজৰিকা**, **মন্ত্ৰী**, **সংসদীয়া পৰিক্ৰমা ইত্যাদি** ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান ভৈৰৱতোলা জানৰ দুয়োটা পাৰত ৩.৫ কি.মি **মথা**উৰি আছে। অধ্যক্ষ ডাঙৰীয়া কিন্তু নদীখনৰ গতিপথ অনুসৰি পুঠিমাৰী নদীৰ

সংযোগস্থলীলৈকে থকা **প্ৰায়** ১২ কি.মি অংশত বৰ্তমান কোনো ম**থা**উৰি নাই। এই উন্মোক্ত অংশৰে প্ৰতিবছৰে জানটোৰ বাঢ়নীপানীয়ে হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত চৰাবৰী, বুল্লুট, হীৰাজেনী, কমলপুৰ, কুমাৰপুৰ , মেলেকীপাৰা, শনিয়াদী, দৌলতোলা,দেহৰকুৰিহা, দুৰ্বনী, আন্দুপাৰা আৰু খলিহামাৰী আদি অঞ্চলৰ খেতি বুৰাই পেলায়। অধ্যক্ষ মহোদয় মই যিহেতু জলসম্পদ বিভাগৰ মন্ত্ৰী আছিলো তাত গৈছিলো আৰু এই ম**থা**উৰিটো কৰিবলৈ চেষ্টা কৰিছিলো। তাত য'ত ৰিৰ্জাভাৰ বনাইছো তাৰ ওচৰতে হয়। অধ্যক্ষ মহোদয়, তাত এটা সমস্যা আছে , এইটো হ'ল তাত কাষৰীয়া মানুহখিনি আছে , মানে অঞ্চলটো খু**ব** ঘ**ন**বসতিপূৰ্ণ । তাত ম**থা**উৰি নিৰ্মাণৰ বাবে লেণ্ড **ৰি**কুইজেশ্যনৰ বহুত সমস্যা,মই নিজেই বিষয়টো জানো। যদিও বিভাগীয় মন্ত্ৰী নাই , মই সংসদীয় মন্ত্ৰী হিচাপে ৰিপ্লাই দিছো কিন্তু এই বিষয়**টো** মই অৱগত। অধ্যক্ষ মহোদয়, অসমত এতিয়া ম**থা**উৰি নথকা অঞ্চল ১৩০ কি.মি মান আছে। তাৰে ২০ কি.মি নাজিৰাত আছে , ২০ কি.মি মোৰ সমষ্টিতো আছে। মই বিভাগীয় মন্ত্ৰী আছিলো কিন্তু কৰিব পৰা নাছিলো। ঠিক তেনেকৈ হাজোতো ১২ কি.মি আছে। গতিকে অধ্যক্ষ মহোদয়, ফিজি**বিলীটি থকা** ১৩০ কি.মি ম**থা**উৰী নথকা অঞ্চল আছে। আমি আগতেও কৈছো যে, **আমি কাজিৰঙাত তাত ফিজিবিলিটী থাকিলেও** ম**থা**উৰী নবনাও, কাৰণ তাত পানী অহা বন্ধ হ'লে জীৱজন্তু মৰি যাব। মোৰ সমষ্টিৰ পবিতৰাতো আমি পানী বন্ধ কৰিব নোৱাৰো কাৰণ গড় বিলাকৰ ক্ষতি হ'ব। সন্মানীয় বিধায়ক গৰাকীয়ে যিটো প্ৰশ্ন আনিছে , সেই অঞ্চলটোৰ ডি পি আৰ বনোৱা হ'ব কিন্তু সন্মানী**য়** সদস্যগৰাকীক জনাও যে লেণ্ড ৰিকুৱেজেশ্যনৰ ক্ষেত্ৰত এনেকুৱা হৈছে **যে-** ১৯৬০ চনত কোনোবাই মাটি দিছে কিন্তু এতিয়া তেখেতৰ নাতিয়ে আহি কেচ কৰি আমাৰ ওচৰলৈ বিল লৈ আহিছে যে ইমান টকা ক্ষতিপূৰণ দিব লাগিব। **অধ্যক্ষ মহোদয়**, **যদি মথাউৰি নবনাও সেই অঞ্চলত পানী হ'ব।** গতিকে আমি এটা সিদ্ধান্ত লৈছো যে, য'ত আমি নতুনকৈ ম**থা**উৰি বনাম তাত লেণ্ড ৰিকুইজেশ্যনৰ কষ্ট নিদিও , পুৰণিবিলাকত দিয়া হৈছিল সেইটো বেলেগ কথা কিন্তু এতিয়া দিয়া নহ'ব ,

এইটো সিদ্ধান্ত কেবিনেটত পাচ কৰা হৈছে। অধ্যক্ষ ডাঙৰীয়া  যদিহে সন্মানীয় বিধায়কগৰাকীয়ে তেনেকুৱা মাটি উলিয়াই দিয়ে তেন্তে নিশ্চয়কৈ বিভাগে ১৩০ কি.মি **অসমত কৰিবলগা আছে। সেই** depertment  **এ ডেৰ দুই**  বছৰৰ ভিতৰত কৰি পেলাব। গতিকে লেণ্ড ৰিকুইজেশ্যনৰ ক্ষেত্রত এইখিনি অসুবিধা আছে , তথাপি এই ক্ষেত্রত চৰকাৰে এটা নতুন চিন্তা-চৰ্চা কৰিছে । য'ত একেবাৰে ম**থা**উৰি বনাব নোৱাৰি , অৰ্থাৎ বসতি থকা অঞ্চলত মানুহৰ ঘৰ দুৱাৰ ভাঙিলে মানুহবোৰ ক'ত যাব? গতিকে তাত **Flood wall** দিব পাৰি নেকি আমি চিন্তা-চৰ্চা কৰি আছো। এইটো অলপ কষ্টলী হয় গতিকে অধ্যক্ষ মহোদয় আমি পৰৱৰ্ত্তী সময়ত সিদ্বান্ত ল'ম। **গতিকে সন্মানীয় বিধায়ক ডাঙৰীয়াই যিটো প্ৰশ্নৰ অবতাৰণা কৰিছে এই বিষয়ে আমি গুৰুত্ব সহকাৰে কাম কৰি আছো।**

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ **– Calling attention under Rule-54** এতিয়া মাননীয় সদস্য **শ্ৰী** আমিনুল হক লস্কৰ ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা**ৰ** আৰু নিয়মাৱলীৰ ৫৪ নং দফাৰ অধীনত অসমত **CNG, PNG and GAS – pipeline** আন্তগাথনি সম্প্ৰসাৰণ**,** বিশেষকৈ বৰাক উপত্যকাত ইয়াৰ ক্ষিপ্ৰ বাস্তৱায়ণ '' শীৰ্ষক বিষয়টো মাননীয় উদ্যোগ**,** বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিব।

**শ্ৰী আমিনুল হক লস্কর (হাইলাকান্দি )**ঃ **-** মাননীয় অধ্যক্ষ মহোদয়, আজকের  একটি  গুরুত্বপূর্ণ বিষয়  সিএনজি এবং পিএনজি নিয়ে,  রুল ৫৪-এ কথা বলার যে সুযোগ দিয়েছেন  এর জন্য আপনাকে ধন্যবাদ। মাননীয় অধ্যক্ষ মহোদয়, সিএনজি এবং পিএনজি নিয়ে  যে সমস্যা, এটা পাঁচ মিনিটে হবে না অধ্যক্ষ মহোদয়।

**শ্ৰী ৰণজিৎ কুমাৰ দাস (মাননীয় অধ্যক্ষ)** ঃ - না না পাঁচ মিনিট হবে না। নইলে আপনার বাজেটে আপনি পার্টিসিপেশন করতে পারবেন না।

**শ্রী আমিনুল হক লস্কর (হাইলাকান্দি ) -**আচ্ছা, ঠিক আছে। অধ্যক্ষ মহোদয়, আজ  আমি এই পবিত্র সদনের দৃষ্টি আকর্ষণ করতে চাই। রাজ্য , রাজস্ব, শিল্প, পরিবহন, পরিবেশ এবং বেকার যুবক-যুবতীদের জন্য ভবিষ্যতের সঙ্গে যুক্ত একটি অত্যন্ত গুরুত্বপূর্ণ বিষয়ের দিকে দৃষ্টি আকর্ষণ করতে চাই।

অধ্যক্ষ মহোদয়, যেহেতু আমাকে পাঁচ মিনিট সময় দেওয়া হয়েছে আমি শর্ট করতে হবে। অধ্যক্ষ মহোদয়, বরাক উপত্যকার কাছাড় জেলাতে একটি গ্যাস কালেকশন সেন্টার করা হয়েছিল ২০১৭-তে, নাম দেওয়া হয়েছিল  সাউথ বাসকান্দি জিসিএস (গ্যাস কালেকশন সেন্টার)। যতটা ওএনজিসির ওয়েল আছে, প্রত্যেকটা ওয়েল একসঙ্গে জড়িত করে একটা গ্যাস কালেকশন সেন্টার গড়ে তোলা হয়েছিল।  ২০১৭ থেকে ২০১৯-এ এটা সম্পূর্ণ হয়। সম্পূর্ণ হওয়ার পরে যে ওএনজিসি, পেট্রোলিয়াম অ্যান্ড ন্যাচারাল গ্যাস রেগুলেটরি বোর্ড, যেটা পিএনজিআরবি  কাছাড়, হাইলাকান্দি, করিমগঞ্জের সিটি গ্যাস ডিস্ট্রিবিউশন নেটওয়ার্কের জন্য পূর্ব ভারতী গ্যাস প্রাইভেট লিমিটেডকে দেওয়া হয়েছিল। অধ্যক্ষ মহোদয়, যখন ওএনজিসি পূর্ব ভারতীয় গ্যাস এজেন্সির সঙ্গে একটা চুক্তিবদ্ধ হয়,  প্রত্যেক দিন ১ লক্ষ ২০ হাজার এসসিএম (স্ট্যান্ডার্ড কিউবিক মিটার) গ্যাস পারচেজ করবে ওএনজিসি থেকে। এটা তাদের এগ্রিমেন্টে ছিল। আর দুই নম্বর এগ্রিমেন্টে ছিল যে,  বরাক উপত্যকায় ২১টি সিএনজি স্টেশন করবে। আর তিন নম্বর এগ্রিমেন্ট ছিল যে, টোটাল ৭৫১ ইঞ্চি  কিলোমিটার পাইপলাইন লেইং করবে। আমাদের মূল লক্ষ্য ছিল যে, ৯৫,১০০ জনের ঘরে পাইপ সংযোগে গ্যাসের কানেকশন দেওয়া হবে। কিন্তু অধ্যক্ষ মহোদয়, আজ সাত বছর পর মাত্র ৩,৯৯১ জনের ঘরে কানেকশন দেওয়া হয়েছে। ফলে ওএনজিসির থেকে গ্যাস কম কেনার কারণে ২০০০ থেকে ৩০০০ স্ট্যান্ডার্ড কিউবিক মিটার গ্যাস ক্রয় করছে পূর্ব ভারতীয় গ্যাস এজেন্সি। কিন্তু কম ক্রয় করার কারণে, আমাদের সমস্যা হয়েছে যে, আমরা ৯৫,১০০ জনের ঘরে গ্যাস সংযোগ করার কথা ছিল, এখন মাত্র ৩,৯০০ জনের ঘরে দেওয়া হয়েছে। আমরা বরাকের শিলচর, করিমগঞ্জ, হাইলাকান্দি, লক্ষ্মীপুর, বদরপুরে যেগুলা

মিউনিসিপালিটি এলাকাতে ঘরে ঘরে গ্যাস সংযোগ দেওয়ার কথা ছিল, এটা দেওয়া হয়নি। অধ্যক্ষ মহোদয়, এতে আমরা অনেকগুলা সুযোগ-সুবিধা থেকে বঞ্চিত হচ্ছি। গ্যাসের উপর ভিত্তি করে কোনো ইন্ডাস্ট্রি গড়ে উঠছে না। আমাদের সিএনজি স্টেশন হলে, সিএনজি গাড়ি থাকত, ওইটাও হচ্ছে না। আমাদের যখন এলপিজি গ্যাসের ক্রাইসিস হয়, তখন একেকটি সিলিন্ডার ২০০০-৩০০০ টাকা দিয়ে কিনতে হয়। অনেক সমস্যা হয় অধ্যক্ষ মহোদয়।

এখন মূল কথা হয়েছে আমার, যেহেতু সময় কম, এর জন্য আমি আমার অধ্যক্ষ মহোদয়ের দৃষ্টি আকর্ষণ করছি, মন্ত্রী মহোদয় আছেন, এই সমস্যাটা বড় সমস্যা নয়, সবচেয়ে বড় সমস্যা হয়েছে যে, আসাম সরকার যে রয়্যালটি পাওয়ার কথা, যদি ১ লক্ষ ২০ হাজার এসসিএম ক্রয় করা হয় তাহলে প্রায়, প্রায় ৩৬ লক্ষ টাকা পার ডে রয়্যালটি পাবে আসাম সরকার । আর বছরে এটা হবে ১১ কোটি ৪৩ লক্ষ টাকা। কিন্তু ওএনজিসির যেটা মজুদ আছে, ৫ লক্ষ এসসিএম গ্যাস দেবার ক্ষমতা আছে। কিন্তু এর পরেও পূর্ব ভারতীয় গ্যাস এজেন্সি ঘরে ঘরে কানেকশন দিতে ব্যর্থ হয়েছে। অধ্যক্ষ মহোদয়, সময় কম। আমি মন্ত্রীর দৃষ্টি আকর্ষণ করে বলতে চাই, এখন পর্যন্ত সিটি গ্যাস ডিস্ট্রিবিউশন কোম্পানি যেগুলো আছে, এই কোম্পানি কত টাকার বস্তু এমএসএমই সেক্টর থেকে ক্রয় করেছে । কোম্পানির এই ক্রয় করা ধনের পরিমাণ আসামের কোম্পানি কতগুলো আর বাইরের কতগুলো কোম্পানি থেকে ক্রয় করেছে । আর সার্ভিস প্রকিউরমেন্ট ও মেটেরিয়াল প্রকিউরমেন্টের তালিকা যদি প্রকাশ করে মন্ত্রী মহোদয়, তাহলে ভালো হবে। ওএনজিসি শিলচরের উৎপাদন হওয়া চুক্তিবদ্ধ গ্যাস ও প্রকৃত অবস্ট্রেকের ব্যবহৃত গ্যাস উৎপাদন সম্পর্কে তিন মাসের মধ্যে একটি হোয়াইট পেপার প্রকাশ করা হোক। কাছাড়, হাইলাকান্দি, করিমগঞ্জ, লক্ষ্মীপুরে আগামী দুই বছরের মধ্যে অত্যন্ত ৫০,০০০ গৃহস্থালি পিএনজি সংযোগ দেওয়ার সীমাবদ্ধতা লক্ষ্য করা হোক। শিলচর, বদরপুর, করিমগঞ্জ, হাইলাকান্দি, সোনাই, লক্ষ্মীপুরের গুরুত্বপূর্ণ জাতীয় সড়কের পাশে সিএনজি স্টেশন স্থাপন করা হোক।

**মাননীয় অধ্যক্ষঃ** আপুনি দুই মিনিট সাত মিনিট হৈ গ'ল। হ'ব।

**শ্ৰী আমিনুল হ'ক লস্কৰ, সোনাইঃ** ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া উদ্যোগ আৰু বাণিজ্য, ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী বিমল বৰা ডাঙৰীয়াই ইয়াৰ উত্তৰ দিব।

**শ্ৰী বিমল বৰা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী আমিনুল হ'ক লস্কৰ ডাঙৰীয়াই বৰাক উপত্যকাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি CNG আৰু PNG Network তথা গেছ পাইপলাইন আন্তঃগাথনি সম্প্ৰসাৰণ এই বুলি এটা বিষয় আজি উত্থাপন কৰিছে আৰু তেখেতৰ বক্তব্যত বহুকেইটা বিষয় তেখেতে প্ৰসংগক্ৰমে উল্লেখ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, প্ৰাকৃতিক গেছ যিটো Non renewable fuel বুলি কয় বিশ্বৰ ভিতৰত পৰিস্কাৰ শক্তিৰ এক মানদণ্ড হিচাপে প্ৰতিষ্ঠিত হৈছে আৰু এই গেছ অধিক পৰিস্কাৰ আৰু বহনক্ষম ভৱিষ্যৎ গঢ়ি তুলাৰ পৰিৱৰ্তনৰ যাত্ৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে আৰু আমাৰ ৰাজ্যৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ মাৰ্গদৰ্শনেৰে সুদুৰ প্ৰসাৰৰ নেতৃত্বত অসম চৰকাৰে কাৰ্বন নিসৰণ হ্ৰাস পৰিবেশ সংৰক্ষণ আৰু পৰিস্কাৰ শক্তিৰ উৎস সমূহৰ ব্যৱহাৰত উৎসাহিত কৰিবৰ কাৰণে দেশৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ আৰ্শীবাদেৰে আমি প্ৰাকৃতিক গেছ ঘৰুৱা বাণিজ্যিক আৰু উদ্যোগীক ক্ষেত্ৰখনলৈ যাতে আমি সম্প্ৰসাৰিত কৰিব পাৰো তাৰ কাৰণে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু এইক্ষেত্ৰত এইকাৰণে CNG আৰু PNG Network গঢ়ি তুলিবৰ কাৰণে সমগ্ৰ অসমজুৰি ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, ভাৰতৰ প্ৰাকৃতিক গেছ খণ্ডত অসমৰ স্থান অত্যন্ত গুৰুত্বপূৰ্ণ কাৰণ দেশৰ মুঠ প্ৰাকৃতিক গেছৰ সংৰক্ষণৰ প্ৰায় ১২ শতাংশ অসমত অৱস্থিত আছে আৰু অসম হৈছে ভাৰতবৰ্ষৰ সৰ্ববৃহৎ অনছৰ প্ৰাকৃতিক গেছ উৎপাদক ৰাজ্য আৰু সেইকাৰণে আমাৰ গেছ ভিত্তিক অৰ্থনীতি এটা বাস্তবায়িত কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিছে আৰু এই বিপুল সম্ভাৱনাক উপলব্ধি কৰি অসম

চৰকাৰে নগৰ, গ্ৰাম্য আৰু উদ্যোগীক ক্ষেত্ৰ সমূহত City Gas Distribution যাক CGD বুলি কোৱা হয়। ইয়াৰ Infrastructure নিৰ্মাণৰ কাৰণে অগ্ৰাধিকাৰ প্ৰদান কৰিছো যাৰ জৰিয়তে যাতে ঘৰুৱা, বাণিজ্যিক তথা উদ্যোগীক তথা পৰিবহণ খণ্ডলৈ পৰিস্কাৰ আৰু সুলভ আৰু নিৰ্ভৰযোগ্য শক্তি আমি যোগান ধৰিব পাৰো আৰু এই CGD ৰ অধীনতে আমাৰ ২০২২ চনত Assam City Gas Distribution Policy আমি ৰূপায়ণ কৰো যাতে সমগ্ৰ ৰাজ্যজুৰি CGD ৰ Network সংগঠিত, নিয়ন্ত্ৰিত আৰু সময় সীমাৰ ভিতৰত আমি ৰূপায়ন কৰিব পাৰো। সেইকাৰণে এই ৰূপান্তৰমূলক পদক্ষেপৰ অংশ হিচাপে আমাৰ যি Petroleum and Natural Gas Regulatory Board, এই বৰ্ডে অসমত বিভিন্ন অঞ্চলত বা Geographical area City Gas Distribution Network গঢ়ি তোলা অনুমোদেন প্ৰদান কৰিছে। যাৰ ফলত আমি আমাৰ অসম চৰকাৰৰ তৰফৰ পৰা যদিও পূৰ্বতে আমাৰ Assam Gas Company আছিলে পৰৱৰ্তী সময়ত আমি আৰু দুটা কোম্পানী আমি গঢ়ি তুলিছো আৰু এই CGD ৰূপায়ণ কৰিবৰ কাৰণে AGCL, Purba Bharati, North East Gas Distribution Company and Adani Total Gas Limited এ এই নিবিদা প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰি সমগ্ৰ অসমখনত Geographical area ত তেওঁলোকে কাম কৰিবৰ কাৰণে অনুমোদন পাইছে। Assam Gas Company এ উজনি অসম যিটো Geographical area ত সেই তাত তেওঁলোকে কাম কৰি আছে-উজনি অসম বুলি কলে- গোলাঘাট, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়, চৰাইদেউ আৰু তিনিচুকীয়া জিলাত। ঠিক তেনেধৰণে Adani Total Gas এ বাক্সা, কোকৰাঝাৰ আৰু নগাওঁ এই তিনিটা Geographical area মুঠ ১৬ খন জিলাত তেওঁলোকে এই Network ৰ কাম কৰি আছে। ঠিক তেনেধৰণে NEGDCL এ উত্তৰ অসমৰ Geographical area ত কাম কৰি আছে আৰু Purba Bharati Gas Limited এ কামৰূপ, কামৰূপ মহানগৰ জিলা, বৰাক উপত্যকাৰ কাছাৰ, হাইলাকান্দি আৰু শ্ৰী ভূমি জিলাত এই CGD Network ৰ উন্নয়ন আৰু ৰূপায়ণৰ দায়িত্ব তেওঁলোকে পালন কৰি আছে। মাননীয় অধ্যক্ষ মহোদয় আমাৰ মাননীয় বিধায়ক শ্ৰী আমিনুল হ'ক লস্কৰ ডাঙৰীয়াই যিটো কথা

যি উল্লেখ কৰিছে মই জনাব বিচাৰো যে বৰাক উপত্যকাত সৰ্বমুঠ এতিয়ালৈকে ২৪৮৪ টা পৰিয়ালক City Gas Distribution Network ৰ সংযোগ প্ৰদান কৰা হৈছে আৰু এখন City Gate Station তাতে কাৰ্য্যক্ৰম কৰা হৈছে আৰু দক্ষিণ অসম City Gas Distribution প্ৰকল্পৰ অধীনত বৰাক উপত্যকাৰ জিলা সমূহত Medium-pressure steel network সম্প্ৰসাৰণ কৰি ইয়াৰ যিটো মুঠ দৈৰ্ঘ্য ৩১৪.০১২ ইঞ্চি কিলোমিটাৰ লৈ বৃদ্ধি কৰা হৈছে। বৰাক উপত্যকাত City Gas Distribution ৰ  Network অধিক সম্প্ৰসাৰণ কৰিবৰ কাৰণে আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ আৰু অঞ্চলটোৰ প্ৰতিটো যোগ্য পৰিয়াললৈ এই পৰিষ্কাৰ আৰু সুৰক্ষিত সুবিধাজনক শক্তিৰ সেৱা পোৱাটোৰ ক্ষেত্ৰত আমাৰ চৰকাৰে অতি দায়বদ্ধতাৰে কাম কৰিছো। যোৱাকালিও আমি কেইবাটাও CGD সম্পৰ্কত কাম কৰি থকা কোম্পানীসমূহৰ লগত আমি review কৰিছো  । West Asia crisis আৰম্ভ হোৱাৰ ফলত আমি শুনিবলৈ পাইছিলো যে LPGৰও crisis হৈছে।  কিন্তু তাৰ পূৰ্বতে আমাৰ অসমত এই  CGD আৰম্ভ কৰিছো। এটা কথা দেখা পোৱা যায় যে জনসাধাৰণে CNG, PNG ল'বৰ কাৰণে যেনেধৰণে উৎসুকতা প্ৰদান কৰিব লাগে তেনেধৰণে উৎসুকতা প্ৰদান  কৰা নাই।  আজি আমাৰ NEGDCLয়ে তেজপুৰ আদি জিলাসমূহত কাম কৰি আছে।   তাতে আমাৰ network আছে, connection ও দিছো, কিন্তু যিমান সংখ্যক লোকে  connection লৈছে সিমান সংখ্যক লোকে ব্যৱহাৰ কৰা নাই। কিছুমানে কয় যে মোৰ আৰু দুটা চিলিণ্ডাৰ আছে, সেইকেইটা শেষ হৈ লওঁক তাৰ পিছত connection টো ল'ম।  অধ্যক্ষ মহোদয়, আপোনাক জনাব বিচাৰিছো যে আমি গুৱাহাটীৰ এটা নিয়মীয়া পৰিয়ালত  survey কৰিছিলো।  তেওঁলোকৰ মাহেকত  LPG ৰ নামত  ১ হাজাৰ টকা খৰচ হয় কিন্তু যদি তেওঁলোকে Pipe Gas connection লয় তেন্তে ৫০০-৬০০ টকাৰ ভিতৰত ৰন্ধন প্ৰকৰণৰ কাম কৰিব পাৰে।  Industrial Sector তো তেনেধৰণে আমি নতুন নতুন বিভিন্ন উদ্যোগক এইক্ষেত্ৰত সংযোগ স্থাপন কৰি গেছভিত্তিক অৰ্থনীতি গঢ়ি তুলিবৰ কাৰণে প্ৰয়াস কৰা হৈছে আৰু  তাৰ কাৰণে আমি অহোপুৰুষাৰ্থ কৰি আছো । মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক

জনাব বিচাৰিছো যে North-eastৰ গেছ্ যাতে আমি North-east তে consume কৰিব পাৰো তাৰ কাৰণে গোটেই ব্যৱস্থাৱলী গঢ়ি তুলিবৰ বাবে ভাৰত চৰকাৰে ইতিমধ্যে নিৰ্দ্দেশনা দিছে। আমাৰ প্ৰত্যেক ঘৰলৈ যাতে PNG গৈ পায়, প্ৰত্যেক উদ্যোগত যাতে non-renewable fuel দিব পাৰো তাৰ কাৰণে আমি নিশ্চিতভাৱে ব্যৱস্থা গ্ৰহণ কৰিম। মাননীয় বিধায়ক ডাঙৰীয়াই আৰু দুটামান গুৰুত্বপূৰ্ণ বিষয় কৈছে যে MSME sector ত CGD বা PNG ৰ কাম কৰোতে আমি কেনেধৰণে MSME ক উৎসাহিত কৰিছো। আমি নিশ্চিতভাৱে অসমৰ MSME সকলক উৎসাহিত কৰাৰ প্ৰয়োজনীয়তা আছে। অসমৰ MSME য়ে যিসমূহ বস্তু ইয়াত উৎপাদন কৰে সেই ক্ষেত্ৰত আমাৰ ইয়াতে কাম কৰা গোটেইকেইটা কোম্পানীকে আমি ক'ম যাতে MSME সমূহৰ উৎপাদিত সামগ্ৰীসমূহ তেওঁলোকে ক্ৰয় কৰে। লগতে, তেখেতে সুধিছে যে অসমৰ বাহিৰৰ আৰু অসমৰ ভিতৰৰ কিমান কোম্পানীৰ পৰা procurement কৰিছে, সেই ক্ষেত্ৰত মোৰ হাতত এতিয়া তথ্য নাই। মই তেখেতক পৰৱৰ্তী সময়ত জনাম। তেখেতে service material আৰু construction material ৰ procurementৰ কথাও সুধিছে কিন্তু তেখেতৰ প্ৰশ্নটোত যিহেতু এই গোটেই বিষয়কেইটা নাছিল মই আমাৰ ........ interruptions....

**শ্ৰী আমিনুল হক লস্কৰ, (সোনাই)ঃ** তালিকাখন দিব।

**শ্ৰী বিমল বড়া, মন্ত্ৰী, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান ইত্যাদিঃ** হয়। আপোনাক নিশ্চয় এই গোটেইখিনি কথা সবিশেষ জনাম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং-৩ Special Mention under Rule 301. মই প্ৰথমতে মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াক- "Plan and Progress of ongoing Sports University of Assam" শীৰ্ষক বিষয়টো মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, ( মৰিয়নী)**ঃমাননীয় অধ্যক্ষ মহোদয়,এটা গুৰুত্বপূৰ্ণ বিষয় -অসমত নিৰ্মিত ক্ৰীড়া বিশ্ববিদ্যালয় সন্দৰ্ভত বিধান সভাৰ নিয়মাৱলীৰ নিয়ম ৩০১ ৰ অধীনত আপুনি উত্থাপন কৰিব দিয়া কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো। সুধাকণ্ঠ ভূপেন হাজৰিকাদেৱে কৈছিল- ''এই পৃথিৱী এক ক্ৰীড়াংগন, ক্ৰীড়া হ'ল শান্তিৰ প্ৰাংগন।'' মই অসমৰ সন্তান হিচাপে লগতে এজন খেলুৱৈ হিচাপে বা এতিয়াও ক্ৰীড়াৰ লগত জড়িত এজন লোক হিচাপে মই খুবেই আনন্দিত। ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বত আমাৰ যি NDA চৰকাৰ চলি আছে, সেই দলৰ এজন সদস্য হিচাপে এই মহান প্ৰয়াসৰ বাবে মই গৌৰৱ অনুভৱ কৰিছো I Sri Sri Aniruddhadeva Sports University, 2018 চৰকাৰে নিৰ্মাণ কৰাৰ পদক্ষেপ গ্ৰহণ কৰিলে আৰু সেই একে বৰ্ষতে মণিপুৰত আমাৰ দেশৰ প্ৰথমটো National Sports University ৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ হৈছিল। গোটেই ভাৰতবৰ্ষৰ ৬খন ৰাজ্য ক্ৰমে মণিপুৰ, তামিলনাডু, মহাৰাষ্ট্ৰ, ৰাজস্থান, তেলেংগানাৰ লগতে আমাৰ অসমত ক্ৰীড়া বিশ্ববিদ্যালয়ৰ নিৰ্মাণ চলি আছে বা কাৰ্য্যক্ৰম আৰম্ভ হৈছে। তাৰ ভিতৰত মণিপুৰ, তামিলনাডু আৰু অসম এই তিনিখন ৰাজ্যত কাৰ্য্যক্ষম হৈছে । আমি এটা মহান প্ৰয়াস দেখা পাইছো। হয়তো কোনোবা লোকে অকণমান বাধা দিছে। আমি যদি চাওঁ, ইয়াৰ নিবিদাত M P Khetan নামৰ এজন ঠিকাদাৰে কাম পালে। তেওঁ ২০২৩ৰ পৰা ২০২৬ লৈকে ৩ বছৰত মাত্ৰ ৩% কাম আগুৱাই লৈ গৈছে। চাবলৈ গ'লে এইটো দুৰ্ভাগ্যজনক কথা। আমাৰ অসমত ২০২১ চনৰ পৰা কানৈ বিশ্ববিদ্যালয়ত ক্ৰীড়া বিশ্ববিদ্যালয়খন ইতিমধ্যে কাৰ্য্যক্ষম হৈছে। যিসকল passed out তেওঁলোকে ইতিমধ্যে চাকৰি পাবলৈ সক্ষম হৈছে। কিন্তু দেখা গৈছে যে আমাৰ চৰকাৰে কঠোৰভাৱে পদক্ষেপ গ্ৰহণ কৰি মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত সেই আগৰ Khetan নামৰ ঠিকাদাৰক আঁতৰাই নতুনকৈ Charge Engineer, Dispur ক ঠিকা দিছে। জিলা আয়ুক্ত আৰু ক্ৰীড়া বিভাগৰ সঞ্চালকৰ মতে কামৰ যথেষ্ট অগ্ৰগতি হৈছে। আমাৰ যথেষ্ট সম্ভাৱনা আছে। ১৯৬৬ত অৰ্জুন ভোগেশ্বৰ বৰুৱা ডাঙৰীয়াই সেই সময়ত কোনো সুবিধা

নাথাকোতে এছিয়ান গেম্ছত  gold medal লাভ কৰিবলৈ সক্ষম হৈছিল। লাভলীনা বৰগোঁহাই, হিমা দাস, নয়নমণি শইকীয়া, দীপাংকৰ ভট্টাচাৰ্য, ৰিয়ান পৰাগৰ পৰা আদি কৰি এলভিচ আলী হাজৰিকালৈ আমাৰ বহুত asset আগতেও আছিল আৰু এতিয়াও আছে। আমাৰ মানকাটাত নতুনকৈ নিৰ্মাণ হোৱা ষ্টেডিয়ামত physical training ৰ কাম হ'ব ধৰিছে। আমি দেখা পাইছো National Sports University, Manipur ত. Sc in Sports Coaching, M.Sc in Applied Sports Nutrition, M.A in Sports Psychology, B.Sc in Sports Coaching এনেধৰণে বিভিন্ন Sports Science and Sports Technology, Sports Management, Sports Coaching ৰ বহু বিষয় আছে । কম দিনৰ ভিতৰত কাম সমাপ্ত কৰি এই সমূহ  আমি আমাৰ বিশ্ববিদ্যালয়তো প্ৰয়োগ  কৰিব পাৰো। খেল মহাৰণৰ যোগেদি মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এটা নতুন অধ্যায় অসমত সৃষ্টি কৰিলে। আমি প্ৰত্যক্ষ কৰিছো যে আমাৰ বহুত প্ৰতিভা আছে। মই খেল মহাৰণত যাওঁতে এজন ছাত্ৰক লগ পাই সুধিছিলো যে তুমি কি পালা, কিবা পালে নে নাই ? তেওঁ ক'লে যে মই gold পালো। মই আকৌ সুধিলো- তুমি আগৰ পৰাই দৌৰি থাকা নেকি? তেওঁ ক'লে যে- নহয়, মই মাঘৰ বিহুত পথাৰত দৌৰিছিলো। মই এনেদৰে দৌৰিব পাৰিম বুলি ভবা নাছিলো। মোৰ ভাল লাগিল। মই বহুত উৎসাহিত হৈছো। গতিকে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ খেল মহাৰণে যথেষ্ট উদগনি আনিছে। মাননীয় অধ্যক্ষ মহোদয়, Sri Sri Aniruddhadeva Sports University ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বৰ  NDA চৰকাৰখনৰ এটা মহান প্ৰয়াস। মই ক্ৰীড়া বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিম যে এই ক্ষেত্ৰত কেনেধৰণৰ অগ্ৰগতিৰ কথা চিন্তা কৰিছে ? অধিক পুঁজি দি হ'লেও লগতে আৰু যদি  ঠিকাদাৰ লাগে, দি হ'লেও, খুব কম দিনৰ ভিতৰত কাৰ্য্যক্ষম কৰি এটা নতুন অধ্যায়ৰ সৃষ্টি কৰিবলৈ আহ্বান জনাই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** Hon'ble Parliamentary Affairs Minister, please.

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** সন্মানীয় অধ্যক্ষ মহোদয়, মই অনিৰুদ্ধ দেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ বৰ্তমানৰ পৰিৱেশ, অগ্ৰগতি সম্পৰ্কে মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই উপস্থাপন কৰা প্ৰশ্নৰ উত্তৰ দিব খুজিছো। অধ্যক্ষ ডাঙৰীয়া, শ্ৰী শ্ৰী অনিৰুদ্ধ দেৱ ক্ৰীড়া বিশ্ববিদ্যালয় ২০১৮ চনত The Assam Sri Sri Aniruddhadeva Sports University Act, 2018 অনুসৰি স্থাপন কৰা হয়। বিশ্ববিদ্যালয়খনৰ প্ৰথম বিধিসমূহ অসম শ্ৰী শ্ৰী অনিৰুদ্ধ দেৱ ক্ৰীড়া বিশ্ববিদ্যালয়, আইন ২০১৮ ৰ ধাৰা ২৫ (১) আৰু ২৫ (৭) ৰ অধীনত প্ৰদান কৰা ক্ষমতাৱলীৰ ভিত্তিত অধিসূচনা নং SYW.732021/267 তাৰিখ ০৭ অক্টোবৰ, ২০২১-যোগে প্ৰকাশ কৰা হয়।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, বিশ্ববিদ্যালয়খনৰ অধ্যয়ন আৰু প্ৰশাসনিক বিষয়ক অধ্যাদেশ (Academic & Administrative Matters Ordinance) অসম গেজেট অধিসূচনা নং SYW.191/2022/56, তাৰিখ ০৩ ফেব্ৰুৱাৰী, ২০২৩-যোগে জাৰি কৰা হয়।

বৰ্তমান বিশ্ববিদ্যালয়খন ডিব্ৰুগড় জিলাৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ (District Industries and Commerce Centre)-ৰ দ্বিতীয় মহলাত, জিলা প্ৰশাসনে আৱন্টন কৰা প্ৰশাসনিক কাৰ্যালয়ৰ পৰা পৰিচালিত হৈ আছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, District Industries and Commerce Centre তে এই অনুষ্ঠানখন চলি আছে। শৈক্ষিক কাৰ্যসূচীসমূহ DHSK মহাবিদ্যালয়ৰ বিজ্ঞান ভৱনৰ দ্বিতীয় মহলাত অনুষ্ঠিত হৈ আছে। দুটা campus ত আচলতে এই বিশ্ববিদ্যালয়খন চলি আছে। ব্যৱহাৰিক পাঠদানসমূহ ৰেলৱে ল'ক' খেলপথাৰ, ৰেলৱে ইণ্ডোৰ স্টেডিয়াম আৰু DHSK মহাবিদ্যালয় চৌহদত উপলব্ধ স্থানত অনুষ্ঠিত হৈ আছে।

বিশ্ববিদ্যালখনে ২০২১ চনত প্ৰথমবাৰৰ বাবে Post Graduate Diploma in Sports Coaching (PGDSC) পাঠ্যক্ৰম সফলভাৱে সম্পন্ন কৰে। এই পাঠ্যক্ৰমত ৮ (আঠ) জন শিক্ষাৰ্থীয়ে নামভৰ্তি কৰি সফলতাৰে উত্তীৰ্ণ হৈছে। ইয়াৰে অসমৰ (চাৰি) জন শিক্ষাৰ্থীয়ে ইতিমধ্যে ক্ৰীড়া আৰু যুৱ কল্যাণ

সঞ্চালকালয়ত নিযুক্তি লাভ কৰিছে আৰু অৱশিষ্ট ৪ (চাৰি) জন অসমৰ বাহিৰৰ শিক্ষাৰ্থীয়ে বিভিন্ন বিদ্যালয় আৰু প্ৰতিষ্ঠানত কৰ্মৰত হৈ আছে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, এটা কথা ভাল হৈছে যে, ৮ জনে পাছ কৰিছে, ৮ জনেই বৰ্তমান Government বা Non-Government Organization ত চাকৰি পাইছে।

বৰ্তমান বিশ্ববিদ্যালয়খনত Bachelor of Physical Education (Honours/Honours with Research) শীৰ্ষক চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম চলি আছে। বৰ্তমান ২য়, ৪ৰ্থ আৰু ৬ষ্ঠ ষাণ্মাসিক মিলাই মুঠ ৮৩ জন শিক্ষাৰ্থী অধ্যয়ন কৰি আছে।

বিশ্ববিদ্যালয়খনে ২০২৫ চনত প্ৰথমবাৰৰ বাবে পিএইচ.ডি. (Ph.D.) পাঠ্যক্ৰম আৰম্ভ কৰে, য'ত ৪ (চাৰি) জন গৱেষক শিক্ষাৰ্থীয়ে নামভৰ্তি কৰিছে। উপযুক্ত আন্তঃগাঁথনি উপলব্ধ হলে বিশ্ববিদ্যালয়খনে পুনৰ Post Graduate Diploma in Sports Coaching (PGDSC) ৰ দ্বিতীয় বেটচ্ আৰু অন্যান্য প্ৰমাণপত্ৰ (Certificate) পাঠ্যক্ৰম আৰম্ভ কৰাৰ পৰিকল্পনা কৰিছে।

বৰ্তমান বিশ্ববিদ্যালয়খনত সীমিত মানৱ সম্পদেৰে শৈক্ষিক কাৰ্যকলাপ পৰিচালনা কৰি আছে। বিশ্ববিদ্যালয়ত এজন স্থায়ী অধ্যাপক, District Institute of Education and Traning (DIET) ৰ ২ (দুজন) অধ্যাপক, ৩ (তিনিজন) অতিথি অধ্যাপক আৰু ৪ (চাৰিজন) চুক্তিভিত্তিত কাৰ্য্যালয় কৰ্মচাৰী আছে। প্ৰশাসনিক কাৰ্য্যসমূহ ডিব্ৰুগড়স্থিত District Industries and Commerce Centre (DICC) ভৱনত অৱস্থিত অস্থায়ী কাৰ্যালয়ৰ পৰা পৰিচালিত হৈ আছে।

স্থায়ী শিক্ষক আৰু প্ৰশাসনিক পদ সৃষ্টিৰ প্ৰস্তাৱ বৰ্তমান অসম চৰকাৰৰ বিবেচনাধীন হৈ আছে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, অসম চৰকাৰে ডিব্ৰুগড় জিলাৰ চাবুৱাৰ বালিজান পানীয়েৰা গাওঁত বিশ্ববিদ্যালয়খনৰ স্থায়ী চৌহদ নিৰ্মাণৰ বাবে ২০০ বিঘা ভূমি আৱন্টন দিছে। ২০২৪-২৫ বৰ্ষত উক্ত ভূমিৰ নামজাৰি সম্পূৰ্ণ কৰা হৈছে। নিৰ্মাণ কাৰ্য লোক নিৰ্মাণ বিভাগ (PWD) য়ে ৰূপায়ণ কৰি আছে।

প্ৰশাসনিক ভৱন আৰু উপাচাৰ্যৰ আৱাসগৃহ নিৰ্মাণৰ কাম আৰম্ভ হৈছে। ২০২৬ চনৰ মাৰ্চ মাহত M/S MP Khaitan ক কামৰ আৱন্টন দিয়া হৈছে। নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা ১৩- ০৯-২০২৭।

স্নাতক ছাত্ৰী আৱাস, স্নাতক ছাত্ৰ আৱাস, টাইপ-ভি আৱাসগৃহ, ফুটবল খেলপথাৰসমূহ কৃত্ৰিম এথলেটিক ট্ৰেক, ২ টা বাস্কেটবল কোৰ্ট, ২ টা ভলীবল কোৰ্ট, ২ টা হেণ্ডবল কোৰ্ট, নেটবল কোৰ্ট, খ'খো খেলপথাৰ আৰু কাবাডী কোৰ্ট আদিৰ নিৰ্মাণ পৰ্যায়ক্ৰমে আৰম্ভ হৈছে।

চৌহদ দেৱাল, নলা আৰু মাটিৰ কামো চলি আছে যদিও অগ্ৰগতি কিছু লেহেমীয়া । ঠিকাদাৰী প্ৰতিষ্ঠান M/S Shass Engineers, Dispur, Guwahati-লৈ ইতিমধ্যে জাননী জাৰি কৰা হৈছে অধ্যক্ষ ডাঙৰীয়া৷

বৰ্তমানৰ ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে Salary & Non-Salary শিতানৰ বাজেট প্ৰস্তাৱ দাখিল কথা হৈছে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, বিত্ত বিভাগৰ অধিসূচনা নং FEB. 397091/105, তাৰিখ ০৬-০৫-২০২৫, আৰু Assam Delegation of Financial Powers Rules, 2022 অনুসৰি, Grant No. 31 Grants-in-Aid(Salaries)-ৰ অধীনত ব্যয় অনুমোদনৰক্ষেত্ৰত উপাচাৰ্যগৰাকীক পূৰ্ণ বিত্তীয় ক্ষমতা প্ৰদান কৰা হৈছে। সেই অনুসৰি বিশ্ববিদ্যালয়ৰ DDO Code জাৰি কৰা হৈছে আৰু সংশ্লিষ্ট Head of Account-ক Ceiling আৰু Financial Concurrence (FOC) ব্যৱস্থাৰ পৰা অব্যাহতি প্ৰদান কৰা হৈছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে মই গোটেই খিনি কথা ক'লো, অগ্ৰগতিৰ সম্পূৰ্ণ class চলি আছে। PHD ৰো class আৰম্ভ হৈছে। ৮ জনে পাছ কৰিছে, ৪ জনে অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগত চাকৰি পাইছে, বাহিৰৰ ৪ জনে ব্যক্তিগত প্ৰতিষ্ঠানত চাকৰি পাইছে । মাননীয় অধ্যক্ষ ডাঙৰীয়া,প্ৰচুৰ সম্ভাৱণা আছে। দুশ বিঘা মাটিৰ আৱণ্টন দিয়া হৈছে, কাম চলি আছে। যিমান সোনকালে পাৰো কাম সম্পূৰ্ণ কৰিবলৈ প্ৰয়াস কৰা হ'ব, প্ৰচেষ্টা কৰা হ'ব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীদীপক কুমাৰ দাস ডাঙৰীয়াই '' বৰপেটা সমষ্টিৰ চাৰি গুৰু আৰু আতা- ঠাকুৰ, ঠাকুৰ-আতা সকলৰ সত্ৰ নগৰী বৰপেটা শিল্প নগৰী সৰ্থেবাৰী, বৈদিক-বৈষ্ণৱ বহৰীক '' পৰ্য্যটন নগৰী'' হিচাপে চৰকাৰী স্বীকৃতি প্ৰদান কৰি এক সমন্বিত আধ্যাত্মিক, সাংস্কৃতিক আৰু ঐতিহ্যভিত্তিক পৰ্যটনকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কে ।'' শীৰ্ষক বিষয়টো মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**শ্ৰী দীপক কুমাৰ দাস, বৰপেটাঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ আদেশ মৰ্মে আৰম্ভ কৰিছো । বৰপেটা সমষ্টিৰ এইবাৰৰ সমষ্টি হ'ল ভূমিপুত্ৰ খিলঞ্জীয়াৰ দ্বাৰা পৰিৱেশিত এক পবিত্ৰ ভূ-খণ্ড আৰু এই ঐতিহ্যময় পূৰ্ণভূমি অসমৰ অধ্যাত্মিক চেতনাৰ এক জোতিষ্ক। সাংস্কৃতিৰ এক জীৱন্ত নন্দন-কানন । শিল্পীৰ এক সৃষ্টিধাম আৰু অসমৰ আত্মাৰ এক চিৰজাগ্ৰত প্ৰাঞ্জল স্পন্দন। যি পবিত্ৰ ভূমিত শ্ৰীমন্ত শংকৰদেৱ, শ্ৰী শ্ৰী মাধৱদেব, শ্ৰী শ্ৰী দামোদৰ দেৱ, আতা-ঠাকুৰ আৰু ঠাকুৰ আতা সকলে নৱবৈষ্ণৱ জৰিয়তে সাম্য, সম্প্ৰতি মানৱতা আৰু ভাতৃত্ববোধৰ বাণী প্ৰচাৰ কৰিছিল আৰু বৰপেটাতে দামোদৰদেৱৰ প্ৰিয় শিষ্য ভট্টদেৱে গদ্য সাহিত্য সৃষ্টি কৰি বিশ্বক চমক দিয়াইছিল । যি সময়ত এছিয়াত গদ্য সাহিত্য সৃষ্টি হোৱা নাছিল, সেই সময়ত বৰপেটাতে গদ্য সাহিত্য সৃষ্টি হৈছিল । য'ত বৰগীতৰ সুৰ, খোল-তালৰ নিনাদ, ভাওনা, শংকৰী, কলা সংস্কৃতি আৰু সাহিত্য আলোক মালাই যুগে যুগে সমাজক নৈতিকতা আৰু সভ্যতাৰ শিক্ষা দি আহিছে, সেই বৰপেটাৰ বুকুত আজিও অপাৰ সম্ভাৱনাৰ এক নতুন দিগন্ত সুপ্ত হৈ আছে। তৎসত্বেও আমি আজি বৰপেটা বহুক্ষেত্ৰত বঞ্চিত। ৰাজনৈতিকভাৱে বঞ্চিত উন্নয়নৰ জখলাত আমি বগাব পৰা নাই মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপুনি ভালদৰে জানে । বৰপেটা কেৱল এখন সত্ৰ নগৰী নহয়, ই হৈছে মহাপুৰুষীয়া বৈষ্ণৱ সংস্কৃতিৰ এক জীৱন্ত তীৰ্থ ক্ষেত্ৰ। এই পৱিত্ৰ ভূমিত অৱস্থিত ঐতিহাসিক বৰপেটা সত্ৰ শ্ৰী শ্ৰী দেৱ গুৰু আদি ধাম পাটবাউসী সত্ৰ, জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ থান, সুন্দৰীদিয়া সত্ৰ, বামুণা সত্ৰ,

গণককুছি সত্ৰ, বাৰাদী সত্ৰ, আদি সত্ৰ, শ্ৰী শ্ৰী মুকুন্দদেৱৰ স্থাপিত কেওঁটকুছি সত্ৰ, গজিয়া সত্ৰ ,কমাৰকুছি সত্ৰ, কণৰাপাৰা সত্ৰ, বহৰী সত্ৰ, কাৰাকুছি সত্ৰ, কুঢ়িমাৰী সত্ৰ, গোমূৰা সত্ৰ, মাধৱদেৱ সত্ৰ, মাধৱদেৱ পদশিলা, জগন্নাথ সত্ৰ, চতুৰ্ভূজ সত্ৰ, হৰিদেৱ সত্ৰ, কৃষ্ণ গুৰু সেৱাশ্ৰম, ব্যায়াসকুছি সত্ৰ, চিলা সত্ৰ, জাৰবাৰদী সত্ৰ, ন-দেশ সত্ৰ, পল্লা সত্ৰ, বনীয়াকুছি হৰিদেৱ সত্ৰ, বৰগোমূৰা সত্ৰ, লচিমা সত্ৰ, মনোহৰদেৱৰ শিঙৰা সত্ৰ, মনোহৰদেৱৰ সত্ৰ, (বৰকাপলা সত্ৰ) য'ত এতিয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মাধৱদেৱৰ আইমাতৃৰ স্মৃতি বিজৰিত এই বৰকাপলাত এতিয়া চাৰি কোটি প্ৰজেক্ট লৈ আছে। শ্ৰীমন্ত শংকৰদেৱ-শ্ৰী শ্ৰী মাধৱদেৱৰ সম্বন্বয় সত্ৰ (কাপলা সত্ৰ), হালধীবাৰী সত্ৰ, বৰবিলা সত্ৰ, গুৰুমুখী থান, পিৰলা সত্ৰ এতিয়া বিদেশীৰ দখলত। কাঁহিকুছি সত্ৰ, বেলবাৰী সত্ৰ, চুণপোৰা ভিঠি এই সকলো পৱিত্ৰ তীৰ্থ ক্ষেত্ৰই মিলি বৰপেটাক ভাৰতবৰ্ষৰ অন্যতম বৃহৎ বৈষ্ণৱ সাংস্কৃতিক অঞ্চল হিচাপে প্ৰতিষ্ঠা কৰিছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, তেওঁ বিদেশীৰ দখলত বুলি কৈছে, তেখেতে চৰকাৰী পক্ষত আছে।

**মাননীয় অধ্যক্ষঃ** আপুনি জ্যেষ্ঠ সদস্য। পিছত ক'ব। কিবা থাকিলে আপুনি পিছত ক'ব।

(সদনত কথাৰ বাক-বিতণ্ডা)

**শ্ৰী দীপক কুমাৰ দাস, (বৰপেটা)ঃ** চেঙা ভৰি ধোৱা সত্ৰ য'ত শ্ৰীমন্ত শংকৰ দেৱৰ ভৰি ধোৱা ঘাট আছে আৰু এই বৰপেটা সত্ৰতে মথুৰা দাস বুঢ়া আতাই এচিয়াত যেতিয়া বেকিং চীষ্টেম নাছিল তেওঁৰ হাতীয়াৰ পুঁজিৰ দ্বাৰা বেকিং চীষ্টেমটো প্ৰতিষ্ঠা কৰিছিল। মহাপুৰুষ শংকৰ দেৱে সাম্যবাদৰ দ্বাৰা বিশ্বক জনাইছিল যে Karl Marx Latin Pluto এ যেতিয়া সাম্যবাদৰ সৃষ্টি কৰা নাছিল, গুৰু শংকৰ দেৱে সাম্যবাদৰ সৃষ্টিৰ ধাৰণা দিছিল। এতিয়া কথাটো হ'ল আজি এই বক্ৰেশ্বৰ যি শিৱ মন্দিৰ য'ত ব্ৰহ্মপুত্ৰৰ কাষেৰে ভূ-গৰ্ভত অৱস্থিত যি সনাতনী সংস্কৃতিৰ প্ৰাঞ্জল ধাৰা প্ৰতিহিত কৰি আছে, এই সত্ৰ-থান সমূহক

বৈজ্ঞানিকভাৱে সংৰক্ষণ, সৌন্দৰ্যবৰ্ধন আৰু পৰ্যটনৰ সৈতে সংযুক্ত কৰিব পাৰিলে ই বৰপেটাৰ সাংস্কৃতিক পৰ্যটনৰ এক নতুন আকৰ্ষণ হৈ উঠিব। এই সত্ৰ-থানসমূহ কেৱল ধৰ্মীয় অনুষ্ঠানৰ কেন্দ্ৰ নহয়, এইবোৰ অসমীয়া ভাষা-সাহিত্য, বৰগীত, সত্ৰীয়া নৃত্য, ভাওনা, মুখাশিল্প, বৃন্দাৱনী বয়ন শিল্প যি এতিয়া পেৰিছ আৰু লণ্ডনত আজিও বিদ্যমান। পুথি সংৰক্ষণ, চিত্ৰকলা, সামাজিক সম্প্ৰীতি আৰু মানৱীয় মূল্যবোধৰ জীৱন্ত বিশ্ববিদ্যালয়। গদ্য সাহিত্য ইয়াতেই সৃষ্টি হৈছিল, নামঘোষা, কীৰ্তন ঘোষা, নাট-ভাওঁনা ইয়াতেই সৃষ্টি হৈছিল। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপুনি ভালদৰেই জানে যে – বৰপেটা মানে সত্ৰৰ পৱিত্ৰতা, সৰ্থেবাৰী মানেই কাঁহ-পিতল শিল্পৰ বিশ্ববিখ্যাত কাৰুকাৰ্য আৰু বহৰি মানেই বৈদিক বৈষ্ণৱ পৰম্পৰা, প্ৰকৃতি আৰু নদীমাতৃক জীৱনৰ অপূৰ্ব সৌন্দৰ্য। এই তিনিওখন ঐতিহ্যভূমি অসমৰ এক মহান সভ্যতাৰ তিনিটা উজ্জ্বল স্তম্ভ। বৰপেটাৰ দৌল মহোৎসৱ, ভাওনা, বৰগীত, সত্ৰীয়া নৃত্য, বৃন্দাৱনী বয়ন, তাঁতশিল্প, মথুৰাদাস বুঢ়া আতাৰ অৰ্থনৈতিক দৰ্শন, জীৱন্ত মুকুট শ্ৰীশ্ৰীৰাম আতাৰ অনন্য মৃৎশিল্প সৰ্থেবাৰীৰ কাঁহ-পিতল শিল্প, বহৰিৰ বৈদিক-বৈষ্ণৱ ঐতিহ্য এই সকলো মিলি এনে এক অনুপম সাংস্কৃতিক ঐশ্বৰ্য্য লগতে ইয়াত যিবোৰ নদী আছে, এই নদীবোৰত পৰ্য্যটনক আকৰ্ষণ কৰিব পৰা সকলো গুণ বিদ্যমান হৈ আছে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি ভালদৰে জানে যে আজিৰ বিশ্বত পৰ্য্যটন কেৱল ভ্ৰমণ নহয়, পৰ্য্যটন হৈছে এখন সমাজৰ ইতিহাস, সভ্যতা-সংস্কৃতি, শিল্পৰ পৰিচয় বিশ্বৰ আগত প্ৰতিষ্ঠা কৰাৰ এক শক্তিশালী মাধ্যম। যি অঞ্চলে নিজৰ ঐতিহ্য সংৰক্ষণ কৰে সেই অঞ্চল, উন্নয়ণ, কৰ্ম-সংস্থাপন আৰু অৰ্থনৈতিক সমৃদ্ধিৰ নতুন দিশ উন্মোচন কৰে। সেয়েহে মোৰ বিনম্ৰ প্ৰস্তাৱ যে সত্ৰ নগৰী বৰপেটা আৰু শিল্প নগৰী সৰ্থেবাৰী বৈদিক-বৈষ্ণৱ ঐতিহ্যৰে সমৃদ্ধ বহৰীত এক সমন্বিত সাংস্কৃতিক-আধ্যাত্মিক ঐতিহ্যৰে পৰিপূৰ্ণ এক পৰ্য্যটন নগৰী হিচাপে গঢ়ি তুলিব লাগে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আপোনাৰ ৬ মিনিট হৈ গ'ল। এতিয়া সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ প্ৰদান কৰিব।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (মন্দিয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক এটা বাক্য ক'বলৈ অনুমতি দিব নেকি ?

**মাননীয় অধ্যক্ষঃ** আপুনি পিছত ক'ব।

**শ্ৰী শ্বেৰমান আলী আহমেদ, ( মন্দিয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, নহ'লে বিদেশী শব্দটো expunge কৰক। কোনেও গোৱাল গালি দিব নোৱাৰে। মইও বৰপেটাৰ সন্তান, তেখেতও বৰপেটাৰ। বিদেশীয়ে কেনেকৈ হ'ল, তেওঁ কি কৰি আছে। দহ বছৰ ধৰি এই চৰকাৰ আছে। তেখেতে এই শব্দটো ডিলিট কৰক। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জিলা লৈ বদনাম যায়।

**মাননীয় অধ্যক্ষঃ** আপুনি এই কথাখিনি লিখিত ভাৱে দিয়ক।

**শ্ৰী বিমল বৰা, (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা সমষ্টিৰ চাৰি গুৰু আৰু আতা-ঠাকুৰ, ঠাকুৰ-আতাসকলৰ মিলনভূমি সত্ৰনগৰী বৰপেটা শিল্পনগৰী সৰ্থেবাৰী, বৈদিক-বৈষ্ণৱ বহৰিক পৰ্য্যটন নগৰী হিচাপে চৰকাৰী স্বীকৃতি প্ৰদান কৰি এক সমন্বিত আধ্যাত্মিক, সাংস্কৃতিক আৰু ঐতিহ্যভিত্তিক পৰ্যটন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি , এই সম্পৰ্কে মাননীয় বিধায়ক শ্ৰী দীপক কুমাৰ দাস ডাঙৰীয়াই এটা অতি গুৰুত্বপূৰ্ণ বিষয় আজি সদনত উত্থাপন কৰিছে । বিষয়টো অতি গুৰুত্বপূৰ্ণ । তথাপিও মাননীয় অধ্যক্ষ মহোদয়, সাংস্কৃতিক বিভাগ পৰ্য্যটনৰ লগত পোনপটীয়াকৈ জড়িত নহয় যদিও আমি সংস্কৃতিৰ লগত আমাৰ বিভাগে কাম কৰে বাবে উত্তৰটো দিবৰ বাবে মই প্ৰয়াস কৰিম। মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা কেৱল অসমৰ এখন ঐতিহাসিক নগৰী নহয়। ই অসমৰ আধ্যাত্মিক চেতনাৰ এক উজ্জ্বল পীঠস্থান, বৈষ্ণৱ দৰ্শন আৰু সংস্কৃতিৰ এক অনাদি সাধনাক্ষেত্ৰ, আৰু আমাৰ জাতীয় জীৱনৰ নৈতিক, সাংস্কৃতিক, আধ্যাত্মিক ৰীতি-নীতি, মানৱীয় প্ৰমূল্যবোধৰ এক চিৰন্তন আলোক স্তম্ভ হিচাপে অনাদি কালৰ পৰাই বৰপেটা জিলাই নিজৰ অস্তিত্ব তেনেধৰণে দাঙি ধৰি আহিছে। চাৰি গুৰু, আতা-ঠাকুৰ আৰু ঠাকুৰ-আতাসকলৰ পবিত্ৰ

পদধূলিৰে ধন্য এই ভূমিয়ে যুগে যুগে ভক্তি, সমতা, সহিষ্ণুতা, সম্প্ৰীতি, মানৱতা, সাহিত্য, সংগীত, নাট-ভাওনা আৰু সংস্কৃতিৰ মহান আদৰ্শ সমগ্ৰ অসমবাসীৰ হৃদয়ত প্ৰোথিত কৰি আহিছে। মহাপুৰুষীয়া একশৰণ নামধৰ্মৰ অন্যতম প্ৰতিষ্ঠাতা প্ৰধান পীঠস্থান হিচাপে বৰপেটা সত্ৰ আৰু ইয়াৰ সমৃদ্ধ সত্ৰীয়া পৰম্পৰাই অসমৰ চহকী সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ, লালন-পালন, বিকাশ আৰু বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰাত অসাধাৰণ অনন্য  ভূমিকা এই বৰপেটা জিলাৰ পৰা পালিত হৈ  আহিছে। এই ঐতিহ্যই কেৱল অসমৰ সাংস্কৃতিক পৰিচয়কেই সমৃদ্ধ কৰা নাই, বৰঞ্চ  ভাৰতবৰ্ষৰ বহুমাত্ৰিক আৰু আধ্যাত্মিক, সাংস্কৃতিক ঐতিহ্যকো গৌৰৱোজ্জ্বলভাৱে সমৃদ্ধ কৰিছে। এই অনন্য ঐতিহ্যৰ সংৰক্ষণ, বিকাশ আৰু সুদূৰপ্ৰসাৰী প্ৰচাৰৰ লক্ষ্যৰে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে বৰপেটা জিলাত সুপৰিকল্পিতভাৱে একাধিক গুৰুত্বপূৰ্ণ পদক্ষেপ আমি গ্ৰহণ কৰিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মৰ পৰা তিৰোভাৱলৈ জীৱন-যাত্ৰাৰ সৈতে নিবিড়ভাৱে জড়িত পবিত্ৰ স্থানসমূহক মাননীয় অধ্যক্ষ মহোদয়, আপুনি ভালদৰে অৱগত যে মহাপুৰুষ শংকৰদেৱ গুৰুজনাই যেতিয়া একশৰণ বৈষ্ণৱ নাম-ধৰ্ম  প্ৰচাৰত তেখেত যেতিয়া জড়িত হৈ আছিল, তেতিয়া সমগ্ৰ অসমৰ বিভিন্ন স্থান তেখেতে পৰিভ্ৰমণ কৰিছিল আৰু লগতে ভাৰতৰ বিভিন্ন স্থান সমূহ তেখেতে পৰিভ্ৰমণ   কৰিছিল। কিন্তু যিসমূহ স্থানত উপস্থিত হৈ তেখেতে আধ্যাত্মিক চেতনাবোধক সমৃদ্ধ কৰি এখন নতুন সমাজ নিৰ্মাণ কৰাৰ মাৰ্গদৰ্শন দি থৈ গ'ল তাক আমি জীৱন্ত ৰূপত আৰু যাতে আমি তেওঁ পদ স্পৰ্শ কৰা স্থান সমূহ সদায় ভক্তি মাৰ্গেৰে উজ্জীৱিত হৈ থাকে তাৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ  মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দূৰদৰ্শী নেতৃত্বত "শ্ৰীমন্ত শংকৰদেৱ আধ্যাত্মিক পৰিক্ৰমা" আঁচনি এখন special circuit কৰিবৰ কাৰণে আমি  প্ৰয়াস কৰিছো।  এই circuit টোত গুৰুজনাই ভ্ৰমণ কৰা  ২১ টা স্থানক অন্তৰ্ভুক্ত কৰিবৰ কাৰণে আমি প্ৰয়াস কৰিছো। তাৰ ভিতৰত এটা হ'ল বৰদোৱা, আলিপুখুৰী, শিঙৰি, ৰৌতা, গাংমৌ, ঘিলাধাৰী, ভালুকাগুৰি, (কেমৰাকোটা-চাংগিনী) ৰ ওচৰত, মালোৱাল, ধুৱাহাট-

বেলগুৰি, কাপলা, চূণপোৰা, গণককুছি, কুমাৰকুছি, পাটবাউসী, তাঁতিকুছি (শ্ৰীশ্ৰী বৰপেটা সত্ৰ) মধুপুৰ, এতিয়া কোচবিহাৰত আছে, ভেলা কাকটকুটা চিলাৰায় গৃহ ৰামৰায় কুঠী সত্ৰ এই ২১ টা স্থানত এটা special circuit নিৰ্মাণ কৰি যাতে কোনোবাই যদি শংকৰদেৱ circuit পৰিভ্ৰমণ কৰিব বিচাৰে এই স্থান সমূহত গুৰুজনাৰ স্পৰ্শ প্ৰতিফলিত হোৱা অনুভৱ কৰিব পাৰিব । সেয়েহে সমান্তৰালভাৱে বৰপেটা জিলাত এই আঁচনিৰ অধীনত পাটবাউসীৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু দামোদৰদেৱ থান, চূণপোৰা সত্ৰ, কুমাৰকুছি সত্ৰ আৰু মহা মনোহৰ কাটলাক ইতিমধ্যে অন্তৰ্ভুক্ত কৰা হৈছে। এই আঁচনিৰ অধীনত পাটবাউসীত অৱস্থিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু দামোদৰদেৱৰ থানত আন্তঃগাঁথনিমূলক উন্নয়নমূলক কিছু কাম-কাজ আমি কৰাৰ লগতে চূণপোৰা সত্ৰ, কুমাৰকুছি সত্ৰ আৰু মহা মনোহৰ কাটলাত ঐতিহ্য সংৰক্ষণ আৰু সামগ্ৰিক উন্নয়নৰ উদ্দেশ্যে গ্ৰহণ কৰা প্ৰকল্পসমূহ ইতিমধ্যে অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগে অগ্ৰাধিকাৰ ভিত্তিত ৰূপায়ণ কৰি আছে। বৰ্তমান এই কামসমূহ সম্পূৰ্ণতাৰ অন্তিম পৰ্যায়ত উপনীত হৈছে। এই কাম সমূহ হৈ উঠিলে নিশ্চিত ভাৱে আমি আমাৰ এই আধ্যাত্মিক ক্ষেত্ৰখনৰ অন্যতম সংৰক্ষণৰ কাম হ'ব বুলি আমি অনুভৱ কৰো। আমাৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে তেতিয়াৰ অবিভক্ত বৰপেটা জিলাৰ পাঠশালাত বিশিষ্ট নাট্যব্যক্তিত্ব, কাৰণ বৰপেটা সমগ্ৰ জিলাখনত যি ঐতিহ্য পৰম্পৰা আছে সেই পবিত্ৰ ভূমিত বহু এনে মহান মনীষীয়ে জন্মলাভ কৰি অসমৰ সাংস্কৃতিক আৰু আধ্যাত্মিক ক্ষেত্ৰলৈ অনন্য অৱদান আগবঢ়াইছে। তাৰ ভিতৰত এগৰাকী অন্যতম বিশিষ্ট মনীষী বুলিয়েই মই কওঁ ভ্ৰাম্যমানৰ জনক অচ্যুত লহকৰ দেৱ, তেখেতৰ স্মৃতিত এটা প্ৰেক্ষাগৃহ আমি তাত নিৰ্মাণ কৰাৰ লগতে অঞ্চলটোৰ সামগ্ৰিক সাংস্কৃতিক বিকাশৰ লক্ষ্যৰে জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰকল্প স্থাপন কৰিছো। হাউলীত চন্দী বৰুৱা ভৱনৰ নিৰ্মাণৰ কামো সফলতাৰে সম্পূৰ্ণ কৰা হৈছে । বৰপেটা জিলাত সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনত বৰপেটা সাংস্কৃতিক কেন্দ্ৰ আৰু নসত্ৰ সাংস্কৃতিক কেন্দ্ৰ খুৱ সুন্দৰ ভাৱে আধ্যত্মিক চিন্তা চৰ্চাৰ পৰা আৰম্ভ কৰি

সাংস্কৃতিক বিভিন্ন ধৰণৰ অনুশীলন সুন্দৰ ভাৱে পৰিচালিত হৈ আহিছে। সেই কেন্দ্ৰ সমূহে স্থানীয় শিল্পী সাহিত্যক আৰু সাংস্কৃতিক কৰ্মী সকলৰ যি উদ্ভাৱনশীল প্ৰতিভা বিকাশ আৰু সাংস্কৃতিক চেতনা বিকাশত এক বলিষ্ঠ ভূমিকা লৈ আহিছে। ইয়াৰ সমান্তৰাল ভাৱে চৰকাৰৰ তৰফৰ পৰা বৰপেটা জিলাত বিভিন্ন সাংস্কৃতিক অনুষ্ঠান, প্ৰশিক্ষণ মূলক কৰ্মশালা আৰু লোক সাংস্কৃতিক ভিত্তিক বিভিন্ন কাৰ্য্যসূচী আমি আয়োজন কৰিছো। প্ৰতি বছৰে জুলাই মাহত ভোৰতাল, হোলী গীত, ঠিয় নাম, বৰগীত আদি বিভিন্ন বিষয়ক লৈ আয়োজন কৰা গ্ৰীষ্ম কালীন কৰ্মশালা আদিত স্থানীয় শিল্পী সাংস্কৃতিক কৰ্মী আৰু নৱ প্ৰজন্মৰ মাজত লোক সংস্কৃতিৰ যিটো ঐতিহ্য সেইটো প্ৰচাৰ প্ৰসাৰ সংৰক্ষণ আৰু চৰ্চাৰ এটি ইতিবাচক পৰিবেশ গঢ়ি তুলিবলৈ সহায় কৰিছিল। মই ইয়াত উপস্থিত সকলো সদস্য- সদস্যাকে জনাব বিচাৰিছো যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰামৰ্শ অনুযায়ী এতিয়া যিহেতু গ্ৰীষ্ম কালীন বন্ধ চলি আছে গতিকে আমাৰ ছাত্ৰ-ছাত্ৰী সকলে আমাৰ বিভিন্ন সাংস্কৃতিক সমল সমূহ যাতে তেওঁলোকে অনুশীলন কৰিব পাৰে, তেওঁলোকে জানিব পাৰে, বুজিব পাৰে তাৰ কাৰণে সাংস্কৃতিক পৰিক্ৰমা বিভাগে প্ৰতিটো সমষ্টিৰ দুটা স্থানত একো একোটা প্ৰশিক্ষণ আৰু কৰ্মশালাৰ আয়োজন কৰিছো । আৰু ইয়াৰ বাবে আমি আপোনালোকলৈ এখন পত্ৰ প্ৰেৰণ কৰিম । আৰু এই বিষয়টো আমাৰ সাংস্কৃতিক বিষয়া আৰু স্থানীয় প্ৰশাসনে আয়োজন কৰিছে। এই ক্ষেত্ৰত মই আপোনালোকৰ সহায় সহযোগীতাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলে সাংস্কৃতিক ক্ষেত্ৰ খনৰ লগত জড়িত হোৱাৰ এটা সুযোগ প্ৰদান কৰে যেন। আমি বৰপেটা জিলাৰ সাংস্কৃতিক ক্ষেত্ৰলৈ অন্যন্য বৰঙণী আগবঢ়োৱা বহু বৰেণ্য ব্যক্তিক প্ৰতি বছৰে আমি বাৰ্ষিক শিল্পী সন্মান প্ৰদান কৰিছো। ঠিক তেনেকৈ শিল্পী পেঞ্চন প্ৰদান কৰিছো আৰু মই ভাৱো এনেকুৱা ধৰণৰ সন্মানে এই ক্ষেত্ৰ খনৰ লগত জড়িত থকা ব্যক্তিসকল অনুপ্ৰাণিত হৈ তেওঁলোকক জীৱিত কালতে চৰকাৰৰ তৰফৰ পৰা তেওঁলোকৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰা হৈছে, তাৰ ফলত তেওঁলোক উৎসাহিত হৈ আৰু অধিক দক্ষতাৰে কাম সমূহ কৰিবলৈ আগবাঢ়ি যাব। আমাৰ মাননীয়

সদস্য গৰাকীয়ে বহু কেইটা বিষয় একেলগে উত্থাপন কৰিছে। তেখেতে Bell Metal ৰে কথাও কৈছে আৰু মই উদ্যোগ বিভাগৰ মন্ত্ৰী হিচাপে আজি কেইদিন মান পূৰ্বে এই বিষয়ে তেখেতক জনাইছো আৰু আমাৰ চৰকাৰেও সংকল্প পত্ৰত সৰ্থেবাৰী অঞ্চলৰ ঐতিহ্য মণ্ডিত যি কাহ- পিতলৰ কুটীৰ উদ্যোগ আছে সেই উদ্যোগক আৰু অধিক সবলীকৰণ কৰাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে উদ্যোগ গ্ৰহণ কৰিছে। গতিকে সামগ্ৰীক ভাৱে বৰপেটা জিলাৰ সকলো বিলাক বিষয়ক লৈ চৰকাৰ যথেষ্ট সচেতন। দীপক দাস ডাঙৰীয়াই যিবোৰ গুৰুত্ব পূৰ্ণ বিষয় উত্থাপন কৰিলে তাৰ বাবে মই তেখেতক ধন্যৱাদ জনাইছো।

**শ্ৰী দীপক কুমাৰ দাস, বিধায়ক, ২৪ নং বৰপেটা (অনুসূচীত জাতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই পৰ্য্যটন মন্ত্ৰীৰ উত্তৰটো নাপালো। মহাশয়, মোৰ বৰপেটা সমষ্টিত হৰিদেৱ, দামোদৰ দেৱৰ কথা আছে।

**মাননীয় অধ্যক্ষঃ** আপুনি বহক। আপোনাৰ কথাটো হৈছে আপুনি আগতে উত্থাপন কৰোতে অকনমান ভুল হ'ল। আপুনি এইটো দিব লাগিছিল পৰ্য্যটন বিভাগক। কাৰণ আপুনি ইয়াত বহৰিৰ কথা কৈছে, সৰ্থেবাৰীৰ কথা কৈছে, বৰপেটাৰ কথা কৈছে। তাৰ মানে আপোনাৰ তিনিওটা বিষয় লৈ এটা Circuit। আপুনি Tourism Circuit কৰাৰ কথা কৈছিল। গতিকে এইটো সাংস্কৃতিক মন্ত্ৰী বা উদ্যোগ মন্ত্ৰীয়ে চাব নোৱাৰে যিহেতু এইটো পৰ্যটন বিভাগৰ কথা। আগন্তুক দিনত আপুনি পৰ্য্যটন বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিব বৰপেটা, সৰ্থেবাৰী আৰু বহৰিক লৈ আৰু ইয়াত এটা হৈছে কি আমাৰ মাননীয় বিধায়ক শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই আপুনি কোৱা বিদেশী শব্দটোক লৈ আপত্তি কৰিছে। গতিকে আপুনি পোনপটীয়া ভাৱে বিদেশী শব্দটো কব নোৱাৰে , আপুনি কোনোৱা সন্দেহযুক্ত মানুহ বুলি ক'ব পাৰে। গতিকে বিদেশী শব্দটো সদনৰ কাৰ্য্য বিবৰণীৰ পৰা উঠাই লোৱা হ'ল। এতিয়া মাননীয় সদস্য শ্ৰী ৰাজেদ আলী চৌধুৰী ছয় জনগোষ্ঠীৰ জনজাতি কৰণ শীৰ্ষক বিষয়টো জনজাতি পৰিক্ৰমা ( ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব।

**শ্ৰী ৰাজেদ আলী চৌধুৰী, বিৰোধী দলৰ দলপতি ( বিৰসিং জৰুৱা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধানসভাৰ ৩০১ নং নিয়মৰ অধীনত ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দৰে গুৰুত্বপূৰ্ণ বিষয়টো সদনত উত্থাপন কৰাৰ সুযোগ প্ৰদান কৰাৰ বাবে আপোনাক আন্তৰিক ধন্যবাদ জনাইছোঁ।অধ্যক্ষ মহোদয়, অসমৰ চাহ জনগোষ্ঠী, কোচ-ৰাজবংশী, মৰাণ, মটক, আহোম আৰু চুতীয়া জনগোষ্ঠীয়ে দীৰ্ঘদিন ধৰি অনুসূচিত জনজাতিৰ মৰ্যাদা লাভৰ দাবীত আন্দোলন অব্যাহত ৰাখিছে। এই দাবী বছৰ বছৰ ধৰি বিভিন্ন গণতান্ত্ৰিক আন্দোলন, স্মাৰকপত্ৰ, প্ৰতিবাদী কাৰ্যসূচী, অনশন, ৰাজহুৱা সভা আদিৰ জৰিয়তে তেওঁলোকে নিজৰ দাবী কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ ওচৰত উত্থাপন কৰি আহিছে। অধ্যক্ষ মহোদয়, এই জনগোষ্ঠীসমূহক বাৰে বাৰে আশ্বাস দিয়া হৈছিল যে তেওঁলোকৰ জনজাতিকৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব, সাংবিধানিক মৰ্যাদা প্ৰদান কৰা হ'ব আৰু তেওঁলোকৰ ন্যায্য অধিকাৰ সুনিশ্চিত কৰা হ'ব। কিন্তু বাস্তৱ ছবিখন সম্পূৰ্ণ বিপৰীত। নিৰ্বাচনৰ আগতে প্ৰতিশ্ৰুতিৰ বন্যা, কিন্তু নিৰ্বাচন শেষ হোৱাৰ লগে লগে সেই প্ৰতিশ্ৰুতিবোৰ যেন পাহৰি যায়।এতিয়া চৰকাৰৰ আচৰণ চাই সেয়াই অনুভৱ হৈছে। অধ্যক্ষ মহোদয়, শেহতীয়াকৈ কেন্দ্ৰীয় মন্ত্ৰী জুৱেল ওৰাম ডাঙৰীয়াৰ মন্তব্যই এই ছয় জনগোষ্ঠীৰ আশা-আকাংক্ষা আৰু অনুভূতিক গভীৰভাৱে আঘাত কৰিছে। যি সময়ত জনগোষ্ঠীসমূহে জনজাতিকৰণৰ সপোন দেখি আছিল, সেই সময়তে জনজাতিকৰণৰ পৰিৱৰ্তে মিউজিয়াম স্থাপনৰ দৰে প্ৰস্তাৱ আগবঢ়োৱা হৈছে। নিশ্চয়কৈ সংস্কৃতি সংৰক্ষণৰ বাবে মিউজিয়ামৰ প্ৰয়োজন আছে, কিন্তু মিউজিয়াম সাংবিধানিক অধিকাৰৰ বিকল্প হ'ব নোৱাৰে। মিউজিয়ামে জনজাতিৰ স্বীকৃতি নিদিয়ে, সংবিধানৰ সুৰক্ষা নিদিয়ে, সংৰক্ষণৰ সুবিধা নিদিয়ে, সামাজিক ন্যায় নিশ্চিত নকৰে। মাননীয় অধ্যক্ষ মহোদয়, এই জনগোষ্ঠীসমূহে মিউজিয়াম বিচাৰি আন্দোলন কৰা নাছিল। তেওঁলোকে বিচাৰিছিল সংবিধান স্বীকৃত মৰ্যাদা। তেওঁলোকে বিচাৰিছিল তেওঁলোকৰ ঐতিহাসিক দাবীৰ ন্যায্য সমাধান। কিন্তু কেন্দ্ৰীয় মন্ত্ৰী জুৱেল ওৰাম ডাঙৰীয়াৰ

এনে মন্তব্যৰ জৰিয়তে ছয় জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া আন্দোলনৰ ওপৰত যেন একেবাৰে চেঁচা পানী ঢালি দিয়া হৈছে। অধ্যক্ষ মহোদয়, এই বিষয়টো অসমৰ লাখ লাখ খিলঞ্জীয়া ভূমিপুত্ৰৰ আত্মসন্মান, পৰিচয় আৰু অধিকাৰৰ সৈতে জড়িত বিষয়। বছৰ বছৰ ধৰি আশ্বাস দি মানুহক অপেক্ষা কৰোৱাই শেষত যদি কোৱা হয় যে জনজাতিকৰণ নহয়, মিউজিয়ামহে হ'ব, তেন্তে সেইটো এই জনগোষ্ঠীসমূহৰ সৈতে অন্যায় কৰাৰ সমান।মই চৰকাৰক সুধিব বিচাৰোঁ যে জনজাতিকৰণৰ প্ৰক্ৰিয়া এতিয়া কোন পৰ্যায়ত আছে? কেন্দ্ৰীয় চৰকাৰৰ স্থিতি কি? ৰাজ্য চৰকাৰে এই বিষয়ত আনুষ্ঠানিকভাৱে কেন্দ্ৰৰ সৈতে কি আলোচনা কৰিছে? বিপ্লব শৰ্মা কমিটিৰ প্ৰতিবেদন কেতিয়ালৈ আখৰে আখৰে পালন কৰা হ'ব? আৰু বিশেষকৈ জনগোষ্ঠীসমূহক দিয়া প্ৰতিশ্ৰুতি কেতিয়া পূৰণ কৰা হ'ব? অধ্যক্ষ মহোদয়, ৰাইজক আশ্বাস দি, ভোট লৈ, পিছত সেই প্ৰতিশ্ৰুতি পাহৰি যোৱাটো সুস্থ গণতন্ত্ৰৰ লক্ষণ হ'ব নোৱাৰে। অসমৰ ছয় জনগোষ্ঠীৰ ৰাইজে বহু বছৰ ধৰি ধৈৰ্য্য ধৰি অপেক্ষা কৰি আছে। তেওঁলোকৰ ধৈৰ্য্যক দুৰ্বলতা বুলি গণ্য কৰা মোৰ বোধে উচিত নহয়। সেয়েহে, অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই ৰাজ্য চৰকাৰক আহ্বান জনাব বিচাৰো যে কেন্দ্ৰীয় চৰকাৰৰ সৈতে এই বিষয়ত তাৎক্ষণিকভাৱে ফলপ্ৰসূ আলোচনা কৰি জনজাতিকৰণৰ প্ৰক্ৰিয়া আগবঢ়াব লাগে। কেৱল ঘোষণা, প্ৰতিশ্ৰুতি বা বিকল্প ব্যৱস্থা নহয়, এই জনগোষ্ঠীসমূহে যি সাংবিধানিক স্বীকৃতিৰ দাবী কৰি আহিছে, সেই দাবী পূৰণৰ বাবে বাস্তৱসন্মত পদক্ষেপ গ্ৰহণ কৰিব লাগে। অধ্যক্ষ মহোদয়, অসমৰ ছয় জনগোষ্ঠীৰ ৰাইজে নিজৰ ন্যায্য অধিকাৰ বিচাৰিছে। সেই অধিকাৰক সন্মান কৰাৰ দায়িত্ব চৰকাৰৰ। মই আশা কৰোঁ, চৰকাৰে এই বিষয়ত আৰু পলম নকৰি সঠিক পদক্ষেপ গ্ৰহণ কৰিব আৰু জনজাতিকৰণৰ দীৰ্ঘদিনীয়া দাবী বাস্তৱায়নৰ দিশত বিশেষ পদক্ষেপ ল'ব।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় জনজাতি পৰিক্ৰমা ( ভৈয়াম ) বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিব।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোয়ে জানো যে ছয় জনগোষ্ঠীৰ জনজাতি কৰণ এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শ মতে যি মন্ত্ৰী গোট গঠন কৰা হৈছে সেই মন্ত্ৰী গোটে ইতিমধ্যে বিধান সভাতে প্ৰতিবেদন খন উত্থাপন কৰে, দাখিল কৰে আৰু সংশ্লিষ্ট যিসমূহ সংগঠন আছে, তেওঁলোককো ইয়াৰ কপি প্ৰদান কৰে। কিন্তু ইয়াৰ পিছতে ইয়াত যিসমূহ পৰামৰ্শ দিয়া হৈছিল, সমস্যা সমাধানৰ কাৰণে সেই পৰামৰ্শাৱলীৰ সপক্ষে বিপক্ষে বহু সংশোধনী প্ৰস্তাৱ মন্ত্ৰী গোটে গঠন কৰে আৰু মন্ত্ৰী গোটে খুব কম সময়ৰ ভিতৰত যিমানবিলাক প্ৰস্তাৱ আহিছিল, এই প্ৰস্তাৱ বিলাক অধ্যয়ন কৰি মত প্ৰকাশ কৰে যে ইতিমধ্যে আমি প্ৰতিবেদন দাখিল কৰিছো। গতিকে প্ৰতিবেদনৰ মূল যি ''ক'ৰ'' (Core) বিষয়, সেই ''ক'ৰ'' বিষয়ত আমি যি পৰামৰ্শ আগবঢ়াইছো যে দুটা কেটেগ'ৰীৰ অনুসূচীত জনজাতিৰ আমি প্ৰস্তাৱ কৰিছো ST(P), ST(V), কোটা সম্পৰ্কে বিভিন্ন মতমাত দিছিলো। আমি ''ক'ৰ'' বিষয়টোৰ সম্পৰ্কে অহা কোনো সংশোধনী প্ৰস্তাৱ মন্ত্ৰী গোটে গঠন কৰা নাই, আৰু মন্ত্ৰী গোটে এই প্ৰতিবেদনৰ সংশোধনী অস্বীকাৰ কৰে, যে আমি ইয়াত সংশোধনী নকৰো। সংশোধনীৰ সপক্ষেও আহিছিলে, বিপক্ষেও আহিছিলে। কিন্তু ইয়াৰ মাজত অসমৰ দুটা জনগোষ্ঠী মৰাণ আৰু মটক, যি তেওঁলোকৰ জাতীয় সংগঠন সমূহ আছে, সেই জাতীয় সংগঠন সমূহে আমাক জনাই যে মৰাণ আৰু মটক জনগোষ্ঠীৰ সম্পৰ্কে নৃ-গোষ্ঠীগত যিখিনি তথ্য আমি দিছো, অৰ্থাৎ তেওঁলোকৰ ethnographic description বা নৃ-গোষ্ঠীগত বৰ্ণানাত্মক যিখিনি কথা কোৱা হৈছে, তাৰ সংশোধনীত তেওঁলোকে কয় যে এই কথাখিনি ইয়াত এনেধৰণে documentary বা লিপিবদ্ধ হৈ থকাত আমাৰ আপত্তি আছে আৰু সেইখিনি পৰীক্ষা কৰি চাই, লগতে আমাৰ যি Assam Institute of Research for SC and Tribals আছে, তাৰ তথ্যৰ ওপৰতো ভিত্তি কৰি তেওঁলোকৰ পৰামৰ্শ মতেও আমি সেইটো গ্ৰহণ কৰে যে নৃ-গোষ্ঠীগত বৰ্ণানাত্মক মৰাণ আৰু মটক জনগোষ্ঠী সম্পৰ্কে যিখিনি chapter আছে, সেইখিনি সংশোধন হ'ব। আৰু আমি মন্ত্ৰী গোটে সেই সংশোধনীখিনি কৰো কিন্তু ''ক'ৰ'' বিষয়টোৰ যিখিনি পৰামৰ্শ অৰ্থাৎ মূল

জনজাতিকৰণৰ বিষয়টোৰ যিখিনি পৰামৰ্শ, সেইখিনি ইতিমধ্যে বিধান সভাত যি দিয়া হৈছে, সেইখিনিয়ে আছে, তাত আমি কোনো সাল-সলনি কৰা নাই। যিহেতু সংশোধনী হ'ল, সংশোধনী প্ৰস্তাৱ আমি গ্ৰহণ কৰিলো, এতেকে সেইসময়ত আমি এই প্ৰতিবেদন দিল্লীলৈকে নপঠালো, ইয়াৰ পিছত নিৰ্বাচন আহিল, নিৰ্বাচনৰ পিছত এই সংশোধনী প্ৰস্তাৱৰ ওপৰত আমি মাননীয় মুখ্যমন্ত্ৰীৰো অনুমোদন লোৱাৰ কথা আহিল। গতিকে ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মৰাণ আৰু মটক জনগোষ্ঠীয়ে আগবঢ়োৱা সংশোধনী আমি সন্নিবিষ্ট কৰি যিখিনি সংশোধনী কৰিলো, সেইখিনিত অনুমোদন জনাইছে আৰু অনুমোদন জনোৱাৰ পিছত বিভাগীয় প্ৰক্ৰিয়া অনুযায়ী ইয়াক আমি দিল্লীলৈকে প্ৰেৰণ কৰিম ।

দ্বিতীয় কথা এটা মই জনাব বিচাৰো, যে যিদিনাখন জুৱেল ওৰাম ডাঙৰীয়া আহিছিল, তেখেতে প্ৰেছত বাইত দিওঁতে ময়ো লগত আছিলো, তেখেতে জনজাতিকৰণ নাকচ কৰা নাই,

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** জনজাতিকৰণ কেতিয়া হ'ব ? ...

.... সদনত হুলুস্থুল ....

**ডাঃ ৰণোজ পেগু, জনজাতি পৰিক্ৰমা ( ভৈয়াম) মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় মন্ত্ৰী জুৱেল ওৰাম ডাঙৰীয়াক যেতিয়া সাংবাদিকে সুধিছিল যে এইবাৰ অধিবেশনত বিলখন আহিব নেকি ? তেতিয়া তেখেতে কৈছিল যে এইবাৰ বিলখন অহাৰ সম্ভৱনা নাই, পৰৱৰ্তী পৰ্য্যায়ত আহিব।

দ্বিতীয় কথাটো হ'ল, মিউজিয়ামটো ইয়াৰ লগত থকা বিষয় নহয়, মিউজিয়াম এটা বেলেগ বিষয় আৰু জনজাতিকৰণ এটা বেলেগ বিষয় । বহু দিনতে আমি কেন্দ্ৰীয় চৰকাৰক এটা প্ৰস্তাৱ দি ৰাখিছিলো যে অসমত জনজাতীয় মিউজিয়াম, যেনেকৈ মধ্যপ্ৰদেশত বনাইছে, আমাক জনজাতীয় মিউজিয়াম .....

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** আপোনালোকৰ প্ৰধানমন্ত্ৰীয়ে কলাইগাঁৱত আহি ছয় জনগোষ্ঠীৰ জনজাতিকৰণ হ'ব বুলি কৈছিল ছয় মাহৰ ভিতৰত, কেতিয়া হ'ব ১১ বছৰ পাৰ হৈ গ'ল।

....সদনত হুলুস্থুল....

**মাননীয় অধ্যক্ষঃ** অখিল গগৈ আপুনি বহক।

**ডাঃ ৰণোজ পেগু, জনজাতি পৰিক্ৰমা ( ভৈয়াম) মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু যেতিয়া সাংবাদিকে এই কথাটো জানি পেলাই প্ৰশ্ন কৰিছিল জুয়েল ওৰাম ডাঙৰীয়াক যে অসম চৰকাৰে প্ৰস্তাৱ কৰা জনজাতীয় মিউজিয়াম অসমত হ'ব নেকি ? তেখেতে ইতিবাচক উত্তৰ দিছে যে অসমত জনজাতি মিউজিয়াম এটা প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে সকলো সহযোগিতা আগবঢ়াব। ধন্যবাদ।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, চেঙাঃ** মাননীয় অধ্যক্ষ মহোদয়, জনজাতিকৰণটো নিৰ্বাচনৰ আগতে .......

----- সদনত হুলুস্থুল...

**মাননীয় অধ্যক্ষ** :Please sit down.

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো হ'ল, ২০১৯ চনত লোকসভা আৰু ৰাজ্যসভাত জনজাতিকৰণৰ বিল উত্থাপন কৰা হৈছিল। ২০১৯ চনত এই বিল উত্থাপন কৰাৰ পিছতো আকৌ মন্ত্ৰীগোটৰ প্ৰতিবেদন কিয় দৰকাৰ হ'ল? লোকসভা আৰু ৰাজ্যসভাত উত্থাপন কৰা সেই বিলখন এতিয়ালৈকে কিয় পাছ কৰা নহ'ল? কেতিয়াৰ ভিতৰত জনজাতিকৰণৰ প্ৰক্ৰিয়াটো সম্পন্ন হ'ব, সেই কথাটোৰ উত্তৰ লাগে।

**মাননীয় অধ্যক্ষ :**Please sit down. মাননীয় মন্ত্ৰী ডাঙৰীয়াই এটা কথা কৈছে যে জুৱেল ওৰাম ডাঙৰীয়া যেতিয়া ইয়ালৈ আহিছিল, তেতিয়া তেওঁ কৈছিল যে

আগন্তুক দিনত এই বিষয়টো নিশ্চিতভাৱে আহিব বুলি কৈছে, তেখেতে এইটো অস্বীকাৰ কৰি যোৱা নাই । গতিকে আপোনালোকে বাতৰি কাকতৰ উদ্ধৃতি দি পেলাই বিষয়টো লগাই এটা বেলেগ বিষয় আনিছে , যি কি নহওঁক । এতিয়া কাৰ্য্যসূচী নং ৪, বাজেটৰ ওপৰত সাধাৰণ আলোচনা।

(সেদনত হুলস্থূল। জনজাতিকৰণৰ বিষয়টোক লৈ সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয় আৰু একাংশ বিৰোধী বিধায়কে সদন ত্যাগ কৰে।(

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্যসূচী নম্বৰ ৪, ২০২৬চনৰ বাজেটৰ ওপৰত ২৭-সাধাৰণ আলোচনাৰ বাবে মই মাননীয় বিধায়ক ড° জয় প্ৰকাশ দাসক বক্তব্য ৰাখিবলৈ অনুৰোধ জনাইছোঁ।

...সদনত হুলস্থূল...

**মাননীয় অধ্যক্ষ:** এতিয়া Item No. 4 – General Discussion on the Budget 2026–27. ড° জয় প্ৰকাশ দাসক বাজেটৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো ।

....সদনত হুলস্থূল...

**মাননীয় অধ্যক্ষঃ** , কংগ্ৰেছ দলৰ ড° জয় প্ৰকাশ দাসক বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো। তেখেত সদনত উপস্থিত নাই।

এতিয়া কংগ্ৰেছ দলৰ নুৰুল হুদা ডাঙৰীয়াক বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো। তেখেতো অনুপস্থিত।

এতিয়া AIUDF দলৰ মঃ বদৰুদ্দিন আজমল ডাঙৰীয়াক বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিলো।

**মঃ বদৰুদ্দিন আজমল, বিন্নাকান্দিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমে মাননীয় মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াক ধন্যবাদ জনাইছোঁ যে প্ৰথমবাৰৰ বাবে তেখেতে খুব ভালকৈ বাজেট দাখিল কৰিছে। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত

বিশ্ব শৰ্মা ডাঙৰীয়াকো মই ধন্যবাদ জনাইছোঁ যে তেখেতেও ইয়াক সমৰ্থন কৰিছে। মই প্ৰথমে, as anagarwood বেপাৰী, I want to thank মাননীয় মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়া আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়, যে তেখেতসকলে এটা নতুন কানুন আনিছে যিটো Sainthia municipality কংগ্ৰেছে অনা নাই, আনিবলৈ দিয়া নাই। আমাৰ বেপাৰটো ধ্বংস হৈ গৈছে। ইয়াত লাখ লাখ মানুহ ইয়াৰ লগত জড়িত আছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই আনিছে, পীযুষ হাজৰিকা দেৱে আনিছে, এইটোৰ কাৰণে I am very much grateful and thankful to all of them. Number Two, আমাৰ অসম কৃষি প্ৰধান এটা ৰাজ্য। কৃষিৰ কাৰণে যি টকাটো ৰাখিছে, Sir, মই আনিছোঁ। পাঞ্জাৱত আপোনালোকে দেখিব, আমাৰ অসমত ৰাখিছে only 2 percent. 2 percent, what is this? 2 percent ত কি হ'ব, আমাৰ কৃষক বৰবাদ হৈ যাব। পাঞ্জাৱে ৰাখিছে ১৮ শতাংশ, ৰাজস্থানে ৰাখিছে ২৫ শতাংশ আৰু আপুনি অলপ চাওক এক, দুই, ২ শতাংশত কি হ'ব ? এইটো কৈছো কিয় 1,789 crore Agriculture ৰ বাবে এইটো মই আনিছোঁ First, because we are an Agriculture State. আমাক এইটোলৈ চাব লাগিব। Number Two, Welfare of Minorities. Sir, Minorities को आपने भीख दिया है, पैसा दिया। I am very, very sorry to say आपने 60 percent per annum, 60 percent per annum, মাননীয় অধ্যক্ষ আপুনি অলপ ৰব, ছাৰ আপুনি বহিলে মোৰ অলপ ভাল লাগিব। ছাৰ আপুনি থাকিলে মোৰ ভাল লাগিব।

**মাননীয় অধ্যক্ষ** : উপাধ্যক্ষ ডাঙৰীয়া আসনত থাকিব। (আসনত উপাধ্যক্ষ মহোদয়)।

**মঃ বদৰুদ্দিন আজমল (বিন্নাকান্দি):-** Thank you, thank you. No problem. আপুনি কি দিছে মই দেখিছো per person 60 Rs. per person, Per annum, এইটো ভিক্ষাও নহয় ছাৰ, আজি কালি পইচা ৫০ টকা ৫০ পইচা যদি ৰাস্তাত কোনো ভিক্ষাৰীকো দিয়ে প্ৰায়ে পেলাই দিব। এই minority কোনো দিনে

কোনো community ত আছিল নে নাই সেইটো আপোনালোকে আগতে কওঁক। Do you agree that minorities communities is there, 60 paisa ভিক্ষাৰীকো নিদিয়ে ছাৰ প্ৰতিমাহে। ৫ টকা জয়ন্ত ভাই what is this 5 rupees per person মন্ত্ৰী ডাঙৰীয়া, এইটো মই কৈছো । Number Three, Flood and Erosion, অসমৰ আটাইতকৈ ডাঙৰ সমস্যা। Riverbank erosion has been eroded as issued in the State for last 6 decades. 6 decades পাৰ হৈ গ'ল। Congress government ने 6 decades में हमारे लिए कुछ नहीं किया। Flood and Erosion ৰ ওপৰত। Congress have to reply, Congress কো जवाब देना पड़ेगा। House में जवाब देना पड़ेगा। যোৱা ৬০ বছৰ সময়ছোৱাত তেওঁলোকে আমাৰ বাবে একো কৰা নাছিল। उन्होंने हमें भिखारी बना दिया। भिखारी बना दिया। এতিয়া আপুনি Karimganj যাওক, গোৱালপাৰা যাওক, Dhubri যাওক, Mankachar যাওক, Barpeta যাওক, Nagaon যাওক, उन्होंने लोगों को भिखारी बना दिया। भिखारी बना दिया। More than 8444.27 lakh hectares নষ্ট হৈ গ'ল। And the frequency of rain in the last 60 years ত millions of families are affected in the district of Dhubri, Barpeta, Goalpara, Bongaigaon, South Salmara, Mankachar, Nagaon, you can go and see. Sir, I am requesting all the members to go and see. কি হৈ আছে। Our demand is, provide a piece of land. সকলো নষ্ট হৈ যায়। Congress government ने हमें 60 years में जमीन ৰ পট্টা भी नहीं दिया। পট্টা भी नहीं दिया। মই Minister ডাঙৰীয়াক ক'ম, অন্তত এই বিষয়ত আমাৰ Chief Minister ৰ ডাঙৰ হৃদয় আছে। हम लोगों को, जो landless हैं, एक टुकड़ा जमीन दीजिए। उनको एक पट्टा दीजिए। আজি তেওঁলোক গোটেই পৃথিৱীত ভিখাৰীৰ দৰে ঘূৰি ফুৰিছে। Bangalore, Madras, Bombay ত अब जाइए Sir, देखिए वो क्या कर रहे हैं। किसी को पता नहीं। और आप लोग उनको Bangladesh भेजते हैं। তেওঁলোক असम के लोग हैं, असम के लोग हैं, Every people, each and every child, they are Indian. Industry and commerce যদি নহয় Sir, নিবনুৱা সমস্যা সমাধান নহ'ব। और Assam का सबसे बड़ा समस्या है নিবনুৱা সমস্যা।

इसको दूर करिए, सारी चीजें बंद हो जाएगी। Terrorism बंद हो जाएगा, extortion बंद हो जाएगा, dacoity बंद हो जाएगी, चोरी बंद हो जाएगी। आपने सिर्फ 2 lakh लोगों को नौकरी देने की बात किया है। Sir, क्या है, ऊँट के मुँह में जीरा। जीरा भी नहीं होता, Sir। 2 lakh नहीं, आप इसको 50 lakh कीजिए, 1 crore कीजिए। Industry को growth कीजिए। हमसे बात कीजिए, हम लोगों को बुलाइए। हम आपके साथ खड़े रह सकते हैं। We will sit with you. Industry ৰ সম্পৰ্কত। যদি মই tax-ৰ কথা কওঁ, Mr. Sirajuddin য়ে, Mr. Pradyut Bordoloi Sahib সন্মুখত বহি আছে। He was then Minister. कितना बड़ा-बड़ा program किया उनके लिए, लेकिन তৰুণ গগৈ চাহাবে होने नहीं दिया। एक दूसरे Minister के पीछे थे, जो Muslim है, unfortunately उन्होंने इसको होने नहीं दिया। आज लोग भिखारी  हो रहे हैं, लाखों लोग बर्बाद हो रहे हैं। Sir, I am very much grateful to you for this oppurtinity. তাৰ পিছত Education, Sir, Education ত কিমান মন্ত্ৰীৰ লগত কথা পাতিলো, মই বিচাৰো Education Minister Sahib इस पर ध्यान दें। अगर नीचे से आप Education को मजबूत नहीं करोगे, Sir, इस मुल्क का, इस देश का भला होने वाला नहीं है। कोई बाहर से नौकरी देने आने वाला नहीं है, कोई लेने वाला नहीं है, कोई जाने वाला नहीं है। लोगों को नौकरी देने के लिए Education दीजिए, and one of the best of the best Education दीजिए। ये मेरा demand है, Sir, इस मामले के अंदर। Skill Development নহ'লে এই কাম কেনেকৈ হ'ব? आप Skill Development दीजिए, सिखाइए। যি গৰাকীয়ে Minister আছে, মই Minister Sahibক ক'ম, इसको recommend करें। তাৰ পিছত Healthcare.  Healthcareত আজি আমাৰ মহিলাসকলৰ healthcareৰ অৱস্থা কি? वो सोचने के लायक है, शर्म की चीज है। আমি চিন্তা কৰিব লাগিব আমাৰ women empowerment নাই, ক'ৰবাত healthcare নাই,  সন্তান যেতিয়া জন্ম হয়।

**माननीय উপাধ্যক্ষ** :-  Please conclude.

**মঃ বদৰুদ্দিন আজমল (বিন্নাকান্দি):-**  Sir, please, please, please.  ছাৰ, সমাপ্তই হ'ব। Harassment of Indian citizens in the name of Bangladeshi.

Pushback, এইবোৰ বন্ধ হ'ব লাগে। উচ্ছেদ যি সকলক কৰা হৈছে তেওঁলোকক মাটি দিব লাগে। Why they are doing this Uchhed? Are they Bangladeshi? No, they are not Bangladeshi. अगर एक भी Bangladeshi है, इसको आप खदेड़ो। We don't have any problem. We don't have any objection, Sir. Sir, इनको Uchhed ऐसा मत करिए। इंसानियत का ख्याल करिए। कहाँ जा रहे हैं? इनके बच्चे कहाँ जा रहे हैं? बच्चे कहाँ पढ़ेंगे? इनका life बर्बाद हो जाएगा, Sir. তাৰ পিছত Illegal Pushback. इसको बोलना तो पड़ेगा ही। आज का सबसे बड़ा issue Illegal Pushback है। मैंने बहुत लंबा नहीं लिया। Illegal Pushback को आपको बंद करना पड़ेगा। Pushback करिए, Bangladeshi है, you do it, we are with you, we will support you. लेकिन not illegal, Legally करिए। Bangladesh से बात करिए, उनके लोगों से, उनको agree करने दीजिए। हाँ, these are our citizens, then you pack them, then you send them by train, by plane. Why this theft? No. Chora-Chori will not work, we will not accept, sir আৰু আজিকালি,মই কালি ২ দিনৰ পৰা নগাঁৱৰ পৰা খবৰ পাই আছো Sir. ছাৰ, এইটো note কৰিব আপুনি, যিজন মন্ত্ৰীয়ে থাকে যিজনক পুলিচে লৈ যায়, হাতত ছাপা মাৰি দিয়ে, মাৰাৰ পিচত কয় তুমি বাংলাদেশত যোৱা, এইটো নহ'ব ছাৰ। এইটো নচলিব। জুলুম, অত্যাচাৰ এইটো আমি বন্ধ কৰিব লাগিব আপোনালৈ এইটোৰ ওপৰত অনুৰোধ থাকিল।

**माननीय उपाध्यক্ষ** :- Please conclude.

**মঃ বদৰুদ্দিন আজমল (বিন্নাকান্দি):-** Sir, মোক কোৱাৰ কাৰণে time দিছে। সেইটোৰ কাৰণে I will be very much grateful to you. Thank you, Sir.

**মাননীয় উপাধ্যক্ষ** :- Thank you. এতিয়া মাননীয় সদস্য মানব ডেকা।

**শ্ৰীমানব ডেকা, (লখিমপুৰ)** :- ধন্যবাদ উপাধ্যক্ষ মহোদয়, এই বাজেট বিতৰ্কত ভাগ ল'বলৈ দিয়াৰ কাৰণে। মই প্ৰথমতে অসমৰ মুখ্যমন্ত্ৰী Dr. Himanta Biswa Sarma আৰু আমাৰ Finance Minister Jayanta Malla Baruah

ডাঙৰীয়াক ধন্যবাদ দিব বিচাৰিছোঁ, যিখন আমাৰ সপোনৰ অসম বুলি আমি কল্পনা কৰোঁ, সেই বস্তুবিলাক বাজেটত প্ৰতিফলিত হোৱাৰ কাৰণে। মই গোটেই বাজেটখনৰ ওপৰত নকওঁ, মই দুটা বিশেষ বস্তুৱে মোক আকৰ্ষণ কৰিছে। এটা হ'ল Semiconductor আৰু আনটো হ'ল আমাৰ Aviation Maintenance, Repair and Overhaul (MRO) Facility যি কৰিবলৈ অসমে গৈ আছে। উপাধ্যক্ষ মহোদয়, আধুনিক যুগত বা আধুনিক বিশ্বত Semiconductorক 21st century oil বুলি কোৱা হয়। যেনেকৈ বিংশ শতিকাত আমাৰ petroleum oilৰ যি মূল্য আজি Semiconductorৰ মূল্য তাতকৈ বহুত বেছি হৈ গৈছে। পৃথিৱীৰ কোনো বস্তুৱে Semiconductor বা Microchip নোহোৱাকৈ আজি চলিব নোৱাৰে, পৃথিৱী অচল হৈ যাব। আনকি মই ভাষণ দি থকা micটোও নচলিব। আজি এইখন চৰকাৰে যি Semiconductor ecosystem কৰিব বিচাৰিছে অসমত ই কেনেকুৱা ধৰণৰ সম্ভাৱনাৰ দুৱাৰ খুলিব, সেইটো কথা আমাৰ বিৰোধী দলৰ যি সকলে গনেশগুৰিত গৈ Facebook লাইভ কৰে তেওঁলোকে এইটো উপলব্ধি কৰিব নোৱাৰিব যে অসমে আমি কি পাবলৈ গৈ আছো আৰু তেওঁলোকৰ এই ধৰণৰ কথাৰ পৰা কি হেৰুৱাবলগীয়া হ'ব পাৰে। আজি ইতিমধ্যে মুখ্যমন্ত্ৰী মহোদয়ে টাটাৰ লগত জাগীৰোডত Semi Conductor প্ৰকল্প আৰম্ভ কৰিছে আৰু দুটা তিনিটা কথা তেওঁ পাতি আছো বুলি কৈছে। মোৰ আস্থা আছে মোৰ বিশ্বাস আছে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে সেয়াও সম্ভৱ কৰি তুলিব। Semi Conductor বুলিলে আমি যে কেবল উদ্যোগটোতে সীমাবদ্ধ থাকিম তেনে নহয়। ইয়াৰ লগত আৰু বিভিন্ন উদ্যোগ জড়িত হৈ আছে। যেনেকৈ ইয়াৰ পৰা উপকৃত হ'ব eco system টো হ'ব, chemical supply উপকৃত হ'ব, packaging unit হ'ব, testing lab থাকিব, research on engineering থাকিব, logistic, industrial gas supply, machine servicing এইখিনি কেবল Semi Conductor ৰ লগত জড়িত। আমি গম পাইছো যে তাত প্ৰায় ২০,০০০ ত কৈও অধিক যুৱক সংস্থাপিত হ'ব। যিসময়ত বিৰোধী দলে কৈ থাকে যে আমাৰ লৰা কিয় হায়দৰাবাদত গৈছে, কিয় তামিলনাডুত গৈছে, কিয় কেৰেলাত গৈছে আৰু আমাৰ ইয়াত Industry হ'বলৈ

হ'লে অদ্ভুত বিষয় লৈ face live কৰে। আজি যদি Semi Conductor ৰ শিপাডাল অসমত Conductor Industry গঢ়ি উঠিব, তেতিয়া সেই Semi Conductor Chip ইয়াৰ পৰা বেলেগ ঠাইৰ factory লৈ নি আশে-পাশে মোবাইলৰে হওঁক, যিকোনো Electronic-TV হওঁক, Computer হওঁক, আজিকালি সকলোবিলাক গাড়ীত electronic ব্যৱস্থা আছে পুতিব পৰা হয়, আজি টাইৱানে পৃথিৱীৰ সকলোতকৈ বেছি Semi Conductor ব্যৱহাৰ কৰে । তাৰ বিনিময়ত আজি Apple iPhone ভাৰতবৰ্ষতো আৰম্ভ হৈছে, চেন্নাইত তাৰ manufacturing আৰম্ভ হৈছে। যেতিয়া আমাৰ ইয়াত Semi, সেইবিলাকত navigation ৰ কাৰণে হওঁক, এই দিশত কিমান সম্ভাৱনাৰ দুৱাৰ খুলিব, সেই কথা এই বিধান সভাত প্ৰত্যেকজন সদস্যই উপলব্ধি কৰা উচিত। কেৱল বিৰোধীতাৰ নামত বিৰোধীতা কৰি আমাৰ অসমত যি ঠন ধৰি উঠা এক ঔদ্যোগিক ব্যৱস্থা, সেই ব্যৱস্থাক যাতে কোনেও আঘাত নকৰে। আজি যদি অসমত Semi Conductor eco system ৰ জৰিয়তে আমি যদি এই ধৰণৰ  উদ্যোগবিলাক আনিব পাৰো, তেতিয়া উপাধ্যক্ষ মহোদয়, হাজাৰ হাজাৰ লৰা তাত সংস্থাপিত হ'ব। বিশ্বৰ বিভিন্ন দেশৰ পৰা যেতিয়া মানুহ আহিব, তেওঁলোকে উপলব্ধি কৰিব যে আমাৰ অসমৰ potential কি। তাৰ দ্বাৰা tourism উপকৃত হ'ব। এটা hotel industry উপকৃত হ'ব। Employment হ'বই, তাৰ লগতে আনুসংগিক বিভিন্ন উদ্যোগ গঢ় লৈ উঠিব । সেইকাৰণে মই অনুৰোধ জনাইছো মুখ্যমন্ত্ৰী মহোদয়ক যে যিমান পাৰে সিমান এই ধৰণৰ industry আমাৰ ইয়াত আনিব লাগে।

দ্বিতীয়তে, লখিমপুৰ জিলাৰ পৰা মই প্ৰতিনিধিত্ব কৰো । আমাৰ তাত লীলাবাৰী নামেৰে এটা Airport আছে, তাত এখন plane চলে । আমাৰ passenger নথকাৰ কাৰণে discontinue হৈ গ'ল কিন্তু কলিকতালৈ দৈনিক এখন জাহাজ চলে। Airport এটা চলিলেও যিমান খৰছ, নচলিলেও সিমান খৰছ। আমি বহুত লাগি কেন্দ্ৰীয় চৰকাৰৰ পৰা তাত এতিয়া এটা flying school চলি আছে য'ত commercial pilot ৰ training হয়, এতিয়া তাত ৫৪ জন pilot এ training লৈ আছে। এতিয়া মই বাজেটত দেখিছো যে maintain and repairing

overhead system কৰিব বিচাৰিছে । তেনেকুৱা facility কৰিবলৈ হ'লে commercial flight ৰ যদি যিমান কম traffic হ'ব, সিমান viable হয় কাৰণ plane এখন তাত repairing কৰাব লাগিব, servicing কৰাবলৈ আনিব। গতিকে মই আশা কৰো যে সেই eco system টো যেতিয়া আমাৰ ইয়াত হ'ব তেতিয়া গোটেই অসমখন আগবাঢ়ি গুছি যাব । মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে শান্তি অবিহনে একো নহয়। আজি অসমত শান্তিৰ বাতাবৰণ, সশস্ত্ৰ সংগ্ৰাম নাই, আন্দোলন নাই কিন্তু এটা নতুন বাতাৱৰণ, এটা নতুন সন্ত্ৰাসৰ আৰম্ভ হৈছে । সেই সন্ত্ৰাসবাদী সকল হৈছে Facebook ৰ সন্ত্ৰাসবাদী । এই সন্ত্ৰাসবাদী সকলে সচাঁই মিছাই যিকোনো কথা Facebook ত দি ভাৰতবৰ্ষৰ লগতে গোটেই পৃথিৱীত দি আমাৰ অসম খনৰ বিষয়ে এটা বেলেগ ধাৰণা আনিবলৈ চেষ্টা কৰে । গতিকে সেই সন্ত্ৰাসবাদী সকলকো দমন কৰিব লাগে যাতে আমাৰ অসমৰ বিষয়ে এটা ভাল message যায়। আমাৰ বিৰোধী দলৰ অখিল গগৈ ডাঙৰীয়াই যোৱাকালি বোৰ্খা পিন্ধি আহিছিলে । মই তেখেতক কৈছো অখিল গগৈ ডাঙৰীয়াও Semi Conductor ৰ brand ambassador হওঁক, ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াও brand ambassador হওঁক। মই মুখ্যমন্ত্ৰী মহোদয়ক শেষত হাত যোৰ কৰি অনুৰোধ জনাইছো যে আদানী-আম্বানী যিমান businessman আছে তেওঁলোকক অসমলৈ আনক।  মোৰ লখিমপুৰলৈ যদি আনে, মই গায়ন-বায়ন দি তেওঁলোকক আদৰি লৈ যাম। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ । এতিয়া পৰৱৰ্তী সদস্য ৰূপেশ গোৱালা । আপোনাৰ সময় ৫ মিনিট।

**শ্ৰী ৰূপেশ গোৱালা, (ডুমডুমা)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১০ তাৰিখে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত নতুনকৈ দায়িত্ব লোৱা সন্মানীয় মন্ত্ৰী জয়ন্ত মল্ল ডাঙৰীয়াই বিধান সভাৰ মজিয়াত ২০২৬-২৭ বৰ্ষৰ বাজেট উপস্থাপন কৰাৰ বাবে তেখেতক শুভেচ্ছা জনাইছো। এখন বাজেটৰ পৰা সৰ্বসাধাৰণ ৰাইজে যিটো বিচাৰে, ৰাইজৰ আশা-আকাংক্ষা

আৰু সপোনবিলাক বাস্তৱায়িত হোৱাৰ কথাটো সদায় ৰাইজে কামনা কৰে। এই বাজেটখনে মই ভাৱো সেই বিষয়ত আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত নিজকে উপস্থাপন কৰিবলৈ সক্ষম হৈছে। এটা সুন্দৰ road map ৫ টা বছৰত এই চৰকাৰখনে কেনেদৰে কাম কৰিব সকলো স্তৰৰ ৰাইজক সকলো বিষয় সাঙুৰি কেনেদৰে কাম কৰিব তাক সম্পূৰ্ণৰূপে দাঙি ধৰিব পাৰিছে। মই ভাৱো যে এইখন এখন inclusive budget. যিখন বাজেটে সকলোৰে কল্যাণ সাধিব পাৰিব। এইখন বাজেটত বাজেটৰ revenue expenditure আৰু বাজেটৰ revenue income সমান হৈছে যিটোৱে মই ভাৱো অহা দিনবিলাকত অসমক আৰ্থিকভাৱে সবল হোৱাৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাব। এইখন বাজেটত per capita income 2015-16 ৰ তুলনাত তিনিগুণ বৃদ্ধি কৰি ১.৮৫ লাখলৈ বৃদ্ধি কৰাৰ কথা কোৱা হৈছে যিটো অসমৰ দৰে এখন ৰাজ্যৰ কাৰণে খুব ডাঙৰ কথা। আমাৰ যিবিলাক জনকল্যাণমূলক আঁচনি –অৰুণোদয়, নিযুত মইনা, বাবু আঁচনি বা এনেকুৱা ধৰণৰ যিমানবিলাক চৰকাৰৰ flagship programmeআছে, সেই সকলোবিলাক programme ৰ যোগেদি আজি লাখ-লাখ দুখীয়া লোকসকলক সহায় কৰাৰ কাৰণে চৰকাৰে কাম কৰি আছে। এই কাম বিলাকৰ বাবে চৰকাৰে ৬,০০০ কোটি টকা এই বছৰটোত খৰছ কৰাৰ কাৰণে বাজেটত পুঁজি ধাৰ্য্য কৰিছে। এইটো অসমৰ দৰে এটা সৰু ৰাজ্যৰ কাৰণে ডাঙৰ কথা। মই ভাৱো এই কামে দুখীয়া লোকসকলক আৰু needy লোকসকলক যথেষ্ট উপকৃত কৰিব, তেওঁলোকক আগুৱাই লৈ যোৱাত সহায় হ'ব। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত বিধান সভা নিৰ্বাচনৰ পূৰ্বে কোৱা হৈছিল যে ২ লাখ নিযুক্তিৰে অসমত নিবনুৱা লোকসকলক সংস্থাপনৰ এটা ব্যৱস্থা কৰা হ'ব। এই বাজেটত সেই কথাটোৱে স্থান পাইছে। যোৱাবাৰ ১ লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতি আছিল। ১ লাখ নিযুক্তিৰ ঠাইত ১.৫ লাখতকৈও অধিক যুৱ-যুৱতীয়ে চৰকাৰী চাকৰি পাবলৈ সক্ষম হয়। এইবাৰ ২ লাখ নিযুক্তিৰ যোগেদি পুনৰ যুৱক-যুৱতীসকলক সংস্থাপন দিয়াৰ কাৰণে এই বাজেটত স্পষ্টভাৱে কোৱা হৈছে। সমানে CMAAA ৰ যোগেদি অহা ৫ টা বছৰত ১০ লাখ যুৱক-যুৱতীক

সংস্থাপন দিয়াৰ কাৰণে, আত্মনিৰ্ভৰ কৰাৰ কাৰণে চৰকাৰে পৰিকল্পনা হাতত লৈছে। মই ভাবো এই নিবনুৱা যুৱক-যুৱতী সকলৰ মাজত স্বাৱলম্বী হোৱাৰ এটা ডাঙৰ অধ্যায় আৰম্ভ কৰিব । মাননীয় উপাধ্যক্ষ মহোদয়, অসমত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত যেতিয়া শান্তি প্ৰতিষ্ঠা হ'ল, আন্দোলন, ধৰ্ণা, বন্ধ বিৱৰ্জিত অসম যেতিয়া প্ৰতিষ্ঠা হ'ল, তাৰ পৰৱৰ্ত্তী সময়ত Advantage Assam 2.0 ৰ যোগেদি এটা ডাঙৰ ঔদ্যোগিক revolution আৰম্ভ হৈছে। এই ঔদ্যোগিক revolution যোগেদি প্ৰায় ৩ লাখ কোটি টকাৰ বিনিয়োগ অসমত সম্ভৱ হৈছে। বিভিন্ন ধৰণৰ উদ্যোগ, কল-কাৰখানা আদি প্ৰতিষ্ঠা হৈছে। এই উদ্যোগ, কল-কাৰখানা সমূহত ১ লাখৰো অধিক যুৱক-যুৱতী কৰ্ম-সংস্থাপন পোৱাৰ সুযোগ পাইছে । মাননীয় উপাধ্যক্ষ মহোদয়, অসমত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত যেতিয়া শান্তি প্ৰতিষ্ঠা হ'ল, আন্দোলন, ধৰ্ণা, বন্ধ্ বিবৰ্জিত অসম যেতিয়া প্ৰতিষ্ঠা হ'ল তাৰ পৰৱৰ্তী পৰ্য্যায়ত Advantage Assam 2.0 ৰ যোগেদি এটা ঔদ্যোগিক ৰিভলোশ্যন আৰম্ভ হৈছে। এই ঔদ্যোগিক ৰিভলোশ্যনৰ যোগেদি প্ৰায় ৩ লাখ কোটি টকাৰ বিনিয়োগ অসমত সম্ভৱ হৈছে। বিভিন্ন ধৰণৰ উদ্যোগ, কল-কাৰখানা আদি প্ৰতিষ্ঠা হৈছে আৰু এই উদ্যোগ, কল-কাৰখানা সমূহত ১ লাখৰো অধিক যুৱক-যুৱতীয়ে কৰ্মসংস্থাপন পোৱাৰ সুযোগ পাইছে। মই ভাৱো এইটো এটা সুন্দৰ আৰম্ভণি। আগন্তুক দিনবিলাকত, অসমত আমি যেনেধৰণৰ এটা পৰিবেশ পাইছো, সেই পৰিবেশে আৰু বহু উদ্যোগ, কল-কাৰখানা প্ৰতিষ্ঠা হোৱাৰ ক্ষেত্ৰত বাট মুকলি কৰিব আৰু বহু যুৱক-যুৱতীয়ে কৰ্ম সংস্থাপনৰ সুযোগ পাব। আজি Advantage Assam ২.০ ৰ যোগেদি যেনেদৰে উদ্যোগ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছে, সমানে কিন্তু আমাৰ অসমৰ যিবিলাক পুৰণি উদ্যোগ তাৰ ওপৰতো সমানে গুৰুত্ব দিয়া হৈছে। আজি চাহ উদ্যোগ অসমৰ এটা পুৰণি উদ্যোগ আৰু বহু লোকক এই উদ্যোগে সংস্থাপন দি আহিছে। এই উদ্যোগটোৰ ওপৰত বিশেষ ভাৱে গুৰুত্ব প্ৰদান কৰি Orthodox চাহ উৎপাদন কৰা যি সকল বাগিচা আছে তেওঁলোকে পূৰ্বৰ অসম চৰকাৰৰ যি চাবচিডি আছিল ১০ টকা তাক বৃদ্ধি কৰি ১৫ টকা কৰা হৈছে৷ সমানে যিসকল

চাহ বাগিচাই CTC চাহ উৎপাদন কৰে , ৰপ্তানিযোগ্য যি  CTC চাহ, সেই CTC চাহৰ ওপৰত ৩ টকাকৈ প্ৰতি কেজি দিয়াৰ কাৰণে চৰকাৰে ব্যৱস্থা হাতত লৈছে । কেৱল সেয়াই নহয়, অসমৰ চাহ উদ্যোগক যেনেদৰে গুৰুত্ব দিয়া হৈছে, অসমৰ ৰেচম উদ্যোগকো, অসমৰ যি আমাৰ বস্ত্ৰ শিল্প তাকো সমানে গুৰুত্ব দি ‘চেনেহজৰী’ নামেৰে এটা আঁচনি যুগুত কৰি ৪ শ কোটি টকা ধাৰ্য্য কৰি আগন্তুক দিনবিলাকত কাম কৰাৰ কাৰণে চৰকাৰে পৰিকল্পনা হাতত লৈছে । মাননীয় উপাধ্যক্ষ মহোদয়, মই দুটা বিশেষ গুৰুত্বপূৰ্ণ  কথা উল্লেখ কৰিব খুজিছো । প্ৰথম গুৰুত্বপূৰ্ণ কথাটো হ’ল যে আমি  অসম শক্তি উৎপাদনৰ ক্ষেত্ৰত সদায় লোকৰ ওপৰত নিৰ্ভৰ হ’বলগীয়া হৈছিল । কিন্তু আজি অসমৰ দৰে এখন ৰাজ্যত ৭৭ হাজাৰ কোটি টকা বিনিয়োগৰ যোগেদি শক্তি উৎপাদনৰ ক্ষেত্ৰত স্বাৱলম্বী হোৱাৰ কাৰণে চৰকাৰে পৰিকল্পনা কৰি আগবাঢ়িব খুজিছে। ই আমাৰ বাবে খুবেই সুন্দৰ কথা, আমাৰ বাবে খুবেই আদৰণীয় কথা । সমানেই আৰু এটা কথা মই উল্লখ কৰিব খুজিছো সেইটো হ’ল স্বাস্থ্য খণ্ড । স্বাস্থ্যখণ্ডত NHM ৰ যোগেদি, ১০৮ ৰ যোগেদি বিভিন্ন সময়ত revolution আহিছে । কিন্তু সকলোতকৈ ডাঙৰ সমস্যা আছিল স্বাস্থ্য খণ্ডত man power আৰু সেই  man power ৰ নাটনি দূৰ কৰাৰ কাৰণে অহা ৫ টা বছৰত প্ৰায় ৩৩ হাজাৰ নিযুক্তিৰ যোগেদি উপ-স্বাস্থ্য কেন্দ্ৰ সমূহতো  MBBS ডাক্তৰ যোগান ধৰাৰ যি পৰিকল্পনা চৰকাৰে হাতত লৈছে, সঁচা অৰ্থত দুখীয়া ৰাইজ সকল ইয়াৰ যোগেদি যথেষ্ট উপকৃত   হ’ব । বাজেটত আদৰণি জনাবলগীয়া বহু বিষয় আছে, বহু কথাই বাজেটত স্থান পাইছে আৰু মই ভাৱো অহা ৫ টা বছৰত চৰকাৰখনে যেনদৰে কাম কৰিম বুলি ভাবিছে তাক সম্পূৰ্ণৰূপে তাক দাঙি ধৰিবলৈ সক্ষম হৈছে । বাজেটক সমালোচনা কৰিবলৈ গৈ আমাৰ বিৰোধী দলৰ  দলপতি ডাঙৰীয়াই কথা এটা কৈছে যে  এইখন খালী বাকচ । কিন্তু এই খালী বাকচতে গোটেইখিনি কথা সোমাই থকাৰ  লগতে আমাৰ বিধায়ক সকলৰ যি এলেকা উন্নয়ন পুঁজি সেই ডেৰ কোটি টকাও সোমাই আছে । গতিকে এইটো কেতিয়াও খালী বাকচ হ’ব নোৱাৰে। আমি চোৱাৰ দৃষ্টিভংগী সলনি কৰিব লাগিব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া মাননীয় সদস্য ধৰ্মেশ্বৰ ৰয়।

**শ্ৰী ধৰ্মেশ্বৰ ৰয় (বজালী)**ঃ সন্মানীয় উপাধ্যক্ষ মহোদয়, বাজেট সম্পৰ্কত ক'বলৈ দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। বিৰোধীয়ে বিভিন্ন কথা কৈছে , খালী বটল বুলি কৈছে এইখন বাজেটক আমাৰ শ্ৰদ্ধাৰ বিধায়ক অখিল গগৈ ডাঙৰীয়াই নিকম্মা বাজেট বুলি কৈছে। কিন্তু আমি এই বাজেটখন ভালদৰে অধ্যয়ন কৰিছো, পুংখানুপুংখ ভাৱে চাইছো । এইখন বাজেটে অসম আৰু অসমীয়াক এটা নতুন সাহসেৰে আগবঢ়াই নিবলৈ গৈছে। এইখন সৰ্বকালৰ শ্ৰেষ্ঠ বাজেট । এইখন বাজেটে সকলোকে ঢুকি পাইছে, সকলোকে চুই গৈছে, অসমৰ সকলো সমস্যা জনগোষ্ঠীয় সমস্যাকে ধৰি সকলো সমস্যাক বাজেটখনে আশাৰ ৰেঙণি দাঙি ধৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰথমতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগতে বিত্ত মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো যে অসমৰ প্ৰতিখন জিলাত একোখন বিশ্ববিদ্যালয়, একোখন মেডিকেল কলেজ আৰু ইঞ্জিনিয়াৰিং কলেজ স্থাপন কৰিবলৈ যি বিৰল সিদ্ধান্ত লৈছে , এই সিদ্ধান্তকো যদি বিৰোধী দলে সন্মান নকৰে তেতিয়া হ'লে বিৰোধী দলে কোন কথাক সমৰ্থন কৰিব আৰু কোন বিলাক কথাক তেওঁলোকে ভাল পাব এই কথাটো ভাবি আমাৰ আচৰিত লাগে। যোৱা কালি অখিল গগৈ ডাঙৰীয়াৰ বাজেট বিতৰ্কত মই কিছু কথা শুনিছো। মই ধন্যবাদো জনাইছো তেখেতে কেইটামান গুৰুত্বপূৰ্ণ কথা কৈছে। কিন্তু বাহিৰত গৈ তেওঁ নিকম্মা বাজেট বুলি কয়। এই কথা বিলাকে অসমৰ ৰাইজক এটা বেয়া মেচেজ দিয়ে। মই অখিল গগৈ ডাঙৰীয়াক ধন্যবাদ জনাইছো , ভাল ভাল কথা ক'লে আমাৰ সমৰ্থন থাকিব, কিন্তু তেনেকুৱা ধৰণৰ নিগেটিভ কথা ক'লে এটা বেয়া প্ৰভাৱ কিন্তু আচলতে পৰিব। এইখন বাজেটে অসমখনক যি উন্নয়নৰ পথেৰে আগবঢ়াই নিব বিচাৰিছে ইয়াৰ ফল অখিল গগৈ ডাঙৰীয়াই নিজৰ সমষ্ট শিৱসাগৰতে পাব । শিৱসাগৰবাসীয়েও ইয়াৰ ফল পাব। গতিকে তেওঁলোকে অন্তত চৰকাৰখনৰ যিবিলাক গুৰুত্বপূৰ্ণ কথা, যিবিলাক গুৰুত্বপূৰ্ণ সিদ্ধান্ত আমাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াৰ যিটো সপোন যে অসমখন

ভাৰতবৰ্ষৰ ৫ খন উন্নত ৰাজ্যৰ ভিতৰত এখন ৰাজ্য হওঁক, এই সপোনক বাস্তৱায়িত কৰাৰ কাৰণে তেখেত সকলে অলপ অপেক্ষা কৰক। আমাৰ বাজেট অধিবেশনত মই বজালী সমষ্টিৰ পৰা , বজালী সমষ্টিৰ ৰাইজৰ হকে মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়াক বহুত বহুত ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো কাৰণ আমি এইখন বাজেটত বজালীত এখন মেডিকেল কলেজ আমি পাইছো আৰু এই কথাই বজালী অঞ্চলৰ খিলঞ্জীয়া মানুহক, স্বাভিমানী ৰাইজক সঁচাকৈ আনন্দিত কৰিছে আৰু আমি এই কথাত সঁচাকৈয়ে চৰকাৰখনৰ শলাগ লৈছো । মই বিধায়ক হিচাবে মুখ্যমন্ত্ৰী ডাঙৰীয়াক আৰু বিত্তমন্ত্ৰী ডাঙৰীয়াৰ শ্ৰীচৰণত আন্তৰিক কৃতজ্ঞতা আৰু আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো । মাননীয় উপাধ্যক্ষ মহোদয়, অসমখন আগবাঢ়ি যাব লাগিলে আমি কৃষিৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগিব। বাজেটখনে কৃষকৰ ওপৰত বিভিন্ন প্ৰস্তাৱ আনিছে আৰু এই কৃষক সকলৰ জৰিয়তে আমি যদি অসমখনত ধান উৎপাদন কৰি, গাখীৰ উৎপাদন কৰি, কণী উৎপাদন কৰি আৰু মাংস উৎপাদন কৰি এইকেইটা কথাত যদি আমি অসম আৰু অসমীয়াই গুৰুত্ব প্ৰদান কৰো এইখিনি সামগ্ৰী যদি আমি আচলতে অসমৰ পৰা ৰপ্তানি কৰিব পাৰো তেনেহ'লে অসমখন সঁচাকৈ আগবাঢ়ি যাব আৰু এইখন এখন কৃষিপ্ৰধান ৰাজ্য হিচাবে আমাৰ যিটো ঐতিহ্য আছে, এই ঐতিহ্যৰ দিশতো আমি আগবাঢ়ি যাব পাৰিম। উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিত আজি আমি গৌৰৱেৰে ক'ব পাৰো যে গাখীৰ উৎপাদনৰ ক্ষেত্ৰত সমগ্ৰ অসমৰ ভিতৰত বজালীয়ে আমাৰ নিত্যানন্দৰ ফালৰ পৰা কামধেনু দুগ্ধ উৎপাদন কেন্দ্ৰৰ জৰিয়তে আটাইতকৈ বেছি গাখীৰ উৎপাদন কৰি আছো। উপাধ্যক্ষ মহোদয়, তাৰ লগতে ধানৰ ক্ষেত্ৰত কৃষিৰ ক্ষেত্ৰত আমাৰ উল্লেখনীয় ভূমিকা আছে। কৃষক ৰাইজে যথেষ্ট উৎপাদনৰ ক্ষেত্ৰত গুৰুত্ব দিছে। মোৰ নিজৰ ঘৰৰ ওচৰত এনেকুৱা মাছৰ কাটা আছে, ৰাতি ১ বজাৰ পৰা পুৱা ৬ বজালৈকে কেৱল মাছৰ গাড়ী, মাছৰ গাড়ী কেৱল মাছেই উৎপাদন কৰিছে। ঠিক এনেকুৱা ধৰণৰ পথাৰৰ competition, বজাৰৰ competition আমাৰ বজালী সমষ্টিত আৰম্ভ হৈছে। উপাধ্যক্ষ মহোদয় আমি

বাজেটখন অধ্যয়ন কৰি গভীৰভাৱে উপলব্ধি কৰিছো যে এইখন বাজেটে অসম আৰু অসমীয়াক সকলো দিশতে আজি মেধাৱী ছাত্ৰ-ছাত্ৰী সকল ৰৈ আছে ২ লাখ নিযুক্তিৰ কথা কৈছে , সঁচাকৈয়ে দুখীয়া নিচলা, হালোৱা, বনুৱা, ঠেলাৱালা, ৰিক্সাৱালাৰ মেধাৱী ছাত্ৰজন  ৰৈ আছে যে ইন্টাৰভিউ হ'ব, পৰীক্ষা হ'ব। আমি পঢ়ি আছো অধ্যয়ন কৰি আছো, আমি নিশ্চিতভাৱে এটা চাকৰি পাম। এই ছাত্ৰ-ছাত্ৰী সকলক সাহস দিছে। উপাধ্যক্ষ মহোদয়, মই দুটা মূল কথা বজালী সমষ্টিৰ পৰা আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া উপস্থিত আছে  সন্মানীয় সদনত, তেখেতৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে বজালী এটা সময়ত মহকুমা আছিল আৰু সেই মহকুমাত দুটা সমষ্টি আছিল - পাটাচাৰকুছি আৰু ভৱানীপুৰ সমষ্টি আৰু সেই সময়ত বজালীৰ ৰাইজে  আশাৰে বাট চাই আছিল দাবী উত্থাপন কৰিছিল। আমিও তেতিয়া সামাজিক সংগঠনত আছিলো যে আমাক জিলালৈ উন্নীতকৰণ কৰিব লাগে। আমাৰ জিলাখন হ'ল, কিন্তু জিলাখনৰ চাৰিসীমাটো একেবাৰে সৰু হ'ল, এটা সমষ্টি আৰু ভৱানীপুৰ সৰভোগ সমষ্টিত এটা জিলা পৰিষদে থাকিল। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই দৃষ্টিগোচৰ কৰিব খুজিছো বজালী ৰাইজৰ আহ্বান সকলো দল-সংগঠন, বিশিষ্ট ব্যক্তি সকলৰো এইটো আন্তৰিক আহ্বান মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ওচৰত বিধায়ক হিচাবে তেওঁলোকে মোক জনাই আছে যে ভৱিষ্যতৰ দিনত জিলাখনৰ আন্তঃগাঁথনি চলি আছে। বিভিন্ন জিলা পৰ্য্যায়ৰ কাৰ্য্যালয় ইতিমধ্যে তাত নিৰ্মাণ হৈ আছে  আৰু কিছুমান আহিবলগীয়া আছে, চৰকাৰৰ ওচৰত আমাৰ আৱেদন আছে যে সেইকেইটা কাৰ্য্যালয় বজালীত নিশ্চিতভাৱে স্থাপন কৰা হ'ব । গতিকে মোৰ বিশেষ অনুৰোধ যাতে ভৱিষ্যতৰ দিনত বজালী জিলাৰ চাৰি সীমাটোত অন্তত দুটা সমষ্টি অন্তৰ্ভুক্ত  কৰি খিলঞ্জীয়া অসমীয়া মানুহৰ ভাল এখন জিলা হিচাবে বজালী সমষ্টিক গঢ় দিয়ে তাৰ কাৰণে বজালী ৰাইজৰ হকে, বজালী অঞ্চলৰ বিশিষ্ট ব্যক্তিসকলৰ হকে, বিভিন্ন দল- সংগঠনৰ হকে, মই বিধায়ক হিচাবে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ওচৰত চৰকাৰৰ ওচৰত বিনম্ৰ আহ্বান জনালো। এটা সৰু অনুৰোধ উপাধ্যক্ষ মহোদয়, আমাৰ এখন বিশ্ববিদ্যালয় হৈছে ভট্টদেৱ

বিশ্ববিদ্যালয়, বজালী কলেজখন বিশ্ববিদ্যালয়লৈ উন্নীতকৰণ হ'ল। কিন্তু ঠাইৰ অভাৱত এই বিশ্ববিদ্যালয়খন আমাৰ সমষ্টিৰ পৰা পাঠশালাৰ মাজ মজিয়াৰ পৰা বেলেগ ঠাইলৈ গ'ল। এই কথাটোত আমাৰ সকলো দল সংগঠন বিশিষ্ট ব্যক্তিসকলে চৰকাৰৰ ওচৰত শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ ওচৰত আৱেদন জনাইছে যে যদিহে আমাৰ বিশ্ববিদ্যালয়খন আন ঠাইলৈ যায়, তেনেহ'লে বজালী কলেজ আপোনালোক সকলোৱে জানে  যে বিজ্ঞানৰ ক্ষেত্ৰত বজালী কলেজৰ এটা ইতিহাস আছে। এইখন কলেজে সমগ্ৰ অসমত বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰী তৈয়াৰ কৰাৰ ক্ষেত্ৰত সেই প্ৰাক স্বাধীনতা কালৰ পৰাই এটা উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে।  অধ্যক্ষ মহোদয়, মই অনুৰোধ জনাই শিক্ষামন্ত্ৰী ডাঙৰীয়াক আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াক দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো  যে এই Universsity খন যদি অন্য ঠাইলৈ যায়, তেতিয়াহ'লে বজালী কলেজ খন Science কলেজ হিচাপে আগৰ ঠাইতো যাতে ৰখাৰ ব্যৱস্থা কৰে তাৰ কাৰণে শিক্ষামন্ত্ৰী ডাঙৰীয়া আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ওচৰত আপোনাৰ জৰিয়তে মই বিশেষভাৱে অনুৰোধ জনাই মই সকলোকে ধন্যবাদ জনাই মোৰ ভাষণ সামৰিছো। ধন্যবাদ। জয় আই অসম।

**মাননীয় উপাধ্যক্ষঃ** Thank you and the next honorable member Diplu Ranjan Sharma. And your allotted time is only five minutes.

**শ্ৰী দিপ্লুৰঞ্জন শৰ্মা, নিউ গুৱাহাটীঃ** ধন্যবাদ উপাধ্যক্ষ মহোদয়, এখন বাজেটে সমগ্ৰ ৰাজ্য বা দেশখনৰ জনগণৰ আশা আকাংক্ষাক প্ৰতিনিধিত্ব   কৰে। অটল, অবিচল, অগ্ৰগামী অসম। এখন সুৰক্ষিত, শান্তিপূৰ্ণ, বিকশিত আৰু সমৃদ্ধ অসম। এই সংকল্পৰে আমাৰ ভৱিষ্যত দ্ৰস্তা মুখ্যমন্ত্ৰী মাননীয় ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত, মাননীয় বিত্ত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই, এই যি বাজেট দাখিল কৰিছে মই ভাবো ই কেৱল এক অৰ্থনৈতিক ছবিয়েই নহয়, অসমৰ ভৱিষ্যতৰ এক দস্তাবেজ হিচাপে পৰিগণিত হৈছে। কি নাই এই বাজেটত? উপাধ্যক্ষ মহোদয়, আমি যিটো ধাৰাত ৰাজনীতি কৰো, ভাৰতীয় জনতা পাৰ্টীয়ে পণ্ডিত দীনদয়াল উপাধ্যায়ে বাৰম্বাৰ আমাক কৈ গৈছে যে এখন

চৰকাৰে নিজৰ যেতিয়া নীতিসমূহ নিৰ্ধাৰণ কৰে সমাজৰ আটাইতকৈ শেষৰ জন ব্যক্তিক লক্ষ্য কৰি এই নীতি নিৰ্ধাৰণ কৰিব লাগে। অন্ত্যোদয়া এই অন্ত্যোদয়া আজিকালি ভাৰতবৰ্ষৰে নহয় সমগ্ৰ বিশ্বত কল্যাণকামী চৰকাৰ পৰিচালনা কৰা এক মূল মন্ত্ৰ হিচাপে পৰিচালিত হৈছে অন্ত্যোদয়া। মাননীয় মুখ্যমন্ত্ৰীৰ মাৰ্গ দৰ্শনত মাননীয় বিত্ত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই এই বাজেটত অন্ত্যোদয়া পৰা আৰম্ভ কৰি, মহিলা সবলীকৰণ, যুৱ সবলীকৰণৰ পৰা আৰম্ভ কৰি মানৱ ডেকা ডাঙৰীয়াই কৈ গৈছে, আমি অসমে আজিৰ দিনত Aerospace Production ৰ কথা চিন্তা কৰিব পৰা হৈছো। আমি আজিৰ দিনত আমাৰ লাখ লাখ লোকক যাক এটা সময়ত কংগ্ৰেছে নিজৰ ভোট বেংক হিচাপে ব্যৱহাৰ কৰিছে, তেওঁলোকক আজি আমি মাটিৰ অধিকাৰ দিবলৈ সক্ষম হৈছো। আমি আমাৰ বিশ্ববিদ্যালয় স্বায়ত্ত শাসিত মহাবিদ্যালয়সমূহক empower কৰিবৰ কাৰণে আজি আমি আৰ্থিক অনুদানৰ কথা ঘোষণা কৰিছো অৰ্থাৎ অন্ত্যোদয়াৰ পৰা আৰম্ভ কৰি Aerospace Production, ২৬ শ টা নতুন লাইব্ৰেৰী অসমতে কিতাপ পঢ়াৰ পৰিৱেশ গঢ়ি তুলিবৰ কাৰণে সৰু সৰু কথা মাননীয় মুখ্যমন্ত্ৰীৰ ডাঙৰীয়াই তেখেতৰ কবিতাটো তেখেতে প্ৰায়ে কয়, ক্ষুদ্ৰ ক্ষুদ্ৰ মোৰ প্ৰতিটো খোজ, ক্ষুদ্ৰ ক্ষুদ্ৰ মোৰ প্ৰতিটো প্ৰয়াস কেৱল মোৰ আইৰ বাবে। আজি ২,৬০০ নতুনকৈ লাইব্ৰেৰী স্থাপন কৰাৰ কাৰণে অসমত কৰিছে কিতাপ পঢ়াৰ এটা পৰিৱেশ গঢ়ি তোলাৰ কথা কৈছে। সৰু সৰু কথা, মই সকলো ক্ষেত্ৰত নাযাও, মানে উপাধ্যক্ষ মহোদয়, আমি দেখিছো যে আজিৰ দিনত GSDP 8.7 ত কৈ ও আমি টাৰ্গেট কৰিবলৈ সক্ষম হৈছো। আজি বিৰোধী পক্ষই বাৰম্বাৰ কৈ থাকে অসমৰ অৰ্থনীতিৰ অৱস্থাৰ কথা। মাননীয় মানৱ ডেকা দাই ফেচবুকত, আজিৰ দিনত ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ assessment মতে আমাৰ অসমৰ গ্ৰ'থ ৰেট 45%, যিটো National average 29% তকৈ বেছি। কেনেকুৱা এক সুদক্ষ আমাৰ চৰকাৰ। আমি যদি চাও যে আমাৰ যি GSDP 32 % লোন ল'ব পাৰো আমি লৈছো 24.34 মাত্ৰ। 24.81 কমকৈ ঋণ লোৱা ৰাজ্যৰ ভিতৰত আমাৰ ৰাজ্যখন ৯ নম্বৰত আছো আৰু বেংকে লোন কেতিয়া দিয়ে? অকল আমি আধাৰ কাৰ্ড

দিলো, মাটিৰ document দিলো, তেতিয়া বেংকে লোন দিয়ে নেকি? Ease of doing business কোনে business ভাল কৰিছে। Finance Commission ৰ মতে অসমে আমি loan payment  কৰাৰ ক্ষেত্ৰত আজিৰ দিনত ৮ নম্বৰত আছো। গতিকে এই বাজেট ভৱিষ্যতৰ এক দলিল, এই বাজেটে অসমক ভাৰতৰ ভিতৰত এক Growth engine হিচাপে পৰিগণিত কৰাৰ কাৰণে কৰা বাজেট। মই মাননীয় উপাধ্যক্ষ মহোদয় যোৱাকালি বৰ আচৰিত হলো মাননীয় অখিল গগৈ ডাঙৰীয়া আছে, তেখেতৰ এটা ছাত্ৰ সংগঠনো আছে,  আমি ছাত্ৰ সংগঠন কৰি আহিছো। অসমৰ সদৌ অসম ছাত্ৰ সন্থা আছে, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আছে, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ আছে, তেখেতৰ ছাত্ৰ সংগঠন আছে,  তেখেতে যোৱাকালি প্ৰশ্ন উত্থাপন কৰি দিলে নিযুত মইনা, নিযুত বাবুৰ ওপৰত  আৰু এই নিযুত মইনা, নিযুত বাবুৰ জৰিয়তে অসমৰ লাখ লাখ ল'ৰা ছোৱালীয়ে আজি সপোন দেখিছে নিজৰ ভৰিৰ ওপৰত নিজে থিয় দিবৰ বাবে। জীৱন প্ৰেৰণা আচনিৰ জৰিয়তে আমি স্নাতক সকলোক কৈছোঁ যে মাহেকত আঢ়ৈ হাজাৰ টকাকৈ দিম, কিহৰ কাৰণে দিম যাতে competetive examination ৰ বাবে কিতাপ কিনি তেওঁলোকক নিজক গঢ়িব পাৰে। তেওঁলোকে এটা সময়ত ছাত্ৰ আন্দোলনৰ কথা কয়, ছাত্ৰ Empowerment ৰ কথা কয়,  আৰু নিযুত মইনা, নিযুত বাবুৰ তেওঁলোকে বিৰোধিতা কৰে, এয়া হৈছে তেওঁলোকৰ স্বৰূপ। আমি semi conductor ৰ কথা কৈছো Advantage Assam ৰ জৰিয়তে প্ৰায় এক লাখ পৰোক্ষ প্ৰত্যক্ষ আমাৰ চাকৰি হ'ব, আৰু মানে উপাধ্যক্ষ মহোদয় ঐতিহ্যমণ্ডিত নিউ গুৱাহাটী বিধানসভা সমষ্টিৰ  বিধায়ক । এই গুৱাহাটী মহানগৰীক মই প্ৰতিনিধিত্ব কৰো, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু মাননীয় বিত্তমন্ত্ৰী মহোদয়ক মই বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে এই বাজেটত পৰিকল্পনা কৰা হৈছে অনাগত সময়ত গুৱাহাটীক,  গুৰুগ্ৰাম, নয়ডাৰ আৰ্হিৰে গঢ়ি তোলা হ'ব এইটো পলিচিৰ কথা কোৱা হৈছে, আৰু এটা ভিছনেৰি আঁচনি লৈছে গুৱাহাটী Sateilte city Development Authority। আমি গুৱাহাটীত প্ৰত্যেকজন বিধায়কৰ বাবে এই আশাৰ সংকেত । গুৱাহাটীৰ

প্ৰতিজন নাগৰিকে অনাগত দিনত এই আঁচনিৰ জৰিয়তে আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে, এই আঁচনিৰ সুফল যাতে সকলো নাগৰিকে ভোগ কৰিব পাৰে, তাৰ কাৰণে এশ শতাংশ মালিকানাধীনা চৰকাৰৰ হাতত ৰাখিব। মই মাননীয় উপাধ্যক্ষ মহোদয় মাত্ৰ এক মিনিট সময় ল'ম। ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী বাজপেয়ী ডাঙৰীয়াই কৈছে, আমি যেতিয়া ৰাস্তাসমূহ বনাওঁ এইবোৰ ৰাস্তা হৈ নাথাকে, সি দেশৰ ভাগ্যৰেখা হিচাপে পৰিগণিত হয়। অসম মালত আমি কৈছো এক হেজাৰ কোটি টকা দি আগন্তুক অন্য ৮০০ কিলোমিটাৰ আমি ৰাস্তা বনাম। আমি নতুনকৈ স্থাপিত বিশ্ববিদ্যালয়সমূহক এশ কোটিকৈ টকা দিব, ২৭ খনকৈ স্বায়ত্ত শাসিত মহাবিদ্যালয়ক দুই কোটিকৈ টকা দিব, অৰ্থাৎ এক Education Hub হিচাপে অসমক আমি গঢ়ি তুলিব লাগিব। semi conductor আহিছে, সেই semi conductor ৰ বিৰোধিতা কংগ্ৰেছে কৰিছিল ফলাফল পাইছে, সৰ্বনিম্ন প্ৰদৰ্শন কংগ্ৰেছে কৰিছে। এই semi conductor ৰ কথা কৈছে semi conductor বিৰোধিতা তেওঁলোকে কৰিলে, অসমত মেধা নাই বুলি তেওঁলোকে মানি ল'লে, গৌৰৱ গগৈ ডাঙৰীয়া, ৰাহুল গান্ধী ডাঙৰীয়া কংগ্ৰেছে মানি ল'লে যে অসমত মেধা নাই বুলি কওঁতে। কংগ্ৰেছে ফলাফল পালে, গতিকে আমি আজিৰ দিনত Semi conductor আনিছো। আমি আজিৰ দিনত Aerospace Defence Production ৰ কথা ক'বলৈ আমি আৰম্ভ কৰিছো, স্কুলৰ পৰা আৰম্ভ কৰি নিযুত মইনা নিযুত বাবুৰ পৰা আৰম্ভ কৰি খিলঞ্জীয়াক মাটিৰ অধিকাৰ দিয়াৰ পৰা আৰম্ভ কৰি এক অটল, অবিচল, অগ্ৰগামী অসমৰ কাৰণে আমাৰ যিটো পৰিকল্পনা, সুৰক্ষিত অসম, সমৃদ্ধ অসম তাৰ কাৰণে আমাৰ যি পৰিকল্পনা এই পৰিকল্পনা আমি আগুৱাই লৈ গৈছো ভাৰতীয় জনতা পাৰ্টী আৰু এন ডি এ চৰকাৰৰ অধীনত, আমি পুনৰাই কৈছে অন্ত্যোদয়াৰ পৰা আৰম্ভ কৰি Defence Production লৈকে, Concert Tourism ৰ পৰা আৰম্ভ কৰি নিযুত মইনা, কিতাপ পঢ়াৰ পৰিৱেশ গঢ়ি তোলালৈকে এই বাজেটে আমাৰ সকলোৰে বাবে এক নতুন আশাৰ সঞ্চাৰ কৰিছে। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মাননীয় বিত্ত মন্ত্ৰী মহোদয়ক এই বাজেট দিয়াৰ বাবে মই আন্তৰিক

ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ভাৰত মাতা কি জয়।

**মাননীয় উপাধ্যক্ষঃ** Thank you. Next Shri Subharam Basumatary. And your allotted time is only four minutes.

**শ্ৰী শোভাৰাম বসুমতাৰী, গোসাইগাঁওঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ উন্নয়ন আৰু সম্প্ৰীতিশালী অসম নিৰ্মাতা মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ষষ্ঠতম অসম বিধান সভাৰ সন্মানীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই যিটো বাজেট দাখিল কৰিলে, আমি বাজেট খনক আদৰণি জনাইছো। এই বাজেটত জল, স্থল, আকাশ প্ৰত্যেকতে উন্নয়নৰ আমি প্ৰতিচ্ছবি প্ৰতিফলিত হোৱাটো দেখিবলৈ পাইছো। জন কল্যাণৰ পুৰুষ, মহিলা, ছাত্ৰ ছাত্ৰী, নিবনুৱা কৰ্মচাৰী সকলোৱে তাত প্ৰতিফলিত হৈছে। মই নিজে অসমৰ আন্তঃৰাষ্ট্ৰীয়, আন্তঃৰাজ্য আৰু আমাৰ অভয়াৰণ্য অনুষ্ঠিত এক নম্বৰ গোসাইগাঁও বিধানসভাৰ সমষ্টিৰ পৰা নৱনিৰ্বাচিত বিধায়ক আৰু এই সুযোগতে মই আমাৰ এই ১৬তম বিধানসভা আজি বাজেটৰ সময়ত বক্তব্য ৰাখিবলৈ দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জাপন কৰিলো আৰু আমাৰ এক নম্বৰ বিধানসভা গোসাইগাঁওতো যাতে যেনেকৈ এক নম্বৰ সকলো পৰ্যায়তে যাতে এক নম্বৰ হিচাপে আমি উন্নতি কৰিব পাৰো, উন্নয়ন কৰিব পাৰো, ৰাস্তা ঘাট ইয়াত যাতে নৰ্থ-ইষ্টৰ যিটো দুৱাৰমুখ এই নৰ্থ-ইষ্টত সোমোৱাৰ লগে লগে অসমৰ উন্নয়নটো যাতে প্ৰতিফলিত হয়, সেইকাৰণে আজি এই বাজেট অধিবেশনৰ মাননীয় বিভাগীয় মন্ত্ৰীসকলক মই দৃষ্টিগোচৰ কৰিলো। আমাৰ ইয়াত গোসাইগাঁও বিধানসভাৰ অন্তৰ্গত যিটো নেশ্যনেল হাইৱে ত ফ্লাই অ'ভাৰৰ অতিকে প্ৰয়োজন। কাৰণ বিপৰীত দিশত হস্পিতাল, স্কুল আৰু মহকুমা সদৰৰ sub-division আছে আৰু accident হৈ বহু মানুহৰ মৃত্যু ঘটিছে। সেয়ে এখন ফ্লাই অ'ভাৰ নিৰ্মাণ কৰাৰ কথাটো মই আজি সদনত উত্থাপন কৰিলো। বিগত ১৯৮৫ চনৰপৰাই লোকসভা আৰু বিধান সভাৰ নিৰ্বাচন আমাৰ গোসাইগাঁৱৰ পৰা অনুষ্ঠিত হৈ আহিছিল। কিন্তু এইবাৰ সদৰ জিলা কোকৰাঝাৰত অনুষ্ঠিত হোৱাৰ কাৰণে নিৰ্বাচনৰ লগত জড়িত বহু

কৰ্মচাৰী আৰু আমাৰ ৰাইজসকলে বহুত কষ্ট ভোগ কৰিব লগীয়া হৈছে। সেইকাৰণে গোসাইগাঁও মহকুমাক সমজিলালৈ upgradation কৰি নিৰ্বাচনৰ প্ৰক্ৰিয়াটো যাতে পুনৰ গোসাইগাঁৱলৈ লৈ যোৱাৰ ব্যৱস্থা কৰে সেইটো আমি কামনা কৰিছো আৰু গোসাইগাঁও বিধান সভা সমষ্টিৰ ৰাস্তা-ঘাটবোৰ এতিয়া যিহেতু মেঘালয় আৰু কাছাৰ সংযুক্ত ফুলবাৰী ব্ৰীজ হৈ শ্ৰীৰামপুৰৰ সংযোগী হ'ব, ইয়াৰ বাবে বেলেগ ৰাজ্যৰ মানুহে অসমত প্ৰৱেশ কৰাৰ লগে লগে ১ নং গোসাইগাঁও সমষ্টিৰ পৰাই যাতে অসমৰ উন্নয়ণ অনুভৱ কৰিব পাৰে তাকে কামনা কৰি মই এইবিষয়ে আজি বিভাগীয় মন্ত্ৰীসকলৰ দৃষ্টিগোচৰ কৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ :** Thank you. Next Member Shri Rupjyoti Kurmi.

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) :** মাননীয় উপাধ্যক্ষ মহোদয়, সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ভাৰতীয় জনতা পাৰ্টীৰ এই দ্বিতীয়টো কাৰ্য্যকালৰ প্ৰথমখন বাজেট মাননীয় বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱা ডাঙৰীয়াই খুব সুন্দৰকৈ অসমবাসী ৰাইজৰ আগত উপহাৰস্বৰূপে আগবঢ়াইছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰত্যেক ক্ষণতে কৈ আহিছে যে এইবাৰ আমি ১০২ জন বিধায়কক লৈ আমাৰ চৰকাৰ গঠন হৈছে, অসমৰ ইতিহাসত ১০০ খনতকৈ অধিক আসন লৈ কোনো চৰকাৰ এতিয়ালৈকে গঠন হোৱা নাই। এতিয়া নৰ আৰু নাৰায়ণ, আমাৰ বিধায়কসকলে হৈছে নৰ, অৰ্থাৎ মানুহক আমি দেৱতুল্য হিচাপে আমি সন্মান জনাই চলিব লাগিব আৰু নাৰায়ণ, ভগৱানক আমি ক্ৰুতি আৰু সন্মান কৰি চলিব লাগিব। মই এটা প্ৰাৰ্থনা গাব বিচাৰিছো-

"মুক্তিতো নিস্পৃহ জিতু
সেহি ভকতক নমো।
ৰক্ষময়ী মাগোহো ভকতি,
সমস্তকো মস্তকমণি।
নিজ ভকতৰ বৈশ্য,

ভজো হেনো দেৱ যদুপতি।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) :** পাহৰি গৈছে নেকি, মনত পেলাই দিব লাগিব নেকি ?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) :**

ভজো হেনো দেৱ যদুপতি।।"

চুমাবাবাৰ কথা মই ক'ব বিচৰা নাই আৰু তেওঁ মোৰ ৰূপ দেখাও নাই, ভৱিষ্যতেও দেখুওৱাৰ মন নাই। এখন কৰবিহীন বাজেট, এয়া অসমত কেতিয়াও হোৱা নাছিল। দ্বিতীয়তে, যদি চোৱা যায়, green chess অকল ফৰেষ্টৰ পৰা লোৱা হ'ব, আৰু সেয়া লৈ চৰকাৰে নাৰাখি লগে-লগে প্লেণ্টেশ্যন বা বননিকৰণৰ কাৰণে ব্যৱহাৰ কৰা হ'ব। এনেধৰণৰ বাজেট কেতিয়াও আমি শুনা নাছিলো বা দেখাও নাছিলো। শেহতীয়াকৈ চৰকাৰে এক লাখ চাকৰি দিম বুলি কৈ ইতিমধ্যে এক লাখ সত্তৰ হাজাৰৰ ওচৰা-ওচৰিকৈ চাকৰি দিছে। বিৰোধী বিধায়কসকলে অলপ পঢ়ি আহিব লাগে। National Crime Records Bureau  কৈছে যে শেহতীয়াকৈ যোৱা পাঁচটা বছৰত আমাৰ ক্ৰাইম ৰেট 28 %  ডিক্লাইন হৈছে। তাৰমানে নিবনুৱা যুৱক- যুৱতীসকলক এতিয়া কোনোবাই যদি আন্দোলন কৰিবলৈ মাতিব বিচাৰে, কোনেও আন্দোলন কৰিবলৈ নাহে। কাৰণ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰখনে চাকৰি দিবই। বিৰোধীৰ বহু বিধায়কে এতিয়া হতাশাত ভুগিছে, অলপ জ্বলি আছে, গোন্ধও আমি পাইছো। এতিয়া যদি আমি unemployment rate টো চাওঁ- 4.8 ৰ পৰা 3.9 নামি অহাটো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰখনৰ এটা উল্লেখযোগ্য সাফল্য বুলি ক’ব পাৰি। মোৰ বয়স ৫০ বছৰ চুবৰে হ’ল, দাড়ি-চুলি কাটি লৈ দেখিবলৈ অলপ ধুনীয়া হৈ আছো। সৰুৰে পৰা অসমত অসম বন্ধ দিয়া শুনি আহিছো কিন্তু যোৱা ৫ টা বছৰত এটা অসম বন্ধ নাই, ই কি শুচাইছে অসমৰ ৰাইজে তাক প্ৰত্যক্ষ কৰি আছে। মই অন্যান্য বিষয় বা পৰিসংখ্যা দি এই পৱিত্ৰ সদনৰ সময় ল’ব বিচৰা নাই। আমি সকলোৱে ধাৰণা কৰি আছিলো যে বিভিন্ন বেমাৰৰ

উৎপত্তি হ'ল ৰাসায়নিক সাৰ, কিন্তু এই ৰাসায়নিক সাৰৰ ক্ষেত্ৰত জৈৱিক কৃষিক লৈ গুৰুত্ব দিয়াটো চৰকাৰৰ এটা যুগান্তকাৰী পদক্ষেপ । চাহ উদ্যোগৰ সময়োপযোগী এটা নতুন সিদ্ধান্ত orthodox ক লৈ, macha tea লৈ ৰূপান্তৰ কৰা হ'ব। মোৰ মা বিধায়িকা আছিল আৰু ময়ো আজি ২০ বছৰ ধৰি বিধায়ক হৈ আছো, মই সপোনতো ভবা নাছিলো যে sub-centre ত এজন ডাক্তৰ পাম, sub-centre ত ডাক্তৰ দিয়া বা ডাক্তৰ দিয়াৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বাধীন বৰ্তমানৰ চৰকাৰখনে । আজি মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত মাননীয় বিত্ত মন্ত্ৰী গৰাকীয়ে প্ৰত্যেক মানৱ সম্পদ সৃষ্টিকাৰী বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় সমূহক ১০০ কোটি টকাৰ পৰা ৫০ কোটি টকালৈ প্ৰদান কৰা হৈছে। আমি জানো যে চিকিউৰিটি গাৰ্ডৰ কাৰণে আৰু বিভিন্ন কাৰিকৰী কামৰ কাৰণে আমাৰ অসমৰ সন্তান বাহিৰলৈ যাবলগীয়া হৈছে l Advantage Assam ৰ জৰিয়তে আজি অসমৰ এখন নতুন ছবি অংকন কৰাৰ বাবে যি পদক্ষেপ লৈছে তাৰবাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠৰ উপৰিও এতিয়া আমাৰ ৰাইজে ক'ব ধৰিছে যে নতুন খনিকৰ। মাননীয় উপাধ্যক্ষ মহোদয়, মই অন্যান্য প্ৰসংগবোৰ ক'বলৈ নগৈ আমাৰ অসমৰ বীৰ সন্তান লাচিত বৰফুকন ডাঙৰীয়া আৰু কুশল কোঁৱৰ ডাঙৰীয়াৰ আজি জীৱনৰ আধাৰত যি চিনেমা বা বোলছবি মই ধাৰণা কৰিছো এয়া চাবলৈ গ'লে গোটেই বিশ্বত এটা খলকনিৰ সৃষ্টি নিশ্চয় কৰিব। এই দুগৰাকী বীৰৰ কাহিনী বিশ্ব দৰবাৰলৈ লৈ যোৱাটো এটা আদৰণীয় পদক্ষেপ । মই সামৰণিত এইটোৱে ক'বলৈ বিচাৰিম ক্ষুদ্ৰ ক্ষুদ্ৰ জনজাতীয় লোকসকলৰ কাৰণেই হওঁক, অনুসূচিত জনজাতিৰ লোকসকলৰ কাৰণেই হওঁক বা আমাৰ অসমীয়া থলুৱা লোকসকলৰ বাবেই হওঁক বা আদিবাসী সমাজৰ বাবেই হওঁক, লাইনৰ মাটি আমাক দিলে, কিন্তু ঘৰ বনাবলৈ এই বাজেটৰ যোগেদি মাননীয় প্ৰধানমন্ত্ৰীৰ পৰা সহায় লৈ PMAY ৰ ঘৰ নিৰ্মাণৰ যি আদৰণীয় পদক্ষেপ, এয়া যুগান্তকাৰী, সোণালী আখৰেৰে লিখা যাব এই বাজেটখনক আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ কৰ্মৰাজিক। মই সামৰণিত এইটোও ক'ব বিচাৰিছো যে paternity

leave ৰ কথা শুনি আছিলো কিন্তু মাক সকলে সন্তান জন্ম দিয়াৰ পিছত কেতিয়াও চৰকাৰী কৰ্মচাৰী সকলে তেওঁলোকৰ ওচৰত থাকিবলৈ নাপায়। এতিয়া paternity leave  এই বাজেটখনৰ এটা আদৰণীয় পদক্ষেপ । আপোন ঘৰ, আপোন বাহনৰ পৰা আদি কৰি proton therapy, Cancer ৰোগী সকলৰ কাৰণ  চাব গ'লে এয়া সঁচাকৈয়ে এটা আদৰণীয় পদক্ষেপ।

**মাননীয় উপাধ্যক্ষঃ** অনুগ্ৰহ কৰি বহক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী) :** শেষত এইটোৱে কম যে এই বাজেট খন এটা যুগান্তকাৰী আৰু ইতিহাস ৰচনা কৰা বাজেট। মাননীয় মুখ্যমন্ত্ৰী  ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু মাননীয় বিত্তমন্ত্ৰী মহোদয়ক পুনৰবাৰ ধন্যবাদ জ্ঞাপন কৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** Next Hon'ble Member Shri Milon Das.

**ডঃ মিলন দাস ( হাইলাকান্দি) :** ধন্যবাদ মাননীয় উপাধ্যক্ষ মহোদয়, জেনারেল বাজেট ডিসকাশনে আমাকে কথা বলার সুযোগ দেওয়ার জন্য। মাননীয় উপাধ্যক্ষ মহোদয়, এইবারের যে বাজেট সদনে দাখিল করা হয়েছে এবং যেটা নিয়ে চর্চা চলছে, আমার মনে হয় যে এই বাজেটে খুব বেশি লুক্রেটিভ কিছু রাখা হয়নি, কিন্তু এই বাজেটে দীর্ঘমেয়াদী পরিকল্পনা নেওয়া হয়েছে। এই বাজেট জনকল্যাণমুখী বাজেট এবং এই বাজেটে যুবক থেকে শুরু করে মধ্যবিত্ত, চাকুরিজীবী, কৃষক এবং সমাজের একদম অন্তিম পিছপড়া মানুষের জন্য চিন্তা করা হয়েছে। এই বাজেটের এক একটা দিক যদি আমরা দেখি এবং প্রথম যদি আমি স্বাস্থ্য বিভাগ নিয়েই আলোচনা করি, তাহলে দেখব এই বাজেটে স্বাস্থ্য বিভাগকে আরও উন্নতিকরণের জন্য নতুন মেডিক্যাল কলেজের কথা বলা হয়েছে। এবং আমি আজকের দিনে এখান থেকে দাঁড়িয়ে নতুন আসামের যিনি নির্মাতা,  ড° হিমন্ত বিশ্বশর্মা মহাশয়কে আমার অন্তরের অন্তস্তল থেকে আমাদের সমস্ত হাইলাকান্দি বাসীর পক্ষ থেকে ধন্যবাদ জ্ঞাপন করি যে, এই বাজেটে হাইলাকান্দি মেডিক্যাল কলেজের প্রস্তাবও উনি গ্রহণ করেছেন।

মাননীয় উপাধ্যক্ষ মহোদয়, যখন মানুষ চিকিৎসার জন্য মৃত্যু পথে যাত্রা করে, অনেক রাজ্যের এরকম খবর আসে। সেই সময় আমার বরাক উপত্যকার মতো প্রত্যন্ত অঞ্চলে আজকের দিনে শিলচর মেডিক্যাল কলেজ রয়েছে, শ্রীভূমি মেডিক্যাল কলেজ তৈরি হচ্ছে, হাইলাকান্দি মেডিক্যাল কলেজের প্রস্তাব গ্রহণ হচ্ছে এবং তার সাথে সাথে এইমসের মতো যে চিকিৎসা প্রতিষ্ঠান, সেই প্রতিষ্ঠানের স্যাটেলাইট সেন্টার তৈরি করার কথা এখানে উল্লেখ করা হয়েছে শ্রীভূমি জেলাতে। তার জন্য আমরা বরাকবাসীর পক্ষ থেকে মাননীয় মুখ্যমন্ত্রীকে ধন্যবাদ জ্ঞাপন করছি। মাননীয় উপাধ্যক্ষ মহোদয়, ক্যান্সার রোগের জন্য আমরা সবাই খুব চিন্তিত। এবং এই বিষয় নিয়ে মাননীয় স্বাস্থ্যমন্ত্রী যখন বক্তব্য রেখেছেন, উনি উল্লেখ করেছেন এবং বিভিন্ন রিপোর্ট এবং পত্রপত্রিকায় সম্প্রচারিত খবরের হিসাবে যে আসাম ক্যান্সার রোগের ক্ষেত্রে, এক বিশেষ রোগের চিকিৎসার ক্ষেত্রে এক বিশেষ ভূমিকা পালন করছে। এবং আসাম মডেলকে অন্যান্য রাজ্যে গ্রহণ করার জন্য প্রস্তাবও গ্রহণ করা হয়েছে। এবং বিশেষ করে এই ক্যান্সার ট্রিটমেন্টের ক্ষেত্রে যেভাবে অত্যন্ত উন্নতমানের প্রোটন থেরাপির কথা এই বাজেটে বলা হয়েছে এবং আলাদা করে বাজেটও ধার্য করা হয়েছে, এই বিষয়টাই দেখলে বুঝা যায় যে সরকার স্বাস্থ্যক্ষেত্র নিয়ে এবং সাধারণ মানুষের স্বাস্থ্য নিয়ে কতটুকু চিন্তিত এবং বাজেটে কতটুকু গুরুত্ব দিয়েছে। আরও একটা বিষয় মাননীয় উপাধ্যক্ষ মহোদয়, স্বাস্থ্যক্ষেত্রে হয়তো প্রথমবার সমস্ত ভারতবর্ষের মধ্যে আসাম এই কাজটি করল যে, প্রত্যেকটি সাব সেন্টারে একজন করে নতুন এমবিবিএস ডাক্তার নিযুক্তি দেওয়ার যে কথা এই বাজেটে বলা হয়েছে। সেজন্য এই বাজেটে শুধু স্বাস্থ্যের বিষয়ে যদি আমরা চর্চা করি, তো স্বাস্থ্যের বিষয়ে বাজেটে অনেক অর্থ যোগান দেওয়া হয়েছে এবং অনেক যুগান্তকারী পদক্ষেপ নেওয়া হয়েছে। আজকে আমরা বরাক উপত্যকার কথা যখন বলি, আপনারা জানেন বরাক উপত্যকায় আমাদের একটা এয়ারপোর্ট রয়েছে। এবং সেই এয়ারপোর্ট ডিফেন্স এয়ারপোর্ট। সেজন্য মানুষের দীর্ঘদিনের একটা দাবি ছিল যে বরাক উপত্যকায় আরও একটা নতুন এয়ারপোর্ট

তৈরি করার। এবং সেই দাবিকে মাথায় রেখে পূর্ব ঘোষিত যে আমাদের ডলু এয়ারপোর্ট, সেই এয়ারপোর্টের জন্যও এই বাজেটে আলাদা করে অর্থ যোগান দেওয়া হয়েছে। সেজন্য আমরা বরাকবাসীর পক্ষ থেকে মাননীয় মুখ্যমন্ত্রী এবং বিত্তমন্ত্রী মহোদয়কে অনেক অনেক ধন্যবাদ জ্ঞাপন করছি। মাননীয় উপাধ্যক্ষ মহোদয়, আমাদের বরাক উপত্যকায় মিনি সেক্রেটারিয়েট তৈরি হয়েছে এবং সেই মিনি সেক্রেটারিয়েটের পূর্ণাঙ্গ রূপ দেওয়ার জন্য এই বাজেটে বলা হয়েছে এবং এই মিনি সেক্রেটারিয়েট যাতে পূর্ণাঙ্গ রূপ পায়, সেজন্য মাননীয় মুখ্যমন্ত্রী যে অর্থ যোগান দিয়েছেন, তার জন্য উনাকে এবং তার সাথে সাথে অর্থমন্ত্রীকে ধন্যবাদ জ্ঞাপন করছি। আপনারা জানেন আমাদের পূর্ব প্রস্তাবিত একটা চিড়িয়াখানা রয়েছে আমাদের বরাক উপত্যকার জন্য। এই বাজেটে সেই চিড়িয়াখানার জন্যও অর্থ যোগান দেওয়া হয়েছে। আসাম সরকারের দ্বারা বেশ কয়েকটি রাজ্যিক বিশ্ববিদ্যালয়, কলেজগুলাকে বিশ্ববিদ্যালয়ে উন্নতিকরণ করা হয়েছে এবং তার মধ্যে একটা বিশ্ববিদ্যালয় আমাদের বরাক উপত্যকার গুরুচরণ কলেজ বিশ্ববিদ্যালয়। সেই বিশ্ববিদ্যালয়েও এইবার এই বাজেটে ১০০ কোটি টাকা যোগানের কথা বলা হয়েছে। সেজন্য আমরা বরাকবাসীর পক্ষ থেকে মাননীয় মুখ্যমন্ত্রী এবং বিত্তমন্ত্রী মহাশয়কে ধন্যবাদ জ্ঞাপন করছি। অনেক সময় ট্যুরিজমের কথা বলা হয়। ট্যুরিস্টদেরকে রাজ্যে আকর্ষিত করার কথা বলা হয়। ট্যুরিস্টরা আসবে তাদের জন্য থাকার সুব্যবস্থা প্রয়োজন। এই ব্যবস্থাকে লক্ষ্য করে এই বাজেটে যেভাবে মাননীয় বিত্তমন্ত্রী ঘোষণা করেছেন, হাফলং-এর মতো হিল স্টেশন, উমরাংশু এবং মানসে নতুন করে যে ফাইভ স্টার হোটেলের কথা এখানে উল্লেখ করা হয়েছে এবং অর্থ যোগান দেওয়া হয়েছে, সেটাও একটা উল্লেখ্যণীয় দিক। বাহির থেকে যাতে ট্যুরিস্টরা আসতে পারে, তাদেরকেও আকর্ষিত করার জন্য এই বাজেটে অর্থ যোগান করা হয়েছে। রোড ইনফ্রাস্ট্রাকচারের ক্ষেত্রে এই বাজেটে নতুন করে ৮০০ কিলোমিটার রোড তৈরি করা হবে আসাম মালার মাধ্যমে এবং তার জন্য আলাদা অর্থ যোগান দেওয়া হয়েছে। এবং আমরা আশা করি, এই ৮০০ কিলোমিটার যে নতুন করে

রোড ইনফ্রাস্ট্রাকচার তৈরি হবে, তার মধ্যে আমার জেলা বা বরাক উপত্যকায় অনেকটাই আমরা রোড ইনফ্রাস্ট্রাকচারে আরও এগিয়ে যাব। মাননীয় উপাধ্যক্ষ মহোদয়, এই বাজেটে মুখ্যমন্ত্রী আত্মনির্ভর লোনের আরও নতুন করে ৫০,০০০ যুবক-যুবতীদের লোন দেওয়ার ব্যবস্থার কথা বলা হয়েছে। এক্সিস্টিং যেগুলো আমাদের জনকল্যাণমুখী স্কিম ছিল, প্রত্যেকটা স্কিমকে কোনো ধরনের কাটছাঁট না করেই প্রত্যেকটা স্কিমে অর্থ যোগান দেওয়া হয়েছে। এবং এআই-এর মতো ইম্পর্ট্যান্ট ডিজিটাল প্ল্যাটফর্মকেও গুরুত্ব দেওয়া হয়েছে এবং সেই প্ল্যাটফর্ম যাতে স্টাডি করা যায়, তার জন্য ব্যবস্থা নেওয়া হয়েছে। এবং এই বাজেটে মেট্রো রেল আসামে আসবে তার কথা বলা হয়েছে, স্যাটেলাইট টাউন বানানোর কথা বলা হয়েছে। এই বাজেট সব দিক থেকে যখন আমরা চিন্তা করি—স্বাস্থ্য, শিক্ষা, রাস্তাঘাটের উন্নয়ন, যোগাযোগের উন্নয়ন, সব ক্ষেত্রে বাজেটে অর্থ যোগান দেওয়া হয়েছে এবং দীর্ঘমেয়াদী পরিকল্পনা নেওয়া হয়েছে। এই বাজেট আমার মনে হয় আমরা সবাই একসাথে মিলে গৃহীত করা দরকার, যাতে যে স্বপ্নের আসাম মাননীয় মুখ্যমন্ত্রী তৈরি করছেন, নতুন আসাম তৈরি করছেন, সেই দিকে যাতে আমরা এগিয়ে যেতে পারি। ধন্যবাদ।

**Hon'ble Deputy Speake :** Thank you. Hon'ble Member, A. K. Rashed Alam. Your timing is 5 mins.

**শ্ৰী আবুল কালাম ৰশিদ আলম, (পূব গোৱালপাৰা) :** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ দুজন সদস্যই ক'ব পৰা নাই। সেয়েহে মোৰ সময় অলপ বাঢ়িব। আমি বাজেটক লৈ বহু আশা কৰিছিলো। মই তৃতীয় বাৰলৈ বিধায়ক হৈছো। মই এইখন বাজেট যিমান পঢ়িছো, আগৰ বাজেটসমূহ ইমান পঢ়া নাছিলো। এইখন অধ্যয়ন কৰি মই বাজেটখনক জনকল্যাণমুখী বাজেট বুলি ক'ব পাৰিম বুলি আশা কৰিছিলো। মই এইবাবে ও অধ্যয়ন কৰিছিলো যে এইখন দুখীয়া মানুহৰ বাজেট বুলি ক'ব পাৰিম নেকি ? কিন্তু মই এইখিনি এইখন বাজেটত ক'তো নাপালো। ইয়াত কৃষকৰ কাৰণে এইখন বাজেট বুলি কোৱা

হৈছে। কিন্তু মই সেইটোও বাজেটত বিচাৰি নাপালো। আমাৰ শাসকীয় বিধায়ক এগৰাকীয়ে জলসিঞ্চন বিভাগত ৩০০০ ৰ পৰা ৪০০০ কোটি টকা ধৰিছে বুলি কৈছে আৰু ইয়াৰ পৰা কৃষকৰ বহুত উপকাৰ হ'ব বুলি কৈছে । কিন্তু জলসিঞ্চনত টকা দিলে কৃষকৰ উপকাৰ হ'ব নেকি ? কৃষকসকলে খেতি কৰিবলৈ হ'লে হাল মাৰিবই লাগিব । হাল মাৰিবলৈ হ'লে প্ৰত্যকখন গাওঁত কমেও ২০ খনকৈ হেণ্ড ট্ৰেক্টৰ যাক আমি পাৱাৰ টিলাৰ বুলি কওঁ লাগিবই। কমেও ১০ খনকৈ ট্ৰেক্টৰ দিব লাগিব। ইয়াৰ আগতে যি ট্ৰেক্টৰ দিয়া হৈছিল, সেই ট্ৰেক্টৰসমূহ খেতিয়কৰ ওচৰত নাই। তদন্ত কৰিলে আপোনালোকে দেখিব যে সেই ট্ৰেক্টৰসমূহ হয়তো কোনো ব্যৱসায় বা দোকানীৰ হাতত আছে। ট্ৰেক্টৰসমূহ কৃষকৰ কাৰণে দিয়া হৈছিল । কিন্তু বাস্তৱত সেই ট্ৰেক্টৰসমূহ কৃষকৰ ওচৰত নাই। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ নতুনকৈ সমষ্টি হৈছে। মাননীয় মন্ত্ৰী মহোদয়ে মোৰ সমষ্টিত এখনকৈ মডেল স্কুল দিব বুলি কৈছে। কিন্তু মই অনুৰোধ কৰিছো আৰু আজি প্ৰশ্ন ও আনিছিলো সংখ্যালঘু উন্নয়ণ বিভাগৰ ফালৰ পৰা বহু কোটি টকাৰে এখন Residential Model School নিৰ্মাণ কৰা হৈছিল। কিন্তু তাত এতিয়া ঘাঁহ গজি আছে। যদি পাৰে সেইখনক মডেল স্কুল কৰাৰ বাবে মই প্ৰস্তাৱ ৰাখিলো। আমাৰ বেছিভাগ ৰাজহ আহে কৃষি খণ্ডৰ পৰা। উদ্যোগ খণ্ডৰ পৰা আমি বেছি ৰাজহ নাপাওঁ। আমি ৰাজ্যখনত উদ্যোগ নিৰ্মাণ কৰি আছো আৰু আমি তাত চাবচিডিহে দি আছো। মোৰ সমষ্টিত উদ্যোগৰ বিশেষ কেন্দ্ৰ এটা আছে। তাত ২৮ টা উদ্যোগ স্থাপন হৈছে। তাৰ পৰা আমাৰ একো লাভ হোৱা নাই। তাৰ পৰা এটাই লাভ হৈছে, আমি প্ৰদূষণ পাই আছো। মাননীয় অধ্যক্ষ মহোদয়, সেই সকল ভালকৈ চলাৰ কাৰণে আমাৰ যিটো গাইড লাইন দিয়া হৈছে, তাৰ পানী কোন ফালে যাব, কোনো নলাৰ ব্যৱস্থা নাই, যধে-মধে কৰিছে। হাজাৰ হাজাৰ কৃষিভূমি পানীত ডুবি আছে, তাতে খেতি কৰিব পৰা নাই। উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ PWD বিভাগত বহুত PMGSY ৰাস্তা হৈছে আৰু Proposal ত আছো কিন্তু অলপ অলপ অসুবিধাৰ কাৰণে আমাৰ দুধনৈ বিধায়ক ডাঙৰীয়াইও অসুবিধাখিনি কৈছে যে ৫০০ মিটাৰ, ১ কিলোমিটাৰৰ কাৰণে ৪

কিলোমিটাৰ ৰাস্তা Forest য়ে NOC নিদিয়া কাৰণে আমি কৰিব পৰা নাই। কিন্তু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আশ্বাস দিছে এই Problem টো সমাধান কৰিব। গতিকে মই অনুৰোধ কৰিলো আজি যাতে এইটো সমাধান কৰা হয়। আকৌ এই চৰকাৰে বসুন্ধৰা নামত লাখ লাখ মানুহক মাটি Allotment দিছে ভাল লাগিছে। কিন্তু বহুত গৰাখহনীয়াৰ ক্ষতিগ্ৰস্ত ভূমিহীন মানুহক কিজানি এটাও মাটি Allotment দিয়া নাই, এক কঠাও দিয়া নাই। মই অনুৰোধ কৰিছোঁ বসুন্ধৰা যেতিয়া Next আহিব এই গৰাখহনীয়াত গৃহহীন, ভূমিহীন হোৱা মানুহক যেন অলপ মাটিৰ ব্যৱস্থা কৰি দিয়ে থকাৰ কাৰণে, এইটো মৌলিক অধিকাৰ। উপাধ্যক্ষ মহোদয়, PHE ডিপাৰ্টমেন্টৰ যিমান JJM ৰ অধীনত স্কিম হৈছে বাস্তৱ কথা পেপাৰ্চত 100% আছে। 10% ও কাৰ্যক্ষম হৈ থকা নাই। যিটো বাস্তৱ কথা। গতিকে মই অনুৰোধ কৰিলোঁ নতুনকৈ মন্ত্ৰী হৈছে, যে অতি সোনকালে যেন এইখিনি কৰি দিয়ে। যিখিনি আমাৰ এই GP ফাণ্ডৰ পৰা , টাইড ফাণ্ডৰ পৰা কটা হৈছে, সেই টকাখিনি খালী যদি 20 হাজাৰ টকাৰ কাৰণে 50 হাজাৰ টকাৰ কাৰণে 1 লাখ টকাৰ কাৰণে স্কিমবিলাক বন্ধ হৈ আছে, অতি সোনকালে যাতে কৰা হয়। উপাধ্যক্ষ মহোদয়, মোৰ নতুন সমষ্টিত নতুন সমষ্টিত ১৮ টা GP আছে।১৮ টা GP ৰ ভিতৰত ১৭ টা GP মিলি এখনো থানা নাই। প্ৰস্তাৱ আছে। সেই থানা দুখন সোনকালে যাতে কৰি দিয়ে। আমাৰ যিটো নতুন সমষ্টি হ'ল আমাৰ গোৱালপাৰা পূৱ সমষ্টিটো মোৰ। তাতে মডেল হস্পিতাল নাই। কিন্তু ভাল লাগিছে মুখ্যমন্ত্ৰী ডাঙৰীয়াক কালি অৱগত কৰা কাৰণে ৫০ বেডৰ হস্পিতাল দিম বুলি কৈছে। গতিকে আশা কৰিলোঁ নিশ্চয় এইটো দিব। মই শেষ কৰিম। লাষ্ট মই অনুৰোধ কৰিছোঁ বিত্ত বিভাগৰ মন্ত্ৰীক যে তেখেতে যি হাৰত Revenue ৰ কাৰণে যি যুজ দিয়া দেখিছোঁ, এই যুজতো যদি থাকি যায়, নিশ্চয় কিবা এটা হ'ব। আমি ঋণ লৈ ঘৰ চলাই আছোঁ। ঋণ লোৱাটো আমাৰ প্ৰধান কাম হ'ব নোৱাৰে। ঋণ হ'ব লাগে। আমাৰ যদি এতিয়া 10 বিঘা মাটি থাকে, 10 বিঘা মাটি যদি আমি বন্ধকত দি ঋণ লওঁ, আমি খেতি ক'ত কৰিম? গতিকে অসমখনত যদি আমি কি কৈছে 32% GDP ৰ ওপৰত আমি লোন ল'ব পাৰোঁ।

ইমান লোন লোৱাই নাই। শাসকীয় বিধায়কে কৈছে যে 25% লৈ গৈছোঁ আৰু ল’ব পাৰোঁ। মই ক'ব খুজিছোঁ 10 বিঘা মাটি আছে আমি গোটেইখিনি বন্ধক দি আমি লোন লৈ থাকিম নেকি? আমিটো উৎপাদন কৰিব লাগিব। আমাৰ ৰাজহ বঢ়াব লাগিব। গতিকে মই কৈছোঁ, প্ৰত্যেকজন বিধায়কক অন্তঃ ৰাজহ সংগ্ৰহত ক'ত ক'ত ৰাজহ ফাঁকি দি আছে উলিয়াব লাগে। প্ৰত্যেকটো ডিপাৰ্টমেন্টত ৰাজহ ফাঁকি হৈ আছে। প্ৰত্যেকটো ডিপাৰ্টমেন্টত Syndicate চলি আছে। মই কৈছোঁ 126 জন বিধায়কক আমাৰ মুখ্যমন্ত্ৰী মহোদয়ক বাদ দিয়ক। মন্ত্ৰীসহ 125 জন বিধায়কক এই ৰাজহ সংগ্ৰহত লগাই দিয়ক য'ত য'ত ৰাজহ ফাঁকি হৈ আছে বিধায়কক হস্তক্ষেপ কৰিব দিয়ক ৰাজহ বঢ়া হওঁক তেতিয়া হে আমাৰ এই ঋণ বিলাক মাৰিব পাৰিম।

**মাননীয় উপাধ্যক্ষঃ** ৩ মিনিট Extra দিয়া হৈছে, অনুগ্ৰহ কৰি শেষ কৰক।

মই লাষ্ট এইটো মই আপোনাৰ ওচৰত অনুৰোধ কৰিলোঁ। আমাৰ যিটো হাঁতী মানুহৰ সংঘাত হৈ আছে, মই মন্ত্ৰী মহোদয়ক মই অলপ দৃষ্টিগোচৰ কৰিছোঁ। ফৰেষ্টৰ ফৰেষ্ট প্ৰডাক্টট কৈ নন ফৰেষ্ট প্ৰডাক্ট বেছি আছে। অলপ লক্ষ্য কৰিব। নন ফৰেষ্ট প্ৰডাক্টটো আগত নোহোৱা কৰক। তেতিয়াহে হাতী থাকিব। যেনেকৈ ৰবৰ খেতি, পাম অয়েল, টি গাৰ্ডেন, নাৰিকল, কল খেতি এইবিলাক নন ফৰেষ্ট প্ৰডাক্ট আৰু ফৰেষ্টতকৈ নন ফৰেষ্ট প্ৰডাক্ট বেছি আছে। মই লাষ্ট এইখিনিতে শেষ কৰিম। হাতী থকা ঠাই অসমৰ দুটা ঠাই Identify কৰিছে। পঞ্চৰত্নত হাতী Permanently থাকে। তাতে পোৱালি দিয়ে। গোৱালপাৰা টাউনত চইলমাৰিৰ পৰা যোৱা ৰাস্তা টাউনত এটা সেইটো মেইন ৰোড। তাতে এক ঘণ্টা লৈকে ট্ৰেফিক জাম কৰি ৰাখে হাতীয়ে। তাতে বহুত মানুহ মাৰিছে। চইলমাৰিৰ পৰা গোৱালপাৰা যোৱাত সেই ৰাস্তাত সেই হাতীৰ কৰিডৰটো Over Bridge দি সেইটো ক্লিয়াৰ কৰি দিব লাগে বুলি এইখিনি কথা কৈ মই শেষ কৰিছো।

**মাননীয় উপাধ্যক্ষঃ** Thank you. Next member is Shri Rishiraj Hazarika.

**শ্ৰী ঋষিৰাজ হাজিৰকা, (ৰঙানদী)ঃ** ধন্যবাদ, মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰথমে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু বিত্ত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছোঁ। যিহেতু আমাৰ ভাৰতীয় জনতা পাৰ্টিৰ এন ডি এ নেতৃত্বত আমাৰ চৰকাৰৰ মূল লক্ষ্য আছিল অন্তোদয়া সমাজৰ শেষৰ জন ব্যক্তিক চুই যোৱা আমাৰ লক্ষ্য। যাতে চৰকাৰৰ প্ৰতিখন আঁচনিয়ে সমাজৰ শেষৰ জন ব্যক্তিলৈকে চুই যাব পাৰে, এয়া হৈছে আমাৰ প্ৰধান উদ্দেশ্য। সেইবাবে মই ভাবোঁ যে যি বাজেট আমাৰ উত্থাপন কৰা হ'ল, এই বাজেট সমাজৰ শেষৰ জন ব্যক্তিক চুই যাব পৰা এখন বাজেট। সমাজৰ সকলো স্তৰৰ, সকলো স্তৰৰ ব্যক্তিক চুই যাব পৰা এখন বাজেট। মই ভাবো যে ৰাজ্যৰ অৰ্থনীতি উন্নয়ন তৰান্বিত কৰা, যুৱক-যুৱতীৰ বাবে নিয়োগৰ সুযোগ বৃদ্ধি, কৃষি চাহ উদ্যোগ আৰু শক্তি খণ্ড শক্তিশালী কৰা, শিক্ষা, স্বাস্থ্য আৰু সমাজ কল্যাণৰ ব্যৱস্থা অধিক উন্নত কৰা আৰু পৰিবেশ সুৰক্ষা, সেউজ উন্নয়নক উৎসাহিত কৰা এই বাজেটখনৰ মূল লক্ষ্য। কিন্তু ইয়াৰ ভিতৰত যদি মই চাবলৈ যাওঁ বিশেষভাৱে যিহেতু মই এজন যুৱপ্ৰজন্মক প্ৰতিনিধিত্ব কৰা এজন বিধায়ক মই সেই হিচাপে ক'ব বিচাৰোঁ যে আমাৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ এখন সফল আঁচনি CMAAA। আমি CMAAA যদি চাবলৈ যাওঁ আমি যদি দেখোঁ যে প্ৰথমতে আমাৰ প্ৰায় ১৩০০০ আমাৰ প্ৰথম আঁচনিখন যেতিয়া লঞ্চ কৰা হৈছিল প্ৰথমে ১৩০০০, তাৰ পাছত ৭৫০০০ আৰু এইবাৰ যিটো বিত্তীয় বৰ্ষ, এই বিত্তীয় বৰ্ষত প্ৰায় ৫০,০০০ নতুন CMAAA দিয়াৰ কথা যিটো কোৱা গৈছে এইটো এটা আটাইতকৈ ডাঙৰ কথা কিয়নো আমি যি সময়ত আমি নিবনুৱা সমস্যা সমাধানৰ কথা কওঁ, যি সময়ত আমি বাৰে বাৰে কওঁ যে আমাৰ বেংলোৰ হায়দৰাবাদত থকা আমাৰ যুৱকসকলক, শিক্ষিত যুৱকসকলক নিজৰ নিজৰ অঞ্চললৈ ঘূৰাই অনাৰ কথা কওঁ এইবোৰ কথা কেৱল আমি কথায়ে কৈ থাকিলে নহ'ব। এইবোৰ যদি হাতে কামে কৰিবলৈ হয় তাৰ কাৰণে ব্যৱস্থা লাগিব। কালি আমি দেখিবলৈ পাইছিলোঁ যে এজন বিধায়কে প্ৰতিখন আঁচনি CMAAA , নিজুত মইনা, নিজুত বাবুকে

আদি কৰি প্ৰত্যেকখন আঁচনিত তেওঁ  তুচ্ছ তাচ্ছিল্য কৰিছে। মোৰ সন্দেহ হয় তেওঁ বাৰে বাৰে কৰ্ম সংস্কৃতিৰ কথা কৈছে । আজি কৰ্ম সংস্কৃতিক আমাৰ যুৱ প্ৰজন্মক কৰ্ম সংস্কৃতিৰ পৰা বিমুখ কৰিবৰ কাৰণে খেতিয়কসকলক পথাৰৰ পৰা ৰাজপথলৈ লৈ যোৱা ব্যক্তিসকল, এই বিধায়কসকল কোন? কোনসকল নেতায়ে খেতিয়কসকলক পথাৰৰ পৰা আনি ৰাজপথলৈ আন্দোলন কৰাৰ যিটো পৰম্পৰা অসমত সৃষ্টি কৰা ব্যক্তিসকল কোন? আৰু সেইসকল ব্যক্তি আজি যেতিয়া অসমৰ এইখন চৰকাৰে ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰখনে যেতিয়া এই জাতিটো কৰ্মমুখী কৰাৰ কাৰণে যদি আজি CMAAA ৰ জৰিয়তে যদি যুৱক সকলক বেংলোৰ, হায়দৰাবাদৰ পৰিৱৰ্তে যদি নিজৰ নিজৰ মাকৰ লগত নিজৰ নিজৰ পৰিয়ালৰ লগত থাকি নিজ নিজ অঞ্চলৰ উন্নয়নৰ কাৰণে কাম কৰিবলৈ যদি উদগণি জনাইছে তাত তেওঁলোকে প্ৰশংসা কৰাৰ পৰিৱৰ্তে বিৰোধ কৰাৰ উদ্দেশ্য কি? এইসকল ব্যক্তিয়ে আমাৰ উঠি অহা প্ৰজন্মক কেৱল কথা ''আছে হেংদাং লোৱা নাই, ল'লে হেংদাং ৰক্ষা নাই'' এই কথা কেবল আমি ভাষণত কৈ থাকিলে নহ'ব। এই কথা আমি হাতে কামে কৰিবৰ কাৰণে যুৱ প্ৰজন্মৰ বাবে ব্যৱস্থা কৰিব লাগিব আৰু মই ভাবো আজি CMAAA ৰ  তৃতীয় সংস্কৰণত যি ৫০,০০০ নতুন যুৱকক CMAAA ৰ জৰিয়তে লাভান্বিত কৰা হ'ব । মই ভাবো অনাগত দিনত আমাৰ উঠি অহা প্ৰজন্ম কৰ্ম সংস্কৃতিলৈকে কাম কৰিবৰ কাৰণে সফল হ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, যে আমাৰ এই বাজেটখনত আমি দেখিবলৈ পাইছোঁ পাঁচ বছৰৰ ভিতৰত ১০ লাখ যুৱকক, যুৱ উদ্যোগীক ক্ষমতা সম্পূৰ্ণ কৰি তোলা হ'ব। আমি বিভিন্ন সময়ত কওঁ যে আমি অৰ্থনৈতিকভাৱে আমি আগবাঢ়িব পৰা নাই বুলি কওঁ। আমাৰ যুৱ প্ৰজন্ম অৰ্থনৈতিকভাৱে আগবাঢ়িব পৰা নাই। আমাৰ যিসকল যুৱ ব্যৱসায়ীয়ে লাহে-লাহে তেওঁলোক প্ৰথম প্ৰজন্মৰ ব্যৱসায়ী হিচাপে নিজে-নিজে ব্যৱসায়টো আৰম্ভ কৰে, আৰু যেতিয়া চৰকাৰৰ পৰা তেওঁলোকে উদগনি পায়, আমি দেখিবলৈ পাইছোঁ যে অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে বিভিন্ন জিলাৰ ক্ষুদ্ৰ-ক্ষুদ্ৰ উদ্যোগী বা যিসকল entrepreneur আছে, তেওঁলোকক অনুপ্ৰেৰণা যোগাবৰ

কাৰণে তেওঁলোকৰ ওপৰত বিভিন্ন কাম কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই যুৱ প্ৰজন্মৰ কথা আমি এইটো কাৰণেই কৈছোঁ, কিয়নো যদি এটা জাতিৰ যুৱ প্ৰজন্ম শক্তিশালী নহয় বা যুৱ প্ৰজন্ম যদি অৰ্থনৈতিকভাৱে সবল হ'ব নোৱাৰে, তেন্তে সেই জাতি বেছি দিনলৈ, কেৱল কথাৰে আৰু আন্দোলনেৰে এই জাতি জীয়াই ৰাখিব নোৱাৰিম। এই জাতি জীয়াই ৰাখিবৰ কাৰণে আমাৰ যুৱ প্ৰজন্মক কৰ্ম সংস্কৃতিৰ দিশত আগুৱাই নিব লাগিব। মই বিভিন্ন সময়ত দেখিবলৈ পাইছোঁ, এখন press meet ত বহি, ৰাজপথত বৈ, আমি কেৱল বিৰোধ কৰাটো সহজ কথা, কিন্তু যেতিয়া এখন চৰকাৰৰ বিষয়বস্তুত থাকি, আৰু বাস্তৱ ৰূপত আমি সেই যুৱকসকলৰ উন্নয়নৰ কাৰণে যেতিয়া চিন্তা কৰোঁ, তেন্তে আপুনি ভাৱক, যেতিয়া আজি ৰঙানদী, ফুলবাৰী বা ১২ মাইল অঞ্চলৰ পৰা এজন যুৱকে মাত্ৰ ৮,০০০ টকাৰ বিনিময়ত Bangalore, Hyderabad ত চাকৰি কৰে, সেই ল'ৰাজনক যদি নিজৰ ঘৰলৈ ঘূৰাই আনি CM-AAA ৰ জৰিয়তে কৰ্মসংস্থাপন দিয়াৰ কথা এইখন চৰকাৰে  চিন্তা কৰিছে, ভুল হ'ব পাৰে নেকি ? তেনেকুৱা ধৰণৰ  আঁচনি যেতিয়া লোৱাৰ কাৰণে বিৰোধীয়ে সমৰ্থন কৰাৰ পৰিৱৰ্তে যেতিয়া নিজক কেৱল প্ৰাসংগিক কৰি ৰখাৰ স্বাৰ্থত বাৰে বাৰে বিৰোধ কৰে, তেন্তে এজন যুৱ প্ৰজন্মৰ যুৱক হিচাপে লজ্জা অনুভৱ কৰোঁ। মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমি দেখিবলৈ পাইছোঁ, যিহেতু মোৰ ঘৰ লক্ষীমপুৰত, আৰু লক্ষীমপুৰৰ কাষতে ডিব্ৰুগড় আছে। তাত আমি দেখিবলৈ পাইছো যে গুৱাহাটীৰ পাছতে দ্বিতীয়খন ৰাজধানী হিচাপে, ডিব্ৰুগড়ক উন্নয়নৰ উপায়েৰে নিৰ্মাণ কৰাৰ কথা এই বাজেটে পৰিকল্পনা লৈছে। এইটো উজনি অসমৰে নহয়, সমগ্ৰ অসমৰ কাৰণে গৌৰৱৰ কথা যে আমি এনেকুৱা এজন মুখ্যমন্ত্ৰী পাবলৈ সক্ষম হৈছোঁ, যিজন মুখ্যমন্ত্ৰীয়ে গুৱাহাটীৰ লগে লগে আৰু এখন ৰাজধানী নিৰ্মাণ কৰাৰ কথা চিন্তা কৰিব পাৰে। এইটো আহিবলগীয়া ৫-১০ বছৰৰ কাৰণে নহয়, অহা ৫০-১০০ বছৰৰ কাৰণে এইটো এটা দূৰদৰ্শী চিন্তা বুলি আমি ক'ব পাৰোঁ। শেষত উপাধ্যক্ষ মহোদয়, মই যিহেতু দেখিবলৈ পাইছোঁ, এই বাজেটত অসমৰ সত্ৰ পৰম্পৰা সংৰক্ষণৰ উদ্দেশ্যে, অসম সত্ৰ আয়োগ গঠনৰ

কথা সিদ্ধান্ত লৈছে। মই যিটো বিধান সভাৰ পৰা প্ৰতিনিধিত্ব কৰিছো, সেই অঞ্চলসমূহত দেখিবলৈ পাইছো যে তাত বহু এনেকুৱা সত্ৰ আছিল, যিবোৰ সত্ৰ বিশেষ সন্দেহযুক্ত লোকে ৰাতিটোৰ ভিতৰতে মাটি দখল কৰি নাইকিয়া কৰি পেলালে। মই আশা ৰাখিছো যে অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমাৰ চৰকাৰখনৰ দিনত শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ, মাধৱ গুৰুজনাৰ প্ৰত্যেকটো অস্তিত্ব পুনৰুদ্ধাৰ কৰি অনাগত দিনত আমি এখন সুন্দৰ, সবল, শক্তিশালী অসমীয়া সমাজ নিৰ্মাণ কৰিবলৈ সফল হ'ম বুলি আশা ৰাখি পুনৰ এবাৰ এখন জনমুখী বাজেট এই বিধান সভাৰ মজিয়াত ৰখাৰ বাবে অসমৰ মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱা ডাঙৰীয়াক ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছোঁ। ধন্যবাদ। ভাৰত মাতা কি জয়, জয় আই অসম।

**মাননীয় উপাধ্যক্ষঃ** Thank you. The next Hon'ble Member is Shri Dipak Kr. Das. Your time is only for 3 minutes.

**শ্ৰী দীপক কুমাৰ দাস, (বৰপেটা)ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, জয় জয়তে মই অসমৰ মুখ্যমন্ত্ৰী মাননীয় ড° হিমন্ত বিশ্ব শৰ্মা আৰু আমাৰ বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱা দেৱক, তেওঁ ২০২৬-২৭ চনৰ বাবে যি বাজেট আজি ইয়াত তেওঁ দাঙি ধৰিলে, তাৰ বাবে এই বাজেটখনত আমি যিধৰণে চৰ্চা আৰম্ভ কৰিছোঁ, এই চৰ্চাৰ পৰা এইটো প্ৰতীয়মান হৈছে যে এইখন সৰ্বমংগলকাৰী বাজেট। এই বাজেটত আছে ১৮ খন ধ্বজাবাহী আঁচনি। এক সুৰক্ষিত, সমৃদ্ধ, বিকশিত অসম গঢ়াৰ প্ৰচেষ্টা। এই হ'ল অষ্টাদশ মুকুতাৰ উন্নয়নী মালা। এই কল্যাণমুখী সেৱাৰ মাজেৰে ভগীৰথী যাত্ৰা। যি ভগীৰথে গংগা আনিছিল, ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আজি অসমত উন্নয়নৰ গংগা অনাৰ যি যাত্ৰা, তাৰ বাবে তেওঁৰ প্ৰতি মই পুনৰ শ্ৰদ্ধা জনাইছোঁ। মোৰ বাজেটৰ ওপৰত সাৱলীল বক্তৃতা ক'বলৈ ইচ্ছা আছিল। কিন্তু সময় তাকৰ, তাৰ বাবে ক'বলৈ নাযাওঁ। কিন্তু এই বাজেটত বহুতে যেনেকৈ কৈছে, তেওঁলোকৰ কথাবোৰ পৰস্পৰ বিৰোধী, কাৰণ তেওঁলোকে কৈছে বেলেগ আৰু কাম কৰিছে বেলেগ । গতিকে তেওঁলোকৰ কথাত মই

নাযাওঁ। এইখন হ'ল অসমৰ বাবে এখন দিকদৰ্শনকাৰী বাজেট। এই জনকল্যাণমুখী বাজেট। এই বাজেটত আছে আমাৰ মহিলা সবলীকৰণ কথা আৰু লিংগ বৈষম্যৰ যদি কোনোবাই আশ্ৰয় দিয়ে, তেনেকুৱা ব্যক্তিক এই আঁচনিত কোনো ধৰণৰ ভাগ দিয়া নহয়। ই এক যুগদৰ্শনকাৰী বাজেট। উদাহীন ভকতৰ প্ৰতি ১৫,০০০ টকা প্ৰতিগৰাকী ক্ষুদ্ৰ আৰু উপান্ত কৃষকক ১১,০০০ টকা, ২০০ টকাকৈ প্ৰতি ধানৰ কুইন্টেলত আৰু প্ৰতি সৰিয়হ কুইন্টেলত ৩০০ টকাকৈ ৰেহাই দিয়া হৈছে। দুগ্ধপালকসকলক দিছে ৫ টকাকৈ ৰাজসাহায্য। জলপানীৰ বাবে, ছাত্ৰ-ছাত্ৰীক ৩,৭৫,০০০ টকা দিছে। ইয়াতকৈ আৰু কিবা জনমুখী বাজেট লাগে নেকি? মই প্ৰট'ন থেৰাপীৰ কথা নকওঁৱেই, মই মেট্ৰ' ৰেলৰ কথা নকওঁৱেই। মই যিবোৰ কথাই মানৱ সমাজক বহু উচ্চ স্তৰলৈ লৈ যায়, সেই কথাৰ ওপৰতহে বিশেষ আলোকপাত কৰিছোঁ। এতিয়া কথাটো হ'ল যে এই উন্নয়নৰ গংগা যি বাজেটত, এই বাজেটখনত কৰবাত বৰপেটা সমষ্টিটো বাদ পৰি গৈছে নেকি ? গতিকে মই ক'ব বিচাৰিছোঁ, যে বৰপেটা সমষ্টিও এই বাজেটত অংশ পাব লাগে। বাজেটত কোৱা হৈছে চিৰিয়েল নম্বৰ ১২৫ত কৈছে সাংস্কৃতিক ঐতিহ্যৰ কথা আৰু ১৫১ত কোৱা হৈছে পৰ্যটন ঐতিহ্যৰ কথা। এই সাংস্কৃতিক ঐতিহ্য আৰু পৰ্যটন ঐতিহ্যৰ মাজত বৰপেটাক পৰ্যটন নগৰী হিচাপে গঢ় দিয়াৰ বাবে মই পৰামৰ্শ আৰু অনুৰোধ কৰিলোঁ। এইটো হ'লে home stay বাঢ়ি যাব, communication বাঢ়িব, hotel, restaurant বাঢ়িব আৰু বৰপেটাৰ নিবনুৱা সমস্যা দূৰ হ'ব। লগতে মই অনুৰোধ কৰিম যে ২১২ যি চিৰিয়েল নম্বৰ আছে, তাত বাজেটৰ ললিত কলা একাডেমীৰ কাৰণে বৰপেটাৰ এটা সুন্দৰ পৰিৱেশ আছে আৰু তাৰ বাবে মই চৰকাৰক চকু দিবলৈ আহ্বান জনালোঁ। ইয়াৰ পিছত মই ক'ব বিচাৰো যে ২৬৭ ত উদ্যোগৰ কথা আছে। এই উদ্যোগৰ মাধ্যমেৰে বৃন্দাবনী বস্ত্ৰৰ এটা উদ্যোগ গঢ়িব পাৰে বৰপেটাত, তাৰ বাবে মই অনুৰোধ কৰিলোঁ। বৰপেটা জিলাত, বৰপেটা ষ্টেডিয়ামখন এতিয়ালৈকে মিনি ষ্টেডিয়াম হৈ আছে। ইয়াত track নাই, swimming pool নাই। তাৰ বাবে ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিলোঁ। সত্ৰীয়া ঐতিহ্যৰে পৰিপূৰ্ণ। এতিয়া

ইয়াৰ বাংলো heritage হৈ আছে, নতুন বাংলোৰ বাবে অনুৰোধ কৰিলোঁ। আজি বহৰি হৰিদেৱ সত্ৰৰ যি বৈদিক বৈষ্ণৱ ধৰ্মৰ প্ৰাণকেন্দ্ৰ, তাত এটা auditorium লাগে। গতিকে মই অনুৰোধ কৰিছো, মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে যে বাজেটত এইবোৰ কথা inclusion হ'ব লাগে আৰু তেতিয়া হ'লে বাজেটে আমাক নতুন দৰ্শন দিব আৰু মাননীয় বিত্ত মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱাই বিশেষভাৱে চকু দিব লাগে যিহেতু বহুতে social media ত কৈছে যে বৰপেটাৰ ওপৰত বাজেটত একো নাই । গতিকে মই ভাবো যে এইবোৰ inclusion এ বৰপেটাক নতুন সকাহ দিব আৰু ভূমিপুত্ৰ খিলঞ্জীয়াৰ বাবে এক সুৰক্ষিত চিন্তা হ'ব।

**মাননীয় উপাধ্যক্ষঃ** Thank you. The next Member is Shri Naba Kr. Doley.

**শ্ৰী নৱ কুমাৰ দলে, ( ঢকুৱাখানা)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাইছোঁ। এই বাজেট আলোচনাত অংশগ্ৰহণ কৰিবলৈ সুযোগ দিয়াৰ বাবে। মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যৰ সৰ্বসাধাৰণ জনতাৰ আশা-আকাংক্ষাৰ আৰু ভৱিষ্যত বিকাশৰ সপোনক সাৰ্থক ৰূপ দিবলৈ এক শক্তিশালী, আত্মবিশ্বাসী আৰু আত্মনিৰ্ভৰ অসম গঢ়াৰ দৃঢ় সংকল্পৰে অসম বিধানসভাৰ পবিত্ৰ মজিয়াত ২০২৬-২৭ বৰ্ষৰ বাজেট দাখিল কৰাৰ বাবে নতুন অসমৰ স্বপ্নদ্ৰষ্টা মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়ালৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো আৰু গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ, লগতে মানৱীয় মূল্যবোধ, দায়বদ্ধতা আৰু সমূহীয়া কল্যাণৰ আদৰ্শক সন্মুখত ৰাখি এখন সুন্দৰ বাজেট উপস্থাপন কৰা অসমৰ মাননীয় বিত্ত মন্ত্ৰী শ্ৰীযুত জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াকো আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। ২০২৬-২৭ বৰ্ষৰ অসমৰ বাজেটত উল্লেখ থকা প্ৰস্তাৱ আৰু সিদ্ধান্তসমূহ কাৰ্য্যকৰীকৰণৰ অৰ্থে অসমৰ বিকাশৰ নতুন শিখৰ স্পৰ্শ কৰিবলৈ সক্ষম হ'ব বুলি আমি গভীৰভাৱে বিশ্বাসী। মাননীয় উপাধ্যক্ষ মহোদয়, ২০২৬-২৭ বৰ্ষৰ অসমৰ বাজেটত উন্নয়ন, আৰ্থিক শৃংখলা আৰু জনকল্যাণ, এই সকলো বিষয়ৰ এক সুন্দৰ সমন্বয় দেখা গৈছে। এই বাজেট কেৱল বৰ্তমানৰ প্ৰয়োজন পূৰণৰ বাবেই নহয়, আগন্তুক

প্ৰজন্মৰ বাবে ই এক অধিক শক্তিশালী আৰু সমৃদ্ধিশালী অসম গঢ়াৰ ভেটি স্থাপন কৰিছে। বৰ্তমান চৰকাৰখনে বিত্তীয় আত্মনিৰ্ভৰশীলতা শক্তিশালী কৰাৰ উদ্দেশ্যে ২০৩১ চনৰ ভিতৰত নিজৰ উৎসৰ ৰাজহৰ বৰঙণি ৫০ শতাংশলৈ বৃদ্ধি কৰাৰ লক্ষ্য লৈ আগবাঢ়িছে। এই পদক্ষেপে অসমৰ উন্নয়নমূলক যাত্ৰাক প্ৰচুৰ গতিশীলতা প্ৰদান কৰিব। মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দিগদৰ্শী নেতৃত্বত ৰাজ্য চৰকাৰে বিগত পাঁচটা বছৰত স্বচ্ছতা প্ৰক্ৰিয়াৰে ১,৬৪,০০০ তকৈও অধিক চৰকাৰী চাকৰি প্ৰদান কৰিছে। আগন্তুক পাঁচ বছৰত অতিৰিক্ত ২ লাখ নিযুক্তিৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। যুৱ প্ৰজন্মৰ বাবে এইয়া এক অনন্য আশাৰ বতৰা। ইয়াৰ দ্বাৰা যুৱ প্ৰজন্মৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে চৰকাৰখনৰ দায়বদ্ধতা প্ৰকাশ পাইছে। ইয়াক আমি আন্তৰিকতাৰে আদৰণি জনাইছো । ইয়াৰ ওপৰিও যুৱ প্ৰজন্মক আত্ম নিৰ্ভশীলতাৰ দিশে আগুৱাই নিয়াত মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ শক্তিশালী পদক্ষেপ মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভ**ৰ**শীল অসম অভিযানৰ পূৰ্বৰ দুটাকৈ পৰ্য্যায় সফলতাৰ পি**ছু**ত চলিত বিত্তীয় বৰ্ষত বাচনি পৰীক্ষাৰ আৰম্ভ কৰি নতুনকৈ ৫০ হাজাৰ যুৱক-যুৱতীলৈ আৰ্থিক সহযোগিতা আগবঢ়াব বুলি বাজেটত ঘোষণা কৰিছে। এই পদক্ষেপে যুৱ প্ৰজন্মৰ বাবে বিশাল সম্ভাৱনাৰ দুৱাৰ মুকলি কৰি দিব। এই দৰে চি এম প্ৰাইডৰ দৰে দুৰদৰ্শী দৃষ্টিভঙ্গীৰে গ্ৰহণ কৰা আচনিৰ সম্প্ৰসাৰণ অতিকৈ আদৰণীয়। ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ বাবে মৰ্যদাপূৰ্ণ জীৱন –যাপনৰ পৰি**ৱেশ** গঢ়ি তুলিব পৰাটোৱে হৈছে চৰকাৰখনৰ অন্যতম সাফল্য। সকলোৰে সৈতে সকলোৰে বিশ্বাস, সকলোৰে প্ৰয়াস নীতিৰ আধাৰত প্ৰতিষ্ঠা লাভ কৰা এই সুচল জীৱন যাত্ৰাৰ পৰিবেশ অধিক শক্তিশালী ৰূপত গঢ়ি তোলাৰ বাবে বাজটত কেতবোৰ গুৰুত্বপূৰ্ণ দিশ সন্নিবিষ্ট হৈছে। অসমৰ বৃহৎ সামাজিক –সাহাৰ্য্য আঁচনি অৰুণোদয় হৈছে সমাজৰ সকলো শ্ৰেণীৰ প্ৰতি চৰকাৰখনৰ দায়বদ্ধতা এক অন্যতম প্ৰতীক । ইতিমধ্যে এই আঁচনিয়ে ৰাজ্যখনৰ প্ৰায় ৪০ লাখ টা পৰিয়ালক সামৰি লৈছে। অহা আগষ্ট মাহৰ পৰা অৰুণোদয়ৰ অধীনত অৰ্থ প্ৰদানৰ প্ৰক্ৰিয়া পুনৰ আৰম্ভ হ’ব। লগতে ক**ন্যা**

শিশু সকলৰ সুৰক্ষিত ভবিষ্যতৰ বাবে ৰূপায়িত মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিখনৰ অধীনত ২০২৬-২৭ শিক্ষা বৰ্ষৰ ধন বিতৰণ প্ৰক্ৰিয়া অহা অক্টোৱৰৰ মাহৰ পৰা আৰম্ভ হ'ব বুলি বাজেটত উল্লেখ কৰা হৈছে আৰু লগতে মুখ্যমন্ত্ৰীৰ নিযুত বাবু আঁচনি ৰূপায়ণৰ ঘোষণাক আমি আদৰণি জনাইছো । অধ্যক্ষ মহোদয়, আন্ত গাঁথনি উন্নয়ণ যিকোনো উন্নয়ণৰ ভেটী । বিগত সময়ছোৱাত যাতায়ত আৰু যোগাযোগৰ আন্তগাঁথনি উন্নয়ণেৰে অসমৰ প্ৰগতিক বিশেষ মাত্ৰা প্ৰদান কৰিছে। অসমৰ নগৰে চহৰে গাওঁ –ভুঁইয়ে এই অভূতপূৰ্ব পৰিৱ**ৰ্তন** আমি সকলোৱে প্ৰত্যক্ষ কৰিছো। অসম মালা -১ , ২, ৩ৰ অধীনত ২০ হাজাৰ কোটি টকাতকৈ অধিক টকা ৰ প্ৰকল্প হাতত লোৱা হৈছে আৰু ইয়াৰ ভিত্তিতে অসম মালা -৪ আৰম্ভ কৰাৰ বাবে বাজেটত প্ৰস্তাৱ লৈছে। এই নতুন পৰ্যায়ত আগন্তুক ৫ টা বছৰত আনুমানিক ১০ হাজাৰ কোটি টকাৰ ব্যয়েৰে ৮০০ কি.মি পথৰ আন্তগাঁথনি নিৰ্মাণ কৰা হ'ব যাতায়ত আৰু যোগাযোগৰ এই ব্যৱস্থাৰ এই আমুল পৰিৱৰ্ত্তনে কৃষি বাণিজ্য, পৰ্য্যটন আদি সকলো ক্ষেত্ৰতে গভীৰভাৱে ইতিবাচক প্ৰভাৱ পেলাইছে আৰু আগন্তুক সময়ত এই প্ৰক্ৰিয়াই অধিক শক্তিশালী হৈ উঠিব । এজন প্ৰতিনিধি হিচাপে মই এই পদক্ষেপক দৃঢ়তাৰে **শ**লাগ লৈছো। অধ্যক্ষ মহোদয়, মিশ্যনত এনাজৰী এক অন্যান্য আশাৰ বতৰা কঢ়িয়াই আনিছে । মই প্ৰতিনিধিত্ব কৰা ঢকুৱাখনা বিধান সভা সমষ্টিৰ গ্ৰাম্য অৰ্থনীতি মুগা ৰেচম শিল্পৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অসমৰ যুগমীয়া মুগা শিল্প বিশ্বমুখী কৰি তোলাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত গ্ৰহণ কৰা শক্তিশালী পদক্ষেপ মিশ্যন এনাজৰীৰ অধীনত ঢকুৱাখানাত এখন মুগা ৰেচম পৰ্য**টন** উদ্যাণ স্থাপন কৰাৰ কথা ঘোষণা কৰা হৈছে। এই পদক্ষেপৰ বাবে এই সূযোগতে ঢকুৱাখানা সমষ্টিবাসী ৰাইজৰ হৈ মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। মিছন এনাজৰীয়ে অসমৰ হাজাৰ হাজাৰ কৃষক আৰু শিল্পীৰ জীৱন-জীৱিকা সুৰক্ষিত কৰিব । আৰু অসমৰ মুগা শিল্পক বিশ্ব বজাৰত শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিব । ধন্যবাদ উপাধ্যক্ষ মহোদয়।

**मानननीय उपाध्यक्ष** ः Thank you Members. Next Member is Hon`ble Thaneswar Basumatary. Your time is 5 Minutes.

**Sri Thaneswar Basumatary, Baksa** ः **थानेस्वर बसुमतारि, मानास बियाब-**

मानगोनां लेङाइ बुंथिगिरि आं नोंथांखौ साबायखर बाउदों जे जोंनि फाइनेन्स मिनिस्टार जयन्त मल्ल बरुवा बिथाङा दाखालि थांनाय 10 खालाराव रांबावजा जोंनो होदों । बे जोबोर मोजां जादों बे जनमुखि जादों आरो बे रांबावजानि गेजेरजों आसामाव थानाय गासै हाजो-हायेन, सा-सानजा, सोनाब, खोला गासै ओनसोलाव थानाय सुबुं हारिनि सुबुं माहारिनि मोनसे मोजाङै जौगानाय मोनसे सिमां बेहाय बेरखांनाय जों नुनो मोनदों । आथिखालाव सोलिबाय थानाय माखासे मोजां मोजां आसनिनि अनगायैबो गोदानै फैबाय थानाय लाइमोन सेंग्रा-सिख्लाफोरनि थाखाय नै लाख साख्रि होनायनि बेहाय रादाय होदों बे जोबोद बाखनायथाव, बेनि थाखाय फाइनेन्स मिनिस्टार बिथांखौ आं बाख्रायदों । दा बेनि अनगायैबो जोंहा साख्रि गैयै फैबाय थानाय सेंग्रा-सिख्ला जोंनि जेनेरेसनफोर बिथांमोनखौबो रां-खान्थियारि भाबै जौगाहोनो थाखाय CMAAA नि गेजेरजों 50 रोजा जोंनि सेंग्रा-सिख्लाफोरनो नै लाख रां अनसुंथाइ होनानै बिथांमोनखौबो रांखान्थियारि भाबै सबल खालामनो नाजानायखौ नुनो मोन्दों । बिनि अनगायैबो बाबु, निजुत मैना, अरनदय बेफोर बिथिङावबो आसाम सरखारा 6 रोजा कौटि बाजेट धार्ज खालामदों । आइजोफोर जायफोरा इन्दि एम्फौ फिसिनानै बिथांमोननि रांखान्थि बिथिंखौ जौगाहोनो सानदों बे बिथिङावबो मिसन सेनेहिनि गेजेरजों 2.5 लाख दाग्रा-लुग्रा आइजोफोरनो रांखान्थि मदद होनानै बिथांमोननि जिउ खुंनायखौ गोख्रों खालामनो सरखारा नाजादों । जोंहा सोलोंथाइ बिथिङावबो आथिखालाव जोंनि आसामाव आरो बिटिसि ओनसोलाव गोबां फरायसालिफोर, गोजौ फरायसालिफोर दं जाय फरायसालिफोरा गोबावसम दिनैसिम प्रभिन्सिलाइज जायाखै आरो बेफोर फरायसालिफोरखौबो सरखारा फारियै प्रभिन्सिलाइज खालामनो थाखाय जोंनि बे रांबावजायाव खाबु लाखिदों । जोंनि स्वास्थ्य एबा देहा बिथिङाव जोंहा दाखालिबावै जा आथिखालाव गामि गफायाव थानाय साब सेन्टारफोरावबो साफा साफा डाक्टार होनायनि थाखाय जोंनि आसामनि मुख्य मन्थ्रि हिमन्त बिस्व शर्माया आरो जोंहा फाइनेन्स मिनिस्टार जयन्त मल्ल बरुवाया बेवहाय थांखि लाखिदों आसा खालामो जोंनि गोग्लैसोना थानाय गामि गफायाव रायजो-राजाया बे साब सेन्टारनि गेजेरजोंनो सासे डाक्टार जुदि थायोब्ला जोंनि स्वास्थ्यखौ एबा देहाखौ फाहामनायनि थाखाय खाबु मोनगोन आरो गोदानारि जोबोर बाख्रायथावदि जोंहा आसामाव दिनैसिम मोनजिब्रै मेडिकेल कलेज जोंहा दं । बेनि उनावबो दा गंफ्रोमबो जिलायाव गंफायै मेदिकेल कलेज गायसननो थाखाय जोंहा ड॰ हिमन्त बिश्व शर्माया थांखि लादों । दा बेनि मादाव देग्लाय गवालपारा, हाइलाकान्दि, हजाय आरो बजालि जिलायाव गोदानै मेदिकेल कलेज गायसननो बेवहाय रांबावजायाव थांखि दैखांदों । बेनि थाखाय Finance Minister आरो जोंनि Chief Minister ड॰ हिमन्त बिश्व शर्माखौ आं साबायखर

बाउहरदों आरो बेनि गेजेरजों आंबो जोंनि बागसा जिलायाव थाबैनो मेदिकेल कलेज गायसनो बेनि थाखाय आं खावालायबाय जोंनि मानाव गेदेर मुख्य मन्थ्रि बिथांखौ । दिनैनि हाउसाव आङो मोनसे जिनिसखौ खावलायनो सानदों बयबो मिथिगौदि थांनाय 2020 मायथाइनि 27 जानुवारियाव जा शान्थि सुक्तिनि गेजेरजों शनितपुर बिश्वनाथनि फ्राय 61 गामि आरो नलबारि, दरंनि 20 था गामि गासै 81 था गामिखौ लाफानानै जोंहा सानजाहा उदालगुरिनिफ्राय 150 किलमितार गोजानाव बि.टि.सि. जों बे गामिफोरखौ सरजाबनाय जाबायमोन । नाथाय जोंनि मिथिनायाव थांनाय नै बोसोराव बेफोर ओनसोलाव जेबो जौगानाय हाबाफारि जायाखै बेयो जोबोद दुखु नांथाव । बेखायनो आं खावलायनो सानो जे बिथांमोनखौबो समानै जौगाहोनो थाखाय आरो बे जायगायाव थानाय हाजो ओनसोलाव थानाय जायफोर थागिबि सुबुंफोर बिथांमोननोबो Forest Right Act. नि गेजेरजों जाहाथे मोनथाइ होनो हायो । बेनि थाखाय आं खावलायगोन आरो बिथांमोननि जौगानायखौ बबे मोनसे आयदाजों लांगोन बेनि थाखायबो आं सरखारखौ खावलायबाय । बेहाय Development Office जुदि जायोब्ला, भि.सि.दि.सि. अफिसफोर जायोब्ला, सारकल अफिस जायोब्ला बेनि गेजेरजों हयथ आं सानो बिथांमोननि जौगानायखौ बेनि गेजेरजों लांनो हागोन । दा बेनि अनगायैबो मानास गोदान समस्ति बेयो, जे जोंनि सापागुरि, पाटासारकुसि, भबानिपुर आरो शरभग बे मोनब्रै बियाबनिफ्राय दानखनानै 41 नं मानासखौ गोदानै दाफुंनाय जादों । जायनि थाखाय बे आंनि थाखाय गोदान मानास समस्तिया । दा बेवहाय जोंनो गोनांथार दिनै बे साब दिभिजना 23 बोसोराव आगान सुरबाय । नाथाय बे 23 बोसोराव दिनै सिम जा खिनि infrastructure थानांगौमोन जेरै- साब दिभिजनेल, Judicial Magistrate Court जोंहा दासिमबो जायाखै, बेयाव साब ट्रेजारि दासिमबो गैया दा बेफोरखौ होनो थाखाय मानगोनां मानाव गेदेर ड० हिमन्त बिश्व शर्मा बिथांखौ आं खावलायगोन थाबैनो जाहाथे Sub Division Judicial Magistrate Court खौ जाहाथे दाफुंनानै होयो लोगोसे 2003 मायथाइनि 20 फेब्रुवारियाव सुक्ति जानाय बे बि.टि.सि. सुक्तियाव आथिखालाव शरभोग रेभिनिउ सारकलाव थानाय गामिफोर जेरै दखिन हाउलियाव गाउरपारा, हेलनापाम, रनदिया, गलायकान्दा, पस्सिम हाउलिनि सिमलागुरि दुबगुरि, गबिन्दपुर, सिमलाजार, बेननिबारि, पुबहाउलियाव बुननाझार पाम मासुवा कथालपारा, बेलगुरि, कानदुवा, उत्तर हाउलियाव लुवासुर, जाखिरपाम, आथियाबारि आरो मैराझारगाव बे 18 गामिया दिनैसिमबो शरभोग रेभिनिउनि सिङावनो दङ । दा बिखौ बि.थि.सि.नि जालाह रेभिनिउ सारकलनि सिङाव गथायना होयोब्ला मोजां जायो बेनि थाखाय मानाव गेदेर गिबि मन्थ्रि बिथांखौ आं खावलायबाय लोगोसे आंहा गोदानै समस्तियाव मेजर प्रब्लेम दं होनना बुंब्ला आनन्द बाजारनिफ्राय गबरधनायाव थांनाय लामाया जोबोद गाज्रि जाना दङ । आथिखालाव सालबारिनिफ्राय मानास, जेराव World Heritage Site होनना जों मानास नेसेनेल पार्क सिम थांनाय लामाया जोबोद गाज्रि जाना दं, दावधारानिफ्राय अनसलि जानानै जालाह जेराव जोंहा रेभिनिउ सारकल बे लामाखौ आसाम मालायाव होनानै जोंनि राइजो राजानि हान्था मेलानि सुबिदा खालामनानै आं मानाव गेदेर ड० हिमन्त बिश्व शर्मा आरो Finance Minister बिथांखौ खावलायनानै आं आंनि बुंनायखौ फोजोबबाय ।

( মাননীয় উপাধ্যক্ষ মই আপোনাক শুভেচ্ছা জ্ঞাপন কৰিছো । আমাৰ বিত্তীয় মন্ত্ৰী শ্ৰীযুত জয়ন্ত মল্ল বৰুৱাই যোৱা ১০ তাৰিখে বাজেট আমাক দিছে । ই বহুত ভাল জনমুখি হৈছে আৰু এই বাজেটৰ জৰিয়তে অসমত থকা সমূহ পাহাৰ-ভৈয়াম পূৱ-পশ্চিম, উত্তৰ-দক্ষিণ সমগ্ৰ অঞ্চলত থকা জাতি, জনজাতিৰ এটা ভাল উন্নয়নৰ সপোন ইয়াত ডাঙি ধৰা আমি দেখিবলৈ পাইছো । বৰ্তমান চলি থকা বহু ভাল ভাল আঁচনিৰ বিপৰিতেও নতুনকৈ আহি থকা যুৱক-যুৱতী সকলৰ বাবে দুই লাখ চাকৰিৰ নিযুক্তি দিয়াৰ ইয়াত প্ৰতিশ্ৰুতি আছে, ইয়াৰ বাবে বিত্তীয় মন্ত্ৰী তেখেতক মই প্ৰসংশা জনাইছোঁ । এতিয়া ইয়াৰ বাদেও আমাৰ নিবনুৱা যুৱক-যুৱতী তথা নৱপ্ৰজন্ম, তেওঁলোককো আৰ্থিকভাৱে উন্নতি সাধন কৰিবলৈ CMAAA ৰ জৰিয়তে ৫০ হেজাৰ যুৱক-যুৱতি সকলক আমি দুই লাখ টকা অনুদান দি তেওঁলোককো আৰ্থিকভাৱে সবল কৰি তুলিবলৈ চেষ্টা কৰা দেখা পাইছোঁ । ইয়াৰ বাহিৰেও বাবু, নিযুত মইনা, অৰুনোদয় এইবোৰৰ ক্ষেত্ৰতো ৬ হেজাৰ কৌটি টকা ধাৰ্য্য কৰিছে । ইয়াৰ পৰা মহিলা সকল, যি সকলে এড়ি পলু পালন কৰি তেওঁলোকৰ অৰ্থনৈতিক দিশত উন্নতি কৰিব বিচাৰে এই ক্ষেত্ৰতো মিছন চেনেহীৰ জৰিয়তে ২.৫ লাখ বয়নশিল্পী মহিলা সকলক আৰ্থিক সাহাৰ্য্য প্ৰদান কৰি তেওঁলোকৰ জীৱিকাক সৰল কৰি তুলিবলৈ চৰকাৰে যথেষ্ট চেষ্টা কৰিছে । আমাৰ শিক্ষাৰ দিশতো বৰ্তমান আমাৰ অসমত আৰু বিটিচি অঞ্চলত বহু বিদ্যালয় আছে, যি বিদ্যালয় সমূহ বহুদিন ধৰি আজিলৈ প্ৰাদেশিকীকৰণ হোৱা নাই আৰু এই বিদ্যালয় সমূহকো চৰকাৰে ক্ৰমে প্ৰাদেশিকীকৰণ কৰিবৰ বাবে আমাৰ এই বাজেটত সুযোগ ৰাখিছে । আমাৰ স্বাস্থ্যৰ ক্ষেত্ৰত আমাৰ সৌসিদিনা যি বৰ্তমান গাওঁ অঞ্চলবোৰত থকা প্ৰত্যেক স্বাস্থ্য কেন্দ্ৰবোৰতো এজনকৈ ডাক্তৰ দিয়াৰ বাবে আমাৰ অসমৰ মূখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিত্তীয় মন্ত্ৰী শ্ৰীযুত জয়ন্ত মল্ল বৰুৱাই ইয়াত প্ৰস্তাৱ ৰাখিছে । গাওঁ অঞ্চল সমূহত ৰাইজে এই স্বাস্থ্য কেন্দ্ৰ সমূহৰ জৰিয়তে এজন ডাক্তৰ যদি থাকে আমাৰ স্বাস্থ্যৰ চিকিৎসাৰ বাবে সুযোগ পাব আৰু নতুনত্ব বহু প্ৰসংশনীয় যে আমাৰ অসমত আজিলৈকে ১৪ টা মেডিকেল কলেজ আছে। ইয়াৰ পাছতো এতিয়া প্ৰত্যেকতো জিলাত একোটাকৈ মেডিকেল কলেজ স্থাপন কৰিবৰ বাবে আমাৰ ড° হিমন্ত বিশ্ব শৰ্মা দেৱে পদক্ষেপ হাতত লৈছে । এতিয়া ইয়াৰ ভিতৰত এইবছৰ গোৱালপাৰা, হাইলাকান্দি, হোজাই আৰু বজালী জিলাত নতুনকৈ মেডিকেল কলেজ স্থাপন কৰিবৰ বাবে এই বাজেটত প্ৰস্তাৱ আগবঢ়াইছে । ইয়াৰ বাবে বিত্তীয় মন্ত্ৰী আৰু আমাৰ মুখ্য মন্ত্ৰী ড. হিমন্ত বিশ্ব শৰ্মা দেৱক মই শুভেচ্ছা জ্ঞাপন কৰিছোঁ । আৰু ইয়াৰ জৰিয়তে মইও আমাৰ বাক্‌ছা জিলাত যাতে অতি সোনকালে মেডিকেল কলেজ স্থাপন কৰে ইয়াৰ বাবে মই অনুৰোধ জনালোঁ আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াক । আজিৰ সদনত মই এটা বিষয়ক অনুৰোধ কৰিব বিছাৰোঁ; সকলোৱে অৱগত যে যোৱা ২০২০ চনৰ ২৭ জানুৱাৰীত যি শান্তি চুক্তিৰ দ্বাৰা শোনিতপুৰ-বিশ্বনাথৰপৰা ৬১ টা গাওঁ আৰু নলবাৰী-দৰঙৰ ২০ টা গাওঁ মুঠ ৮১ টা গাৱক লৈ আমাৰ পুৱৰ ওদালগুৰীৰ পৰা

১৫০ কিলোমিটাৰ দূৰত্বত বিটিচি ৰ লগত এই গাওঁ সমূহক অন্তৰ্ভুক্ত কৰা হৈছিল। কিন্তু আমি জনাত যোৱা ২ বছৰত এইবোৰ অঞ্চলত কোনো উন্নয়নৰ কাম হোৱা নাই, ই বৰ দুখজনক । সেয়ে মই অনুৰোধ কৰিব বিছাৰো যে, তেওঁলোককো সমানে উন্নতিৰ পথত আগবঢ়াই নিবৰ বাবে আৰু এই অঞ্চলত থকা পাহাৰীয়া অঞ্চলত বসবাস কৰা যিসকল ভুমিপুত্ৰ লোক তেওঁলোককো Forest Rights Act ৰ জৰিয়তে যাতে অধিকাৰ প্ৰদান কৰে । ইয়াৰ বাবে মই অনুৰোধ কৰিম আৰু তেওঁলোকৰ উন্নয়নক কোন এটা বিষয়ৰ জৰিয়তে নিব পাৰো ইয়াৰ বাবেও মই চৰকাৰক অনুৰোধ জনালোঁ । ইয়াত ডেভলপমেন্ট অফিচ যদি হয়, ভিচিডিচি অফিচবোৰ হয়, চাৰ্কোল অফিচ যদি হয় ইয়াৰ দ্বাৰা হয়তো মই ভাবো তেওঁলোকৰ উন্নয়নক ইয়াৰ দ্বাৰাই নিব পৰা যাব । এতিয়া ইয়াৰ বাদেও চাৰ, মানাহ নতুন এটা সমষ্টি, এই আমাৰ চাপাগুৰী, পাটাছাৰকুছী, ভৱানীপুৰ আৰু সৰভোগ এই চাৰিটা সমষ্টিৰ পৰা ভাগ কৰি আনি ৪১ নং মানাহ সমষ্টিক নতুনকৈ গঠন কৰা হৈছে । যাৰবাবে এই মানাহ মোৰ বাবে এটা নতুন সমষ্টি । এতিয়া ইয়াত আমাক প্ৰয়োজন আজি এই চাব ডিভিজন ২৩ বৰ্ষত ভৰি দিলে । কিন্তু এই ২৩ বছৰত আজিলৈকে যিমানখিনি আন্ত:গাঁথনি থাকিব লাগিছিল যেনে- চাব ডিভিজনেল জুডিছিয়েল মেজিষ্ট্ৰেট কোৰ্ট আমাৰ আজিলৈকে হোৱা নাই, ইয়াত চাব ট্ৰেজাৰি আজিলৈকে নাই, এতিয়া এইবোৰক দিবৰ বাবে মাননীয় ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক মই অনুৰোধ জনাম অতি সিঘ্ৰে যাতে চাব ডিভিজনেল জুডিছিয়েল মেজিষ্ট্ৰেট কোৰ্ট নিৰ্মাণ কৰি দিয়ে আৰু লগতে ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীৰ চুক্তি মতে এই বিটিচি চুক্তিত বৰ্তমান সৰভোগ ৰেভিনিউ চাৰ্কোলত থকা গাওঁসমূহ যেনে- দক্ষিণ হাউলিত গাৰোৰপাৰা, হেলনাপাম, ৰনদিয়া, গলাইকান্দা, পশ্চিম হাউলিৰ- শিমলাগুৰি, দুধগুৰি, গবিন্দপুৰ, চিমলাঝাৰ, বেংনিবাৰি, পুব হাউলিত- বুননাঝাৰপাম, মাছুৱা, কাঠালপাৰা, বেলগুৰি, কান্দোৱা, উত্তৰ হাউলিত লুৱাচুৰ, জাখিৰপাম, আঠিয়াবাৰি আৰু মৈৰাঝাৰ গাওঁ এই ১৮ খন গাওঁ আজিওঁ সৰভোগ ৰেভিনিউৰ অন্তৰ্গত হৈ আছে । এতিয়া ইয়াক বিটিচিৰ জালাহ ৰেভিনিউ চাৰ্কোলৰ অন্তৰ্গত সংযোগ কৰি দিলে ভাল হয়। ইয়াৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ জনালোঁ । লগতে মোৰ নতুনকৈ সমষ্টিত প্ৰধান সমস্যা আছে বুলি কলে আনন্দ বজাৰৰপৰা গৰৰ্ধনা যোৱা পথটো বৰ্তমান অতি শোঁচনীয় হৈ আছে, চালবাৰীৰপৰা মানাহ, যত ৱৰ্ল্ড হেৰিটেইজ চাইট বুলি আমি জানো, এই মানাহ ৰাষ্ট্ৰীয় উদ্যানলৈ যোৱা পথচোৱা অতিকৈ শোঁচনীয় অৱস্থাত আছে, দাৰধৰাৰপৰা অঞ্চলি হৈ জালাহ যত আমাৰ ৰাজহ চক্ৰলৈ যায় এই পথচোৱা অসম মালাত অন্তৰ্ভুক্ত কৰি আমাৰ ৰাইজৰ যাতায়াতৰ ব্যৱস্থা সূচল কৰি দিব বুলি মই মাননীয় ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিত্তীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰি মই মোৰ ভাষণ সামৰিলোঁ । **)**

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় বিধায়ক শ্ৰী বিশ্বজিৎ ফুকন।

**শ্ৰী বিশ্বজিৎ ফুকন, সৰুপথাৰঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সমৃদ্ধি আৰু সম্ভাৱনাৰ বাৰ্তা বহন কৰি এখন শক্তিশালী বাজেট দাখিল কৰাৰ বাবে মই অসমৰ মাননীয় বিত্ত মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াক ধন্যবাদ জনাইছো। লগতে এনে এখন বাজেট দাখিলৰ বাবে মাৰ্গদৰ্শন কৰা অসমৰ সন্মানীয় মুখ্যমন্ত্ৰী যাৰ নেতৃত্বত অসমে আকাশ চুবলৈ গৈ আছে ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া, মই তেখেতকো বিশেষভাৱে ধন্যবাদ জনাইছো। এখন বাজেটে এখন ৰাজ্যৰ অৰ্থনৈতিক ব্যৱস্থাটোক প্ৰতিনিধিত্ব কৰে বা অৰ্থনৈতিক ছবিখনক প্ৰতিফলিত কৰে আৰু এই বাজেটখনে অসমখনৰ সকলো দিশতে কৃষকৰ পৰা আৰম্ভ কৰি গৃহিনীলৈকে, চাকৰিয়ালৰ পৰা আৰম্ভ কৰি পৰ্য্যটন ক্ষেত্ৰলৈকে, উদ্যোগৰ পৰা বনজ ক্ষেত্ৰলৈকে প্ৰতিটো ক্ষেত্ৰত সম্ভাৱনাৰ এক বিপুল সম্ভাৰ ইয়াত দাঙি ধৰিছে । মই বিশেষকৈ গ্ৰাম্য অৰ্থনীতি, জলসিঞ্চন আৰু কৃষি ব্যৱস্থাৰ ক্ষেত্ৰত এই বাজেটখনৰ যি ইতিবাচক দিশ তাৰ বাবেও বিশেষভাৱে ধন্যবাদ জনাইছো । গ্ৰামোন্নয়ন বিভাগ অসমৰ এটা অত্যন্ত জৰুৰী বিভাগ, প্ৰত্যেকখন গাঁৱক এই বিভাগে স্পৰ্শ কৰি যায় গ্ৰামোন্নয়ন বিভাগক এই বাজেটত যথেষ্ট গুৰুত্ব প্ৰদান কৰা হৈছে আৰু ৯১৭১ কোটি টকা গ্ৰামোন্নয়ন বিভাগৰ বাবে দিয়া হৈছে। তাৰ উপৰিও আশা কৰা হৈছে যো 16th Finance ৰ অন্তৰ্গত প্ৰায় ১৬,২৬৮ কোটি টকা আমি গ্ৰামোন্নয়নৰ ক্ষেত্ৰত খৰছ কৰিব পাৰিম। প্ৰতিখন গাঁৱৰ এক উন্নত ছবি, প্ৰতিখন গাঁৱৰ প্ৰগতিশীল দিশ আমি যদি প্ৰতিষ্ঠা কৰিব পাৰো ই হ'ব অসমৰ মূল প্ৰতিচ্ছবি খনৰ প্ৰতিফলন । আমাৰ গাঁৱৰ প্ৰত্যেকখন পঞ্চায়তৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত আহি থকা দিনত বিকশিত ভাৰত জি ৰাম জি আৰু 16th Finance ৰ অধীনত ব্যাপকভাৱে উন্নয়নমূলক কাম-কাজ কৰাৰ পদক্ষেপ হাতত ল'ব বিচৰা হৈছে । প্ৰত্যেকখন গাওঁ পঞ্চায়তত যদি এক কোটিকৈ টকা বছৰেকত খৰছ কৰাৰ পৰিকল্পনা সফল হয়, পাঁচটা বছৰত গাওঁ সমূহৰ চেহেৰা সলনি হ'ব । উপাধ্যক্ষ মহোদয়, আমাৰ ইয়াত আমি বিৰোধী দলৰ সদস্যৰ ভাষণত শুনিছিলো যে অসমৰ প্ৰতিখন গাঁৱত একোটাকৈ উদ্যোগ স্থাপন কৰিব লাগে।

আচলতে যিসকল ব্যক্তিয়ে উদ্যোগ স্থাপন কৰিবলৈ হ'লে আদানী, আম্বানীৰ ভোট দেখে, যিসকল ব্যক্তিয়ে উদ্যোগীসকলক বিভিন্ন ধৰণে ব্লেকমেইলিং কৰিব খোজে সেইসকল ব্যক্তিয়ে বিধান সভাত প্ৰত্যেকখন গাঁৱত একোটাকৈ উদ্যোগ স্থাপন কৰিবলৈ কোৱা কথাটোৱে আমাক কিছু ৰসৰ যোগান ধৰিছে । প্ৰত্যেকখন গাঁৱৰ কৃষি ব্যৱস্থাক আগুৱাই লৈ যাব লাগিব আৰু ইয়াৰ বাবেও চৰকাৰে এই বাজেটত ব্যৱস্থা লৈছে । আমাৰ উজনি অসমত বিশেষকৈ গোলাঘাট জিলাত মোৰ নিজৰ সৰুপথাৰ সমষ্টিত এটা অত্যন্ত সম্ভাৱনা পূৰ্ণ বিষয় হ'ল যে সাঁচি গছ বা আগৰৰ  খেতি। পূৰ্বতে এই আগৰ খেতিক নিষিদ্ধ ব্যৱসায় দৰে ধৰা হৈছিল আৰু চৰকাৰে আগৰৰ সম্পৰ্কত এটা সুস্থ নীতি গ্ৰহণ কৰাৰ ফলত আগৰৰ ব্যৱসায় বা আগৰ খেতিয়ক সকলৰ কাৰণে এক নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ যি আগৰ খেতি হয় এই আগৰৰ খেতি প্ৰত্যেক বছৰে চোৰাংকৈ হওক বা বিভিন্ন ধৰণে হওক যি ব্যৱসায় হয়, এই ব্যৱসায় যদি আমি সম্পূৰ্ণ সুস্থভাৱে নিয়ম মাফিক কৰি এক সুস্থ অৰ্থনীতি গঢ়িব পাৰো তেতিয়াহলে প্ৰত্যেক বছৰে প্ৰায় ২০ হাজাৰ কোটি টকাৰ সাঁচি গছৰ কাঠৰ ব্যৱসায় হ'বলৈ সম্ভৱ হ'ব। তেতিয়াহ'লে ৩৬০০ কোটি টকা কেৱল চৰকাৰে জি এচ টি ৰ পৰা লাভ কৰিব পৰা সম্ভাৱনা আছে। গতিকে আগৰৰ ক্ষেত্ৰত চৰকাৰে যি প্ৰাধান্য দিছে এই প্ৰাধান্যই বহু লোকক অধিকভাৱে অৰ্থনৈতিক সৱলতাৰ দিশলৈ লৈ লৈ যাব। একো একোটা পৰিয়ালত যদি এশ জোপা সাঁচি গছ থাকে, এজোপা সাঁচি গছত এক লাখ টকা লৈকে পায়, তেনে এটা পৰিয়াল কোটিপতি পৰিয়ালত পৰিণত হ'য় । এবিঘা মাটিতে এশ জোপা সাঁচি গছ ৰুব পাৰে ।  এই ব্যৱসায় কৃষি বনানীকৰণৰ জৰিয়তে আমি আগুৱাই লৈ যাব পাৰিলে আমাৰ গ্ৰাম্য অৰ্থনীতি বহু পৰিমাণে আগবাঢ়ি যাব। এই বাজেটত আৰু এটা খুব ভাল লগা দিশ দেখিলো যে ভাৰতৰ বিভিন্ন ঠাইত অসমীয়া থলুৱা খাদ্যৰ বাবে আমি প্ৰচাৰ চলাব বিচাৰিছো । আজি যলৈকে গ'লেও দক্ষিণ ভাৰতৰ খাদ্য আমি খাবলৈ পাও- ডোছা, ইডলি, বাৰ্গাৰ। এইবিলাক আমাৰ আজিৰ সমাজৰ প্ৰিয় খাদ্য। কিন্তু আমাৰ যিবিলাক পৰম্পৰাগত খাদ্য,

এই পৰম্পৰাগত খাদ্যৰ যি গুৰুত্ব- কোমল চাউলেই হওক বা অন্যান্য খাদ্য আনকি পইতা ভাত লৈকে- আমাৰ পৰম্পৰাগত খাদ্যৰ যি গুৰুত্ব, এই গুৰুত্ব যদি বৃদ্ধি কৰি আমি সমগ্ৰ ভাৰতবৰ্ষত উত্তৰ-পূব বা অসমৰ খাদ্যৰ কাৰণে এটা বেলেগ ব্ৰেণ্ড সৃষ্টি কৰিব পাৰো, এই ব্ৰেণ্ডে আহি থকা দিনত বহু অসমীয়া যুৱক-যুৱতীক অসমৰ বাহিৰত সংস্থাপিত কৰাৰ ব্যৱস্থা কৰিব পাৰিব।

(মাননীয় অধ্যক্ষ মহোদয় অধ্যক্ষৰ আসনত উপবিষ্ট হয়)

মাননীয় অধ্যক্ষ মহোদয়, এই বাজেটত বিশেষকৈ আৰু এটা কথা লক্ষ্য কৰিছো কৰ্মচাৰী সকলৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। প্ৰায় ৫২ হাজাৰ কৰ্মচাৰীক 'আপোন ঘৰ' আঁচনিৰ অধীনত তেওঁলোকে ঘৰ বনাবৰ কাৰণে সহায় কৰা হৈছে। এটা ঘৰ, এটা পৰিয়াল বা এজন ব্যক্তিৰ সমগ্ৰ জীৱনৰ সপোনৰ ফল চৰকাৰে ৭০০ কোটি টকাতকৈ অধিক সুত ৰেহাই দিছে। 'আপোন বাহন'ৰ জৰিয়তেও প্ৰায় ৮৫০০ লোকে চৰকাৰৰ পৰা সাহাৰ্য্য লৈ গাড়ী কিনিছে। মধ্যবিত্ত ব্যক্তিৰ বাবে এখন গাড়ী, এটা পকী ঘৰ এটা ডাঙৰ সপোন আৰু এই ডাঙৰ সপোনটো বাস্তৱত ৰূপায়িত কৰিবৰ বাবে আমাৰ চৰকাৰে বাস্তৱিক পদক্ষেপ গ্ৰহণ কৰিছে আৰু সঠিক দিশতে আগবাঢ়ি গৈছে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী বিশ্বজিৎ ফুকন, (সৰুপথাৰ)ঃ** মই পুনৰ বাৰ এই সুন্দৰ বাজেট দিয়াৰ বাবে মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়া আৰু মাৰ্গ দৰ্শন কৰাৰ বাবে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** শ্ৰী আফতাব উদ্দিন মোল্লা, আপোনাক ৫ মিনিট সময় দিয়া হ'ল।

**শ্ৰী আফতাব উদ্দিন মোল্লা, (জলেশ্বৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱৰ নেতৃত্বত গঠিত বিজেপি চৰকাৰৰ দ্বিতীয়টো কাৰ্য্যকালত প্ৰথম বাৰ্ষিক বাজেটখন যোৱা ১০ জুলাই তাৰিখে মাননীয়

উদ্যমী বিত্ত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাদেৱে দাখিল কৰিলে। মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ ভাষণ আৰু নথি-পত্ৰ সমূহ আমি পঢ়ি চালো। উন্নয়নমূলক বাজেট বুলি যেনেদৰে বহু কথা কোৱা হৈছিল আমি সেই ধৰণে দেখা নাই। প্ৰত্যেক বছৰৰ দৰে এখন গতানুগতিক বাজেট। বাজেটখনত বহু কথা আমি ক'ব লাগিব কিন্তু সময়ৰ অভাৱৰ কাৰণে হয়তো সকলো কথা ক'ব নোৱাৰিম। মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বহু ঠাইৰ লগতে নামনি অসমৰ গোৱালপাৰা, বৰপেটা, ধুবুৰী, দক্ষিণ শালমাৰা মানকাচাৰ জিলাত ব্ৰহ্মপুত্ৰ নদীৰ দুয়োপাৰে লাখ লাখ বিঘা খেতিৰ মাটিৰ লগতে হাজাৰ হাজাৰ পৰিয়ালে গৰাখহনীয়াগ্ৰস্ত হৈ ভূমিহীন হৈ আছে। এই গৰাখহনীয়া স্থায়ীভাৱে প্ৰতিৰোধ কৰাৰ কোনো আঁচনিৰ বিষয়ে এই বাজেটত প্ৰয়োজনীয় পুঁজিৰ আৱন্টন দিব বুলি আশা কৰিছিলো। সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস নীতি নামনি অসমৰ বাবে প্ৰযোজ্য নহয় যেন অনুভৱ হৈছে। ইং ২৪ আগষ্ট ২০২৩ ৰ অসম ৰাজপত্ৰত অসম চৰকাৰৰ গড়কাপ্তানি (পথ) বিভাগৰ হুকুম নং E 189067/33 ৰ ৰাজ্যিক ঘাই পথৰ তালিকাত সন্নিবিষ্ট SH-043 মোৰ সমষ্টিৰ খলিচাভিটা, লক্ষীপুৰ, তালতলা, খৰমুজা, আৰু গোৱালপাৰা জিলাৰ গোৱালপাৰা, মাটিয়া, শিমলীতলা, কালাতলী, শিঙিমাৰী, দুমুগাওঁ, উন্দুৰী, কুলসী, লোহাৰঘাট, ৰাজাপাৰা পথসমূহৰ বাবে এই বাজেটত প্ৰয়োজনীয় পুঁজিৰ আৱন্টন পাম বুলি বহুত আশা কৰিছিলো। কিন্তু এই বাজেটেও নিৰাশ কৰিলে। এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰিলো আৰু ইয়াৰ এটা ইতিবাচক সিদ্ধান্ত পাম বুলি আশা কৰিলো কাৰণ এই ৰাজ্যিক ঘাই পথচোৱা যদি হয় তেতিয়া হ'লে আমাৰ গোৱালপাৰা জিলাৰ বহু উপকাৰ হ'ব। সেই কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ মই দৃষ্টি আকৰ্ষণ কৰিলো। সাধাৰণতে প্ৰত্যেক বছৰে প্ৰত্যেক বিভাগৰ বাজেটত ধাৰ্য্য কৰা পুঁজিৰ বৃদ্ধিৰ ফলত ২০১৫-১৬ চনত ৭২,৫৭৩ কোটি টকাৰ পৰা বৰ্তমান ২০২৬-২৭ ৰ এই বাজেটত ১,৫১,৮৪৩ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। অৰ্থাৎ দুগুণতকৈ অধিক বৃদ্ধি কৰা হৈছে। কিন্তু দুৰ্ভাগ্যবশতঃ সংখ্যালঘূ কল্যাণ উন্নয়ন বিভাগৰ ক্ষেত্ৰত সম্পূৰ্ণ ওলোটা নীতি দেখা যায়। ইং ২০১৫-১৬

বৰ্ষৰ তুলনাত ২০২৬-২৭ বিত্তীয় বৰ্ষত ভাষিক সংখ্যালঘূসকলকহে সংখ্যালঘূ কল্যাণ উন্নয়ন বিভাগৰ আওঁতাত অনাৰ পাছত ইয়াৰ মুঠ জনসংখ্যা ১ কোটি ৫০ লাখতকৈ অধিক হোৱাৰ স্বত্তেও এই বিভাগত বাজেটৰ ধন ২০১৫-১৬ৰ তুলনাত ৫০% হ্ৰাস কৰা দেখা যায়। সেয়েহে মাননীয় বিত্ত মন্ত্ৰী মহোদয় আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক বিষয়টো সহানুভূতিৰে বিবেচনা কৰি অধিক পুঁজি আৱন্টন দিয়াৰ বাবে অনুৰোধ কৰিলো। এই বাজেটত নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ অধীনত মেধাৱী ছাত্ৰ–ছাত্ৰীসকললৈ স্কুটী বিতৰণ বন্ধ কৰিব বিচৰাটো আমি নিতান্ত দুৰ্ভাগ্যজনক বুলি ভাৱিছো। এওঁলোকক স্কুটী বিতৰণ দিয়াটো বন্ধ কৰিব নালাগে। মই এতিয়া মোৰ সমষ্টিৰ কেইটামান জ্বলন্ত সমস্যাৰ বিষয়ে ক'ম যাৰ প্ৰতি এই বিধান সভাত মই মাননীয় মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আমাৰ তাত ব্ৰহ্মপুত্ৰ নদীৰ অতি বেছি গৰাখহনীয়া হয়। মোৰ সমষ্টিটো বহুত ডাঙৰ সমষ্টি আৰু ইয়াত গৰাখহনীয়াৰ বাবে পুঁজিৰ আৱন্টন দিয়াৰ বাবে অনুৰোধ জনাইছো। আমাৰ সমষ্টিত আৰু কেইখনমান নদী আছে যেনে- অজগৰ নদী, ঘাগুৰা নদী, জিঞ্জিৰাম নদী। ঘাগুৰা নদীৰ যি irrigation আছে তাৰ দুয়োফালে থকা মানুহৰ ঘৰ-বাৰীৰ লগতে খেতিবাতিও বহুত নষ্ট হৈছে। ইয়াত অধিক পুঁজি দিয়াৰ বাবে মই অনুৰোধ জনালো। জিঞ্জিৰাম এনেকুৱা এখন নদী যিয়ে আমাৰ তাত খলিচাভিটা জোখমাৰী বুলি পকী ৰাস্তাৰ আধা ইতিমধ্যে উটুৱাই লৈ গৈছে। সেয়েহে মই মাননীয় মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰী মহোদয়ক এইবিলাক ইয়াৰ মাজত সামৰি আমাৰ কামবোৰ কৰি দিবলৈ অনুৰোধ কৰিছো। যিহেতু সময়ৰ অভাৱ, মই এইখিনিয়ে কৈ মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা বিবৃতি দিব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বক্তব্যখিনি যদি ২ বাজি কিছু পাৰ হৈ যায় আমি সেই সময়টো আগতীয়াকৈ অনুমোদন কৰাই থৈ দিলো। এতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ক'ব।

**ড° হিমন্ত বিশ্ব শৰ্মা, ( মুখ্যমন্ত্ৰী )ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা বিশেষ কথাৰ বাবে সদনত মাননীয় বিধায়কসকলৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আমাৰ সমষ্টি পুনৰ গঠনৰ পাছত পঞ্চায়তসমূহ পুনৰ গঠন হ'ল কিন্তু এতিয়াও বহুকেইটা সমষ্টিত revenue circle সমষ্টি ভিত্তিক হোৱা নাই। আমাৰ বহু ক্ষেত্ৰত দেখা যায় যে এটা সমষ্টিৰ revenue circle বা revenue village আন এটা সমষ্টিৰ লগত জড়িত হৈ আছে আৰু ক'ৰবাত ক'ৰবাত আন এখন জিলাৰ লগতো জড়িত হৈ আছে। কিছুমান সমষ্টিত ৰাজহ চক্ৰ নাই। তাৰ পৰিপ্ৰেক্ষিতত ই কাষৰ সমষ্টিসমূহৰ লগত সংলগ্ন হৈ আছে। আজি আমি বিটিচিৰ ক্ষেত্ৰত exercise টো কৰা নাছিলো। কিন্তু আন ১০৫ টা সমষ্টিৰ ক্ষেত্ৰত আমি exercise কৰিছিলো। এতিয়া মই উদাহৰণ স্বৰূপে ২ -৩ টা ক'ব খুজিছো। যেনেকৈ দুধনৈত আমাৰ বালিজানা ৰাজহ চক্ৰ আছে কিন্তু তাত গোৱালপাৰা পূৱ সমষ্টিৰ গাওঁসমূহো জড়িত হৈ আছে। ঠিক তেনেধৰণে বৰক্ষেত্ৰীত আমাৰ এখন পঞ্চায়ত সৰ্থেবাৰী বা বৰপেটা সমষ্টিৰ লগত জড়িত হৈ আছে। তেনেকৈ আমাৰ টিংখঙৰ গাওঁ নাহৰকটীয়াৰ লগত জড়িত হৈ আছে। সেইবাবে আজি আমি এটা প্ৰথম পৰ্যায়ত জিলা আয়ুক্ত সকলক assessment কৰি দুদিনৰ ভিতৰত আমাক প্ৰস্তাৱ পঠিয়াবলৈ কৈছো যে কোনো সমষ্টিৰ গাওঁ যাতে বিধায়কৰ এৰিয়াৰ বাহিৰত নাথাকে। মই আৰু উদাহৰণ দিব পাৰো। যেনেকৈ গোলাঘাট সমষ্টিৰ বহুকেইখন গাওঁ দেৰগাওঁ সমষ্টিত আহিছে কিন্তু revenue circle টো এতিয়াও গোলাঘাটতে আছে । তেনেকৈ তিতাবৰৰ পুৰণা ১০ খন গাওঁ গোলাঘাট জিলাত আহিলে, সমষ্টিও গোলাঘাট কিন্তু এতিয়াও revenue circle তিতাবৰৰ লগত সংলগ্ন হৈ আছে । তাৰ পৰিপ্ৰেক্ষিতত জিলা আয়ুক্তসকলক আমি এটা নিৰ্দেশ দিছো যে revenue circle আৰু LAC co-terminus হ'ব লাগিব যাতে কোনো বিধায়কে revenue circle ৰ কাৰণে নিজৰ সমষ্টিৰ বাহিৰত যাব নালাগে। মই আজি দেখিছিলো যে ডিমৌ সমষ্টিৰ কিছু গাওঁ চৰাইদেউ জিলাত জড়িত হৈ আছে কিন্তু ডিমৌ পৰে শিৱসাগৰ জিলাত। আজিৰ পৰা আমাৰ DC সকলে এই exercise টো কৰিব। আমি কতো revenue

circle withdraw নকৰো। ক'ৰবাত যদি ৩ টা আছে, তিনিটাই থাকিব, ক'ৰবাত যদি ২টা আছে দুটাই থাকিব কেৱল গাওঁসমূহ transfer হ'ব

........interruptions......

মুখ্যমন্ত্ৰীয়ে কথা কৈ থাকিলে usually মানুহে মাজত মাত নিদিয়ে। এতিয়া তাৰ পৰিপ্ৰেক্ষিতত আপোনালোকৰ যদি কিবা বক্তব্য থাকে আপোনালোকে ডিচি সকলক দিব আৰু যিকেইটা সমষ্টিত এটাও revenue circle নাই, সেই সমষ্টিখিনিৰ আমি লিষ্ট উলিয়াইছিলো বৰপেটা জিলাৰ পাকাবেতবাৰী আৰু চেঙা। বঙাইগাওঁ জিলাৰ সৃজনগ্ৰাম, কাছাৰ জিলাৰ বৰখলা আৰু ধলাই , ধুবুৰীৰ বীৰসিং জৰুৱা এতিয়া যদি South Salmara ত কিবা ইয়াৰ গাওঁ আছে, এইখিনি ধুবুৰীলৈকে transfer হ'ব । ধুবুৰীত বীৰসিং জৰুৱা, ডিব্ৰুগড়ত খোৱাং, গোৱালপাৰাত জলেশ্বৰ, কামৰূপ মহানগৰত Central Guwahati ,লক্ষীমপুৰত নাওবৈচা, তিনিচুকীয়াত মাকুম ডিগবৈ ,শোণিতপুৰ জিলাত ৰঙাপাৰাৰ আৰু বিশ্বনাথ চাৰিআলিত বিহালী। এই সমষ্টি কেইটাত এটাও revenue circle নাই। আজি আমি সদনত জনাবলৈ পাই ভাল পাইছো যে চৰকাৰে তৎকালীনভাৱে এই গোটেইকেইটা সমষ্টিত এটা এটা revenue circle দিবৰ বাবে সিদ্ধান্ত লৈছে। ইয়াৰ ফলত পাকাবেতবাৰী সমষ্টিৰ গোটেই গাওঁ পাকাবেতবাৰী revenue circle ত আহিব, চেঙা সমষ্টিৰ গোটেই গাওঁ চেঙা revenue circle ত আহিব। ঠিক তেনেকৈ গুৱাহাটীতো ৫ টা revenue circle ত ৫ খন সমষ্টিৰ গাওঁ আহিব, কোনো সমষ্টিলৈ over lapping হ'ব নোৱাৰিব। এই exercise টো কৰাৰ পিছত কিছুমান সমষ্টিৰ কিছুমান revenue circle বহুত ডাঙৰ হৈ যাব আৰু কিছুমান সমষ্টিৰ কিছুমান revenue circle বহুত সৰু হৈ যাব। তাৰ পিছত আমি next exercise টো কৰিম যাতে সমষ্টিৰ ভিতৰতো সমানুপাতিকভাৱে গাওঁসমূহ প্ৰতিটো revenue circle ত ভগাই দিয়া যাব। আমি কোনো সমষ্টিৰ পৰা কোনো revenue circle withdraw নকৰো। কিন্তু তাৰ পিছতো জোনাইৰ দৰে সমষ্টিত আমি revenue circle create আৰু কৰিব লাগিব। গতিকে সেই position টো আমি next ব্যৱস্থাত ল'ম । যেনেকৈ চমৰীয়াৰ গোটেই গাওঁবিলাক

গৰৈমাৰীলৈকে গুচি যাব। কাৰণ চমৰীয়াত এতিয়া এটাই revenue circle আছে, চমৰীয়া revenue circle বকোত আছে। কিন্তু পৰৱৰ্তী সময়ত গৰৈমাৰীৰ লগতে আমি সোণতলীতো এটা revenue circle create কৰি দিম । যাতে বৰ্ধিত pressure টো ল'বৰ কাৰণে দুটা revenue circle আমি কৰিব পাৰো । কিন্তু আজিৰ পৰা যিটো exercise আৰম্ভ হ'ব, সেইটো হ'ল নিজৰ সমষ্টিত থকা revenue circle ত গাওঁসমূহ attach কৰা । কোনটো revenue circle ত attach কৰিব লাগে আপোনালোকে যাতে DC সকলক পৰামৰ্শ দিয়ে য'ত এটা revenue circle আছে, তাত পৰামৰ্শৰ প্ৰয়োজনেই নাই। কিন্তু য'ত এটাও revenue circle নাই. দুটা আছে গাওঁখিনিক কোনটো revenue circle ৰ লগত সংলগ্ন কৰিব লাগে, সেইখিনি আপোনালোকে পৰামৰ্শ দিব । ইয়াৰ next stage ত আমি বিটিচি তো চেষ্টা কৰিম যাতে বি টি চিতো আমি এনেকৈ rasonalise কৰিব পাৰো । মূল উদ্দেশ্যটো হ'ল পঞ্চায়তৰ সীমাটো যেনেকৈ সমষ্টিৰ ভিতৰত, তেনেকৈ revenue village ও এতিয়া সমষ্টিৰ ভিতৰত হ'ব যাতে সমষ্টিৰ বাহিৰৰ circle office ৰ তাত সমষ্টিৰ মানুহ বা সমষ্টিৰ বিধায়ক যাব নালাগে। বানপানীৰ পৰিপ্ৰেক্ষিতত এইটো খুব important কাম, সেই কাৰণে আমি এই সপ্তাহতে প্ৰথম পৰ্য্যায়টো শেষ কৰিম । দ্বিতীয় পৰ্য্যায়ত সমিষ্টিৰ ভিতৰত গাওঁ ভগোৱা কাম আৰম্ভ কৰিম depth process ত যদি কৰবাত আমাৰ নতুন revenue circle লাগে আমি create কৰাৰ ব্যৱস্থা কৰিম। মই ভাবিছো যে কথাখিনি মই সদনত জনাই থৈছো৷ কাৰণ কালিৰ পৰা সদন ৭ দিন নাথাকিব আৰু এই ৭ দিনতেই কামখিনি আমি শেষ কৰিম। মই পুনৰ এবাৰ এইটো নিশ্চিতভাৱে আমাৰ বহু কেইজন বিধায়কৰ বাবে এইটো এটা ভাল খবৰ, কোনেও দাবী কৰা নাছিল আমাৰ এতিয়া কোনোবা নাওঁবৈচা সমষ্টিতে জে. পি. দাসে গৈ কৈ দিব যে মই দাবী কৰা কামেই কৰিলে । এইবিলাক কথা যাতে কোনেও নকয়, কাৰণ মই জানো যে আমি কৰি দিয়া কামবিলাক পিছত কোনোবাই কয় যে ৰাইজে দাবী কৰিছিল । বহুত ঠাইত মই ইমানদিন ৰাজনীতিত থাকো, কতো ৰাইজৰ দাবী নুশুনো আমি, আমি নিজে নিজে গৈ মেডিকেল কলেজ দিওঁ পিছত কয় যে

এইটো ৰাইজেও দাবী কৰিছিল। গতিকে ইয়াত কতো  দাবী নাই। এতিয়া মই আকৌ এবাৰ কৈছো যে তৎকালীনভাৱে পাকাবেতবাৰীত বিধায়কে দাবী নকৰাকৈ, চেঙাত, বিধায়কে দাবী নকৰাকৈ, সৃজনগ্ৰামত বিধায়কে দাবী নকৰাকৈ, বৰখলা, ধলাইত বিধায়কে দাবী নকৰাকৈ, বীৰ সিং জুৰুৱাত বিধায়কে দাবী নকৰাকৈ, খোৱাংঙত দাবী নকৰাকৈ, গোৱালপাৰা, জলেশ্বৰত দাবী নকৰাকৈ কামৰূপৰ central guwahati ত দাবী নকৰাকৈ, লক্ষীমপুৰ নাওঁবৈচাত দাবী নকৰাকৈ, তিনিচুকীয়া মাকুম, ডিগবৈত দাবী নকৰাকৈ, ৰঙাপাৰা বিহালীত আমি দাবী নকৰাকৈ ৰাইজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এটা এটা circle office আজি  আমি ঘোষণা কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। সদন ১৫ জুলাই, ২০২৬ তাৰিখলৈ স্থগিত ৰখা হ'ল।